www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

❐ PRGI REGD. NO. : ASASS/25/A2361

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

ইতিহাস দৰাচলতে মানৱ জাতিৰ অপৰাধ, মুৰ্খতাৰ তালিকাৰ বাহিৰে আন একো নহয়। — এডৱাৰ্ড গিবন

# অসম বাৰ্তা

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❐ প্ৰথম বছৰ ❐ সংখ্যা- ১৮৩ ❐ দেওবাৰ ❐ ৩ মে', ২০২৬ চন ❐ Volume/Year- I ❐ Issue- 183 ❐ Sunday ❐ 3rd May, 2026 ❐ Asom Barta, Majuli ❐ PRGI Reg. No.- ASASS/25/A2361 ❐ Price- Rs. 10 ❐ Total Page- 8




■ গুৱাহাটীত কংগ্ৰেছৰ পৰ্যালোচনা বৈঠক; চৰকাৰ গঠনৰ দাবী ■

# ৪ মে'ত অসমত হ'ব বিৰোধীৰ চৰকাৰ!

## দিনৰ ১ বজালৈ স্পষ্ট হৈ পৰিব বুলি দাবী বিৰোধী ঐক্য মঞ্চৰ

❐ ৪ মে'ত অসমৰ মুখ্যমন্ত্ৰী হ'ব গৌৰৱ গগৈ ঃ অখিল গগৈ

❐ EXIT POLLৰ পৰিসংখ্যা মিছা প্ৰমাণিত হ'ব ঃ গৌৰৱ গগৈ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২ মে' ঃ** অসম বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ মাত্ৰ দুদিন আগতে বিৰোধী দলসমূহে চৰকাৰ গঠনৰ দৃঢ় আত্মবিশ্বাস প্ৰকাশ কৰিছে। শনিবাৰে কংগ্ৰেছৰ নেতৃত্বত অনুষ্ঠিত এক বৈঠকত মিত্ৰজোঁটৰ নেতাসকলে দাবী কৰে যে সোমবাৰে গৌৰৱ গগৈ অসমৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰিব। গুৱাহাটীৰ বশিষ্ঠ অঞ্চলৰ হোটেল ৰত্নমৌলী পেলেচত আয়োজিত এই পৰ্যালোচনা সভাত কংগ্ৰেছ, ৰাইজৰ দল, অসম জাতীয় পৰিষদ (অজপ) আৰু এপিএইচএলচিৰ শীৰ্ষ নেতৃত্ব অংশগ্ৰহণ কৰে। বৈঠকৰ পাছত সংবাদ মাধ্যমেৰলৈ সন্ধিয়া প্ৰকাশ পোৱা এগজিট প'লৰ সমীক্ষাসমূহক নাকচ কৰি বিৰোধী শিবিৰে ❐ ৬ পৃষ্ঠাত



❐ ২১ মে'ত ২৮৫টা কেন্দ্ৰত ভোটদান ❐

❐ ২৪ মে'ত গণনা, নিৰ্বাচন আয়োগৰ কটকটীয়া নিৰ্দেশ ❐

## অনিয়মৰ অভিযোগ; ফাল্টাতো পুনৰ ভোটগ্ৰহণ

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২ মে' ঃ** পশ্চিম বংগৰ ফাল্টা বিধানসভা সমষ্টিত অনিয়মৰ অভিযোগ উত্থাপিত হোৱাৰ পিছত নিৰ্বাচন আয়োগে পুনৰ ভোটগ্ৰহণৰ নিৰ্দেশ দিছে। স্বচ্ছ আৰু নিৰ্ভেজাল ভোটদান ❐ ৬ পৃষ্ঠাত

❐ অসমতো কটকটীয়া ব্যৱস্থা ❐

## আজি দেশজুৰি নীট-ইউজি ২০২৬ পৰীক্ষা


### পৰীক্ষাৰ বাবে পঞ্জীয়ন কৰা মুঠ শিক্ষাৰ্থী ২২ লাখৰো অধিক; এইবাৰ ছাত্ৰীৰ সংখ্যা ৫৮ শতাংশ, প্ৰশাসনৰ পৰা কঠোৰ নিৰাপত্তা

**নিউজ ডেস্ক, অসম বাৰ্তা, ২ মে' ঃ** ৰাষ্ট্ৰীয় যোগ্যতা আৰু প্ৰৱেশ পৰীক্ষা (নীট-ইউজি) ২০২৬ৰ বাবে দেওবাৰে (৩ মে') দেশৰ বিভিন্ন প্ৰান্তত ব্যাপক প্ৰস্তুতি সম্পূৰ্ণ কৰা হৈছে। এই পৰীক্ষাৰ জৰিয়তে চিকিৎসা বিজ্ঞান, দন্ত চিকিৎসা আৰু আয়ুষ শিক্ষাৰ বাবে ছাত্ৰ-ছাত্ৰীয়ে আসন সুৰক্ষিত কৰিব ❐ ৬ পৃষ্ঠাত

❐ শ্যামকানু মহন্তৰ জামিন ইতিমধ্যে নাকচ ❐

## সোমবাৰে সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদনৰ চূড়ান্ত ৰায়

### ফাষ্ট-ট্ৰেক আদালতৰ কাৰখানা জব্দ, ছটা বেংক একাউণ্ট স্থগিত



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২ মে' ঃ** জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ মৃত্যুকাণ্ড সন্দৰ্ভত বিশেষ ফাষ্ট-ট্ৰেক আদালতে অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ জামিন আবেদনৰ বিষয়ে ❐ ৬ পৃষ্ঠাত

ছহিদ ছত্তিশগড় আৰক্ষীৰ DRGৰ জোৱান, আহত তিনিজন

## ছত্তিশগড়ত মাওবাদীয়ে স্থাপন কৰা IED বিস্ফোৰণত ছহিদ চাৰি জোৱান



### কাংকেৰ-নাৰায়ণপুৰ সীমান্তৰ বনাঞ্চলত নক্সালবাদীয়ে সংস্থাপন কৰা বিস্ফোৰক নিষ্ক্ৰিয় কৰিবলৈ যাওঁতেই মৰ্মান্তিক ঘটনা

**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২ মে' ঃ** ছত্তীশগড় ৰাজ্যত শনিবাৰে এখন ভয়াবহ আইইডি বিস্ফোৰণ ঘটনাত চাৰিগৰাকী নিৰাপত্তা জোৱানে প্ৰাণ হেৰুৱায়। বিস্ফোৰণটো সংঘটিত হয় কাংকেৰ আৰু নাৰায়ণপুৰ জিলাৰ সীমান্তৱৰ্তী ❐ ৬ পৃষ্ঠাত

নামভৰ্তিৰ সিদ্ধান্ত বাতিলৰ দাবী আছুৰ; অসম পশু চিকিৎসা আৰু মীন বিশ্ববিদ্যালয়ৰ পঞ্জীয়কক সাক্ষাৎ

## NEET পৰীক্ষাৰ নম্বৰৰ আধাৰত BVSc আৰু BFSc পাঠ্যক্ৰমৰ নামভৰ্তিৰ সিদ্ধান্ত

### NEET পৰীক্ষাৰ আবেদনৰ সময়সীমা পৰা হৈ যোৱাৰ পাছত জাৰি নিৰ্দেশনা



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২ মে' ঃ** অসম পশু চিকিৎসা আৰু মীন বিশ্ববিদ্যালয়ে এইবৰ্ষৰ পশু চিকিৎসা বিজ্ঞান আৰু মীন বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমৰ নামভৰ্তি নীট (NEET) পৰীক্ষাৰ নম্বৰৰ ভিত্তিত কৰাৰ সিদ্ধান্তৰ তীব্ৰ বিৰোধিতা কৰিছে সদৌ অসম ছাত্ৰ সন্থাই। এই হঠকাৰী সিদ্ধান্ত শীঘ্ৰে প্ৰত্যাহাৰ কৰাৰ দাবী জনাইছে ছাত্ৰ সংগঠনটোৱে। বিশ্ববিদ্যালয় প্ৰশাসনে যোৱা ২৭ এপ্ৰিলত জাৰি কৰা এক জাননী অনুসৰি, ❐ ৬ পৃষ্ঠাত

উচ্চতম ন্যায়ালয়ৰ সিদ্ধান্তক আদৰণি পৱন খেৰাৰ

## মিছা কথা যিমানেই ভয়ংকৰ যেন নালাগক, সত্যই জয়ী হয়




**নেশ্যনেল ডেস্ক, অসম বাৰ্তা, ২ মে' ঃ** কংগ্ৰেছৰ জ্যেষ্ঠ নেতা পৱন খেৰাই শনিবাৰে উচ্চতম ন্যায়ালয়ে তেওঁক আগতীয়া জামিন প্ৰদান কৰাৰ সিদ্ধান্তক আদৰণি জনাইছে। জালিয়াতি আৰু মানহানিৰ অভিযোগৰ সৈতে জড়িত এই গোচৰত পোৱা সকাহক তেওঁ "ৰাষ্ট্ৰৰ ❐ ৬ পৃষ্ঠাত

❐ সমদল, শ্লোগান, আতচবাজী নিষিদ্ধ ❐

## ৪ মে'ৰ ভোটগণনাক লৈ গুৱাহাটীত ১৪৪ ধাৰা জাৰি

### কঠোৰ বাধা-নিষেধ আৰোপ প্ৰশাসনৰ



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২ মে' ঃ** অহা ৪ মে'ত অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনী ভোটগণনা প্ৰক্ৰিয়া শান্তিপূৰ্ণ আৰু শৃংখলাবদ্ধভাৱে সম্পন্ন কৰাৰ উদ্দেশ্যে ❐ ৬ পৃষ্ঠাত

দুৰ্ঘটনাগ্ৰস্ত বাহনখনৰ চালকৰ আসনত আছিল ছামিম

## মঠঘৰীয়া দুৰ্ঘটনাৰ মূল চালক ছামিম আহমেদক ন্যায়িক জিম্মালৈ প্ৰেৰণ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ২ মে' ঃ** মঠঘৰীয়া পথ দুৰ্ঘটনাৰ মূল অভিযুক্ত ছামিম আহমেদক আজি ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হয়। মুখ্য ন্যায়িক দণ্ডাধীশ (চিজেএম)ৰ আদালতত হাজিৰ কৰোৱাৰ পিছত তেওঁক আগন্তুক ১২ মে'লৈ ন্যায়িক জিম্মাত ৰখাৰ নিৰ্দেশ দিয়া হয়। আদালতৰ সূত্ৰই জানিবলৈ দিয়া মতে, ঘটনাৰ তদন্তৰ স্বাৰ্থত অভিযুক্তজনক দীৰ্ঘসময়লৈ ❐ ৬ পৃষ্ঠাত

## প্ৰসাৰ ভাৰতীৰ নতুন অধ্যক্ষ হিচাপে বিশিষ্ট গীতিকাৰ প্ৰসুন যোশীক নিযুক্তি



**নিউজ ডেস্ক, অসম বাৰ্তা, ২ মে' ঃ** ভাৰতৰ জনসেৱা সম্প্ৰচাৰক প্ৰসাৰ ভাৰতীৰ নতুন অধ্যক্ষ হিচাপে বিশিষ্ট গীতিকাৰ, সাহিত্যিক তথা যোগাযোগ বিশেষজ্ঞ প্ৰসুন যোশীক নিযুক্তি দিয়া হৈছে। শনিবাৰে, অৰ্থাৎ ২ মে' তাৰিখে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে এক আনুষ্ঠানিক বিবৃতিৰ জৰিয়তে এই গুৰুত্বপূৰ্ণ নিযুক্তিৰ ❐ ৬ পৃষ্ঠাত

টি-২০ আৰু এদিনীয়া শৃংখলাত উমা চেত্ৰী আৰু জিণ্টিমণি কলিতা

## ইংলেণ্ড ভ্ৰমণৰ বাবে ইণ্ডিয়া 'এ' দলত অসমৰ দুগৰাকী মহিলা ক্ৰিকেটাৰ

**নিউজ ডেস্ক, অসম বাৰ্তা, ২ মে' ঃ** ইংলেণ্ড ভ্ৰমণৰ বাবে গঠিত ভাৰতীয় মহিলা 'এ' ক্ৰিকেট দলত অসমৰ দুগৰাকী প্ৰতিভাশালী ক্ৰিকেটাৰ স্থান লাভ কৰিছে। উমা চেত্ৰী আৰু জিণ্টিমণি কলিতা নামৰ এই দুগৰাকী খেলুৱৈক টি-২০ আৰু এদিনীয়া শৃংখলাৰ বাবে নিৰ্বাচিত কৰা হৈছে। অসম ❐ ৬ পৃষ্ঠাত



## আইপিএল ২০২৬; চেন্নাইৰ ৮ উইকেটত মুম্বাইক ধৰাশায়ী

**অনলাইন ডেস্ক, অসম বাৰ্তা, ২ মে' ঃ** চলিত আই পি এল ২০২৬ত মুম্বাই ইণ্ডিয়ানছ আন এক পৰাজয়ৰ সন্মুখীন হৈছে। শনিবাৰে চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত হোৱা ❐ ৬ পৃষ্ঠাত



শিক্ষকতা আমাৰ সেৱা হোৱা উচিত ঃ অনুপমা ভট্টাচাৰ্য

# ৩৮ বছৰ শিক্ষকতাৰ অন্তত অৱসৰ গ্ৰহণ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী অনুপমা ভট্টাচাৰ্যৰ

## ☐ ছাত্ৰ-ছাত্ৰী আৰু ৰাইজৰ বিদায় সম্বৰ্দ্ধনা ☐




**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২ মে'** ঃ ১৯৮৯ চনত অবিভক্ত দৰং জিলাৰ বৰ্তমানৰ ওদালগুৰি জিলাৰ ধোপগুৰী প্ৰাথমিক বিদ্যালয়ত সহকাৰী শিক্ষয়িত্ৰী হিচাবে চাকৰি জীৱনৰ আৰম্ভণি কৰি পাঁচ বছৰ শিক্ষকতা পিছত ১৯৯৩ চনত টংলা চহৰৰ নিকটবৰ্তী বৰজলাহ প্ৰাথমিক বিদ্যালয়ত সহকাৰী শিক্ষয়িত্ৰী হিচাপে যোগদান কৰি ২০২২ চনত একেখন বিদ্যালয়ত প্ৰধান শিক্ষয়িত্ৰী হিচাপে পদোন্নতি লাভ কৰি আজি সুদীৰ্ঘ ৩৮ বছৰৰ শিক্ষকতাৰ অন্তত চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে অনুপমা ভট্টাচাৰ্যই। ১৯৬৬ চনত জন্ম গ্ৰহণ কৰা বৰজলাহ গাঁও নিৱাসী প্ৰয়াত কুশেশ্বৰ ভট্টাচাৰ্য্য আৰু মাতৃ প্ৰয়াত মোহেশ্বৰী ভট্টাচাৰ্য্যৰ কন্যা অনুপমা ভট্টাচাৰ্যই বৰজলাহ প্ৰাথমিক বিদ্যালয়ত শিক্ষা জীৱনৰ পাতনি মেলি ক্ৰমে কুকুৰাকটা প্ৰাথমিক বিদ্যালয়, ছাটগাড়ী চৰকাৰী মজলীয়া বিদ্যালয়, টংলা বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ত অধ্যয়ন কৰি হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ টংলা মহাবিদ্যালয়ত পি ইউ শেষ কৰি শিক্ষকতাৰ দায়িত্বৰ লগতে একেখন মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে। শিক্ষা জীৱনৰ পৰাই কবিতা লিখি সাহিত্য চৰ্চা কৰা অনুপমা ভট্টাচাৰ্যই বিভিন্ন স্মৃতিগ্ৰন্থ আৰু আলোচনীত লিখাৰ উপৰিও ভেৰগাঁও মহকুমা প্ৰাথমিক শিক্ষা পৰিষদৰ প্ৰকাশিত স্মৃতি গ্ৰন্থৰ সম্পাদিকা দৰে গুৰু দায়িত্ব পালন কৰি আহিছিল অতি শান্ত আৰু অল্পভাষী মিঠা হাঁহিৰ গৰাকী অনুপমা ভট্টাচাৰ্যই। আজি তেওঁৰ চাকৰি জীৱনৰ বিদায় দিনটোত প্ৰথমে নিজ কৰ্মৰত বৰজলাহ প্ৰাথমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰী আৰু সতীৰ্থ শিক্ষক শিক্ষয়িত্ৰীৰ লগতে বিদ্যালয় পৰিচালনা সমিতিয়ে আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্দ্ধনা জ্ঞাপন কৰি উপস্থিত সকলোৰে নিজ বাসগৃহলৈ আগবঢ়াই আনে। আনহাতে আজি আবেলি অনুপমা ভট্টাচাৰ্যৰ বাসগৃহত পৰিয়াল আৰু শুভকাংক্ষীসকলে ৰাজহুৱা ভাৱে বিদায় সম্বৰ্দ্ধনা জ্ঞাপনৰ উদ্দেশ্যে এখন সভা অনুষ্ঠিত কৰে। টংলা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ঘন কান্ত ডেকাই সঞ্চালনা কৰা উক্ত বিদায় সম্ভাষণ অনুষ্ঠানত স্থানীয় শতাধিক বিশিষ্ট ব্যক্তি আৰু ছাত্ৰ-ছাত্ৰী, অভিভাৱক, বিভিন্ন দল, সংগঠনৰ লগতে কেইবাগৰাকী অৱসৰপ্ৰাপ্ত শিক্ষকে গামোচা পিন্ধাই সম্ভাষণ জনায়। অনুপমা ভট্টাচাৰ্যৰ কনিষ্ঠ ভাতৃ ড° জয়ন্ত কুমাৰ ভট্টাচাৰ্যই আঁত ধৰাৰ লগতে উদ্দেশ্য ব্যাখ্যা কৰা সভাত অৱসৰপ্ৰাপ্ত শিক্ষক লোকেশ্বৰ ডেকা, প্ৰফুল্ল কুমাৰ বৰুৱা, লম্বোধৰ শইকীয়া, ব্ৰজেশ্বৰ শৰ্মাৰ লগতে জ্যেষ্ঠ ভাতৃ অনন্ত নাৰায়ণ ভট্টাচাৰ্যসহ বহুকেইগৰাকী জ্যেষ্ঠ ব্যক্তিয়ে শিক্ষকতা জীৱনৰ অভিজ্ঞতা আৰু এগৰাকী শিক্ষয়িত্ৰী হিচাবে অনুপমা ভট্টাচাৰ্যৰ কৰ্ম জীৱনৰ ওপৰত আলোকপাত কৰে। উক্ত সভাত বিদায়ী শিক্ষয়িত্ৰী অনুপমা ভট্টাচাৰ্যই নিজৰ মনৰ ভাৱ প্ৰকাশ কৰি দিয়া ভাষণত কয় যে, শিক্ষকতা আমাৰ সেৱা হোৱা উচিত। শিক্ষকতা কেৱল পেছা হলে সেই শিক্ষা কেতিয়াও সুদূৰ প্ৰসাৰী হ'ব নোৱাৰে। প্ৰাথমিক শিক্ষা জীৱনৰ পৰাই আমাৰ ভৱিষ্যত প্ৰজন্ম মানৱ সম্পদ ৰূপে গঢ় লব পাৰে আৰু সেই গুৰু দায়িত্ব প্ৰাথমিক শিক্ষক সকলৰ ওপৰত ন্যস্ত থাকে। আমি সমাজখনক সু শিক্ষা প্ৰদান কৰি দেশৰ প্ৰতি কৰ্তব্য পালন কৰিব লাগিব বুলি উল্লেখ কৰে অনুপমা ভট্টাচাৰ্যই। সভাপতি ঘন কান্ত ডেকাই ভাষণ প্ৰদান কৰি কয় যে, বৰজলাহ প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক শিক্ষা জীৱনৰ পাতনি মেলি অৱশেষত বৰজলাহ প্ৰাথমিক বিদ্যালয়ৰ পৰা চাকৰি জীৱনৰ অন্ত পেলাই তেওঁ জীৱনৰ দ্বিতীয় অধ্যায় আজিৰ পৰা আৰম্ভ কৰিলে। শিক্ষা জীৱনৰ লগতে চাকৰি জীৱনৰ দক্ষতা, অভিজ্ঞতাৰ পৰা অৰ্জন কৰা জ্ঞানসমূহ এতিয়া অৱসৰী জীৱন বেলাত প্ৰয়োগ কৰিবৰ সময় হল বুলি উল্লেখ কৰি আৰু কয় যে, আজিৰে পৰা চাকৰি জীৱনৰ অন্ত পেলাই জীৱনৰ বেলেগ বেলেগ কৰ্মলৈ অগ্ৰগতি হবৰ সুযোগ লাভ কৰিছে অনুপমা ভট্টাচাৰ্যই। উক্ত সভাত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক চিণ্টোমণি চক্ৰৱৰ্তী, টংল আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি নাৰায়ণ দাস, সাধাৰণ সম্পাদক কংকন দাসৰ লগতে বহু কেইবাগৰাকী ছাত্ৰ নেতা উপস্থিত থাকে।

অসম আন্দোলনৰ অগ্ৰণী নেতা, জেষ্ঠ অধিবক্তা গিৰীণ তালুকদাৰৰ মৃত্যুত অগপ তথা সমাজৰ বৃহৎ ক্ষতি ঃ দিলীপ কুমাৰ দাস

# অগপৰ প্ৰাক্তন প্ৰথম কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ সদস্য প্ৰয়াত গিৰীণ তালুকদাৰৰ বাসগৃহত উপস্থিত বৰপেটা লোকসভা সমষ্টিৰ সাংসদ ফণীভূষণ চৌধুৰী

**অসম বাৰ্তা, নলবাৰী, ২ মে'** ঃ অসম আন্দোলনৰ অগ্ৰণী নেতা, অগপৰ প্ৰাক্তন প্ৰথম কেন্দ্ৰীয় সাধাৰণ পৰিষদৰ সদস্য, জেষ্ঠ অধিবক্তা প্ৰয়াত গিৰীণ তালুকদাৰৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰাৰ লগতে মৃতকৰ পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে অগপৰ কেন্দ্ৰীয় সভাপতি অতুল বৰা, আৰু কাৰ্যকৰী সভাপতি কেশৱ মহন্তই। লগতে মৃতকৰ নলবাৰীস্থিত বাসগৃহত অগপৰ কেন্দ্ৰীয় সমিতিৰ সজাতি দল এটা উপস্থিত হৈ মৃতকৰ শোক-বাৰ্তা প্ৰেৰণ কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। যোৱা ২৮ এপ্ৰিল, ২০২৬ ত গুৱাহাটীৰ জি এম চি এইচৰ আই চি ইউত বৃক্ক ৰোগত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ থকা অৱস্থাত পৰলোকপ্ৰাপ্তি ঘটে অগপৰ জেষ্ঠ নেতা গিৰীণ তালুকদাৰৰ। ইয়াৰ পিছত আজি অগপৰ কেন্দ্ৰীয় সমিতিৰ ফালৰ পৰা বৰপেটা লোকসভা সমষ্টিৰ সাংসদ ফনীভূষণ চৌধুৰী, অগপৰ কেন্দ্ৰীয় সম্পাদক দিলীপ কুমাৰ দাস, আন এগৰাকী কেন্দ্ৰীয় সম্পাদক কেশৱ ডেকা, অগপ নলবাৰী বিধান সভা সমষ্টিৰ সভাপতি সনাতণ ৰাজবংশী, অগপৰ নলবাৰী জিলা সভাপতি আনন্দ ৰাজবংশীকে ধৰি এটা সজাতি দল প্ৰয়াত গিৰীণ তালুকদাৰৰ বাসগৃহত উপস্থিত হয়। অগপৰ কেন্দ্ৰীয় সম্পাদক দিলীপ কুমাৰ দাসে অসম আন্দোলনৰ অগ্ৰণী নেতা, অগপৰ জেষ্ঠ নেতা, অধিবক্তা গিৰীণ তালুকদাৰৰ মৃত্যুত অগপৰ বৃহৎ ক্ষতি হ'ব বুলি কোৱাৰ লগতে নলবাৰী সমাজ জীৱনৰো অপূৰণীয় ক্ষতি বুলি উল্লেখ কৰে। আৰু শোক সন্তপ্ত পৰিয়াল বৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰি মৃতকৰ চিৰশান্তি কামনা কৰে। আনহাতে সাংসদ ফনীভূষণ চৌধুৰীয়ে প্ৰয়াত গিৰীণ তালুকদাৰৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰে আৰু মৃতকৰ সন্মানাৰ্থে জিলা কাৰ্যলয়ৰ পতাকা তিনিদিন অৰ্ধ-নিমিত কৰা হব বুলি উল্লেখ কৰে। ইয়াৰ পিছত অগপৰ কেন্দ্ৰীয় সমিতিৰ সজাতি দলটোৱে প্ৰয়াত গিৰীণ তালুকদাৰৰ পৰিয়ালবৰ্গক শোক-বাৰ্তা প্ৰেৰণ কৰাৰ লগতে গভীৰ সমবেদনা জ্ঞাপন কৰে।

# অখিল ভাৰতীয় চাহ মজদুৰ সংঘৰ উদ্যোগত বেলশিৰি চাহ বাগিছাত আন্তৰ্জাতিক শ্ৰমিক দিৱস উদ্‌যাপন

**অসম বাৰ্তা, ঢেকীয়াজুলি, ২ মে'** ঃ শেণিতপুৰ জিলাৰ অন্তৰ্গত বেলশিৰি চাহ বাগিছাত আজি যথাযোগ্য মৰ্যাদা আৰু উচ্ছ্বাসৰ মাজেৰে উদ্‌যাপন কৰা হয় আন্তৰ্জাতিক শ্ৰমিক দিৱস। প্ৰতিবছৰৰ দৰে এই বছৰো অখিল ভাৰতীয় চাহ মজদুৰ সংঘৰ উদ্যোগত আয়োজন কৰা হয় এই বিশেষ অনুষ্ঠানটো, য'ত চাহ বাগিছাৰ শ্ৰমিকসকলৰ অধিকাৰ, মৰ্যাদা আৰু অৱদানক স্মৰণ কৰা হয়। উল্লেখযোগ্য যে, দিনটো উপলক্ষে পুৱাতে পতাকা উত্তোলন কাৰ্যসূচীৰে অনুষ্ঠানৰ আৰম্ভণি কৰা হয়। ইয়াৰ পিছত শ্ৰমিকসকলৰ মাজত সচেতনতা বৃদ্ধিৰ বাবে বক্তব্য প্ৰদান কৰা হয় আৰু তেওঁলোকৰ দীৰ্ঘদিনীয়া সমস্যাসমূহৰ ওপৰত আলোচনা অনুষ্ঠিত হয়। আজিৰ এই শ্ৰমিক দিৱসৰ অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে শ্ৰমিক নেতা জছপাল টপ্প। তেওঁ নিজৰ বক্তব্যত শ্ৰমিকসকলৰ ঐক্যৰ প্ৰয়োজনীয়তা আৰু অধিকাৰ সুৰক্ষাৰ বাবে সদায় সজাগ থকাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। লগতে চাহ শ্ৰমিকসকলৰ জীৱনমান উন্নয়ন আৰু অধিকাৰৰ বাবে সংগঠনটোৱে আগবঢ়োৱা পদক্ষেপসমূহৰ কথাও উল্লেখ কৰে। অনুষ্ঠানত বেলশিৰি চাহ বাগিছাৰ বহু সংখ্যক শ্ৰমিক, স্থানীয় লোক আৰু সংগঠনৰ সদস্যসকলে অংশগ্ৰহণ কৰে। সমগ্ৰ অনুষ্ঠানটো এক উৎসৱমুখৰ পৰিৱেশত সম্পন্ন হয় আৰু শ্ৰমিকসকলৰ মাজত নতুন উৎসাহ আৰু উদ্দীপনা সৃষ্টিত সহায়ক হয়।

# গোসাঁইগাঁৱত উলহ-মালহেৰে আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক দিৱস পালন



**অসম বাৰ্তা, গোসাঁইগাঁও, ২ মে'** ঃ আজি পহিলা মে'— সমগ্ৰ বিশ্বৰ লগতে অসমতো আজি উদযাপন কৰা হৈছে আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক দিৱস। ইয়াৰ ব্যতিক্ৰম নহয় গোসাঁইগাঁও। সমাজ আৰু অৰ্থনীতিৰ প্ৰকৃত কাণ্ডাৰীস্বৰূপ শ্ৰমিকসকলৰ অধিকাৰ আৰু ত্যাগক সন্মান জনাই আজি গোসাঁইগাঁৱত দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয় মে' দিৱস। আজি পুৱাৰে পৰা গোসাঁইগাঁৱত এক উখল-মাখল পৰিৱেশ বিৰাজ কৰে। বিশেষকৈ গোসাঁইগাঁও মহকুমাৰ বিভিন্ন লেভাৰ ইউনিয়নসমূহ একগোট হৈ এই বিশেষ দিনটোৰ কাৰ্যসূচী ৰূপায়ণ কৰে। পুৱাৰ ভাগত বিষয়ববীয়াসকলৰ উপস্থিতিত পতাকা উত্তোলন কৰা হয়। বিশ্বৰ শ্ৰমিক আন্দোলনৰ বাবে আত্মবলিদান দিয়া শ্বহীদসকলক সোঁৱৰি বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰা হয়। "শ্ৰমিক একতা জিন্দাবাদ" ধ্বনিৰে শ্ৰমিকসকলে গোসাঁইগাঁও চহৰৰ মাজেৰে এক সজাগতামূলক শোভাযাত্ৰা উলিয়ায়। সভাখনত উপস্থিত থকা শ্ৰমিক নেতা তথা বক্তাসকলে শ্ৰমিকসকলৰ অমূল্য অৱদানৰ কথা দোহাৰে। তেওঁলোকে কয় যে "কাৰখানাৰ পৰা খেতিপথাৰলৈ, আৰু নিৰ্মাণক্ষেত্ৰৰ পৰা সেৱা খণ্ডলৈ— প্ৰতিটো ক্ষেত্ৰতে শ্ৰমিকসকলৰ তেজ আৰু ঘাম নিহিত হৈ আছে। কেৱল এই দিৱস উদযাপন কৰিলেই নহ'ব, বৰং শ্ৰমিকসকলৰ বাবে ন্যায্য মজুৰি, সুৰক্ষিত কৰ্ম পৰিৱেশ আৰু সামাজিক মৰ্যাদা নিশ্চিত কৰাটো আমাৰ এক যৌথ দায়বদ্ধতা। গোসাঁইগাঁৱৰ বিভিন্ন লেভাৰ ইউনিয়নে আজিৰ এই দিনটোৰ জৰিয়তে নিজৰ অধিকাৰৰ প্ৰতি সজাগ হোৱাৰ লগতে ঐক্যবদ্ধ হোৱাৰ সংকল্প গ্ৰহণ কৰে। আজিৰ এই কাৰ্যসূচীয়ে পুনৰবাৰ প্ৰমাণ কৰিলে যে শ্ৰমিক একতাই হ'ল এখন সমৃদ্ধিশালী দেশ আৰু সমাজ গঢ়াৰ মূল শক্তি।

# ৰহা আঞ্চলিক শ্ৰমিক উন্নয়ন সমিতি ও ৰহা আঞ্চলিক ট্ৰাক চালক উন্নয়ন সমিতিৰ যৌথ উদ্যোগত আন্তৰ্জাতিক শ্ৰমিক দিৱস উদ্‌যাপন

**অসম বাৰ্তা, ৰহা, ২ মে'** ঃ শ্ৰমিক দিৱস হৈছে শ্ৰমজীৱী মানুহৰ অধিকাৰ, মৰ্যাদা আৰু অৱদানক সন্মান জনোৱাৰ এক বিশেষ দিন। বিশ্বৰ বহু দেশত প্ৰতিবছৰ ১ মে' তাৰিখে এই দিৱস পালন কৰা হয়। এই দিৱসৰ মূল তাৎপৰ্য শ্ৰমিকসকলৰ অধিকাৰ আৰু ন্যায্য মজুৰিৰ দাবী স্মৰণ কৰা কঠোৰ পৰিশ্ৰমে সমাজ, দেশ আৰু অৰ্থনীতি গঢ়ি তোলাৰ কথাক স্বীকৃতি দিয়া শ্ৰমক সন্মান আৰু মৰ্যাদা দিয়াৰ বোধ জাগ্ৰত কৰা শ্ৰমিকসকলৰ জীৱনৰ দুখ-কষ্ট, ত্যাগ আৰু সংগ্ৰামক উপলব্ধি কৰা। সহজকৈ ক'বলৈ গ'লে— শ্ৰমেই সভ্যতাৰ ভেটি, আৰু শ্ৰমিকেই উন্নয়নৰ মূল শক্তি। প্ৰতিবছৰৰ দৰে ১ মে' তাৰিখে সমগ্ৰ বিশ্বৰ লগতে অসমতো আন্তৰ্জাতিক শ্ৰমিক দিৱস বা মে দিৱস পালন কৰি অহা সমান্তৰালকৈ নগাঁও জিলাৰ ৰহা আঞ্চলিক শ্ৰমিক উন্নয়ন সমিতি ও ৰহা আঞ্চলিক ট্ৰাক চালক উন্নয়ন সমিতিৰ যৌথ উদ্যোগত আন্তৰ্জাতিক শ্ৰমিক দিৱস পালন কৰা হয়। ৰহা শ্ৰমিক উন্নয়ন সমিতিৰ সম্পাদক টুটু গাওঁখোৱা আত ধৰা অনুষ্ঠানত প্ৰথমে পতাকা উত্তোলন কৰি বন্তি প্ৰজ্বলন কৰে উদ্যোক্তা সকলৰ সভাপতি গিৰেণ বৰদলৈ আৰু মাধৱ মুদৈ। ইয়াৰ পিছত হিয়াৰ আমঠু জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত কৰি প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে ৰহা শ্ৰমিক উন্নয়ন সমিতিৰ উপদেষ্টা পংকজ দেউৰীয়ে। ইয়াৰ লগে লগে সকলোৱে একেলগে মায়াবিনী গীত পৰিৱেশন কৰা পিছত শ্ৰমিক সকলৰ মাজৰ পৰা হেৰাই যোৱা সকলৰ আত্মাৰ সদগতিৰ বাবে ১ মিনিট মৌন প্ৰাৰ্থনা কৰি বিশিষ্ট অতিথি সকলক সম্বৰ্ধনা জনাই অতিথি সকলৰ বক্তব্য আৰু শ্ৰমিক সকলৰ বক্তব্য প্ৰদান কৰি শ্ৰমিকৰ ত্যাগক স্মৰণ কৰি শেষত প্ৰসাদ বিতৰণ কৰি অনুষ্ঠানটি সফল সামৰণি পৰে।

# উখল মাখল বকোৰ দিলিঙ্গা আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ বাৰ্ষিক ৰঙালী বিহু



**অসম বাৰ্তা, বকো, ২ মে'** ঃ ৰঙালী বিহু বা ব'হাগ বিহু অসমৰ মূল পৰম্পৰাগত উৎসৱ। ৰঙালী বিহু অসমৰ সাংস্কৃতিক ঐতিহ্যৰ এক প্ৰাণৰ উৎসৱ, অসমীয়া জাতিসত্তাক প্ৰতিফলিত কৰা ৰঙালী বিহুৰ এইবেলিও বকোৰ দিলিঙ্গা ৰাজহুৱা খেলপথাৰত দিলিঙ্গা আঞ্চলিক ৰঙালী বিহু সন্মিলনে আয়োজন কৰিছে ষষ্ঠ বাৰ্ষিক ৰঙালী বিহু। বিগত বছৰৰ দৰে এই বছৰো দিলিঙ্গা আঞ্চলিক ৰঙালী বিহু সন্মিলনীয়ে এদিনীয়া দিনযোৰা কাৰ্য্যসুচীৰে আয়োজন কৰিছে ৰঙালী বিহু। ৰঙালী বিহুৰ পৰিচালনা সমিতিৰ সভাপতি দীনেশ চন্দ্ৰ দাস, উপ সভাপতি বিশ্বজিৎ ৰাভা, আৰু সম্পাদক নিতুল কলিতা, সহ সম্পাদক মৃণ্ময় মেধি, পদেন সদস্য নিৰুপম দাসকে ধৰি সমিতিৰ বিষয়ববীয়াই জনোৱা অনুসৰি দিনযোৰা কাৰ্য্যসূচী অনুসৰি প্ৰথমে ৰাতিপুৱা পতাকা উত্তোলন, উত্তোলন কৰে দিলিঙ্গা আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ সভাপতি দীনেশ চন্দ্ৰ দাসে। ইয়াৰ পিছতে হিয়াৰ আমঠু জুবিন গাৰ্গ আৰু সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন, শ্ৰদ্ধাঞ্জলি, মাল্যাৰ্পণ জনোৱা হয়, বন্তি প্ৰজ্বলন কৰে বৰীপাৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক অমিয় কুমাৰ ৰয়ে আৰু শ্ৰদ্ধাঞ্জলি, মাল্যাৰ্পণ জনায় দিলিঙ্গা আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ প্ৰাক্তন সভাপতি সনাতন দাসৰ লগতে ৩৩নং পূৱ বেকেলী গাঁও পঞ্চায়তৰ সভানেত্ৰী মেনকা বড়োই। ইয়াৰ পিছতে গছ পুলি ৰোপণ কৰা হয়, ৰোপণ কৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্যা মেঘালী ৰাভাই। ইয়াৰ পিছতে খেল-ধেমালি প্ৰতিযোগিতা, সন্ধিয়া বন্তি প্ৰজ্বলন, সাংস্কৃতিক সন্ধিয়াৰ মঞ্চ উদ্বোধন, অনুষ্ঠানত বিহু হুঁচৰিৰ লগতে ভিন্ন জাতি জনগোষ্ঠীৰ কৃষ্টি সংস্কৃতি প্ৰদৰ্শনৰ লগতে নিমন্ত্ৰিত শিল্পীৰ দ্বাৰা গীত মাত নৃত্যৰ সমাহাৰ ঘটোৱা হয়।

# মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত মাকুমৰ জ্বলন্ত সমস্যাসমূহৰ ওপৰত নাগৰিক সভা অনুষ্ঠিত

**অসম বাৰ্তা, মাকুম, ২ মে'** ঃ মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত মাকুম দুৰ্গা পূজা সমিতি মণ্ডৱৰ প্ৰাংগণত আজি এক নাগৰিক সভা অনুষ্ঠিত কৰা হয়। প্ৰাক্তন ছাত্ৰ নেতা অনন্ত ফুকনৰ পৰিচালনাৰে অনুষ্ঠিত কৰা হয় সভাখন। যিহেতু মাকুম অঞ্চল বিভিন্ন সমস্যাৰে জৰ্জৰিত। এই জৰ্জৰিত হৈ থকা সমস্যাসমূহ সমাধান কৰাৰ উদ্দেশ্যৰে আজিৰ এই নাগৰিক সভাখন অনুষ্ঠিত কৰা হয়। ৮৫ নং মাকুম সমষ্টিটো হৈছে এটা নৱ গঠিত সমষ্টি। অহা ৪ মে' তাৰিখে বিধান সভা নিৰ্বাচনৰ ফলাফল ঘোষণা কৰিব। নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ প্ৰাকমুহূৰ্ততে আজি নাগৰিক সভাখন অনুষ্ঠিত কৰি নিৰ্বাচনত যি দলৰ প্ৰাৰ্থীয়েই জয়ী নহওক কিয় মাকুম সমষ্টিৰ জ্বলন্ত সমস্যা সমূহ সমাধানৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰি ৰাইজৰ সেৱা আগবঢ়াই নিব বুলি আশা প্ৰকাশ কৰে। মাকুম আঞ্চলিক ছাত্ৰ সন্থাই বাৰম্বাৰ জিলা প্ৰশাসন তথা



পৌৰসভাক মাকুম চহৰৰ মূল সমস্যা যান-জঁট সমস্যা, ড্ৰেইনৰ সমস্যা, ৩৭ নং আৰু ৩৮ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দুৰৱস্থা আদি সমস্যা সমূহৰ সমাধানৰ ক্ষেত্ৰত দাবী উত্থাপন কৰি আহিছে যদিও সমস্যা সমাধানৰ ক্ষেত্ৰত বিশেষ পদক্ষেপ লোৱা নাই তদুপৰি মাকুমৰ বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে শিক্ষক-শিক্ষয়িত্ৰীৰ অভাৱৰ লগতে বিভিন্ন ধৰণৰ সমস্যাই দেখা দিয়াত শিক্ষাৰ ব্যৱস্থা অচল হৈ পৰিছে। সেয়ে মাকুম আঞ্চলিক ছাত্ৰ সন্থাই মাকুমত ৰ বিভিন্ন জ্বলন্ত সমস্যা শিক্ষাৰ ক্ষেত্ৰতে হওক নতুবা ক্ৰীড়াৰ ক্ষেত্ৰতে হওক যিকোনো ধৰণৰ সমস্যাসমূহ সমাধানৰ ক্ষেত্ৰত আলোচনা কৰিবলৈ উক্ত নাগৰিক সভাখন অনুষ্ঠিত কৰা হয়। আজিৰ সভাৰ অন্তত মাকুমৰ সমস্যাসমূহ প্ৰস্তাৱ আকাৰে শাসক পক্ষ ওচৰলৈ যোৱাৰ ব্যৱস্থা কৰি নাগৰিক সভাস্থলীৰ পৰাই সমস্যা সমূহ সমাধান কৰিবলৈ সংবাদ মাধ্যমৰ জৰিয়তে দাবী উত্থাপন কৰে মাকুম আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি শিৱা দাস আৰু সম্পাদক মনুৰম চুতীয়াই। উক্ত নাগৰিক সভাখনত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক জিতেন্দ্ৰ চুতীয়া, মাকুম অঞ্চলৰ বিভিন্ন দল, সংগঠন, বিভিন্ন সচেতন ব্যক্তি, মাকুম শাখা সাহিত্য সভাৰ লগতে মাকুম চহৰৰ একাংশ ব্যৱসায়ী সকল উপস্থিত থাকে।

# বৰক্ষেত্ৰীৰ নপ্তিপাৰাত সৰ্বজনীন বুদ্ধ পূৰ্ণিমা উদ্‌যাপন

**অসম বাৰ্তা, দৌলাশাল, ২ মে'** ঃ ভক্তৰ সমাগমত লোকাৰণ্য হৈ পৰিছে নপ্তিপাৰাৰ গোপ-গোপাল থান প্ৰাংগণ। নলবাৰী জিলাৰ বৰক্ষেত্ৰী ৰাজহ চক্ৰৰ অন্তৰ্গত ২নং নপ্তিপাৰা গাঁৱত উদযাপন কৰা হৈছে সৰ্বজনীন বুদ্ধ পূৰ্ণিমা। নপ্তিপাৰা, জাগাৰা, ককয়া মিলন গোপ-গোপাল থান পৰিচালনা সমিতিৰ উদ্যোগত ২৯ সংখ্যক বাৰ্ষিক সৰ্বজনীন বুদ্ধ পূৰ্ণিমা উদযাপন কৰা হৈছে। কালিৰে পৰা তিনিদিনীয়াকৈ ধৰ্মীয়, আধ্যাত্মিক আৰু সাংস্কৃতিৰ কাৰ্যসূচীৰে ২নং নপ্তিপাৰা গাঁৱৰ গোপ-গোপাল থান প্ৰাংগণত উদযাপন কৰা হৈছে বুদ্ধ পূৰ্ণিমা। কালি পুৱা বুদ্ধ পূৰ্ণিমাৰ মুল ধৰ্মধ্বজ্জা উত্তোলন কৰে ২৯ সংখ্যক বুদ্ধ পূৰ্ণিমা উদ্‌যাপন সমিতিৰ সভাপতি সমীন বৈশ্যই। ইয়াৰ পাছতেই ২৮গৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা ২৮খন পতাকা উত্তোলন কৰা হয়। পৰ্যায়ক্ৰমে স্মৃতি তৰ্পণ, মুখ্য কাৰ্যালয় উন্মোচন, গছপুলি ৰোপণ, আয়তীৰ দিহানাম

হাজাৰ-হাজাৰ ভক্তৰ সমাগম

প্ৰতিযোগিতা অনুষ্ঠিত হয়। সন্ধিয়া ২৯গৰাকী বিশিষ্ট ব্যক্তিৰদ্বাৰা বন্তি প্ৰজ্বলন আৰু আতচবাজী প্ৰদৰ্শন কৰা হয়। আজি পুৱাৰে পৰা গোপাল থান প্ৰাংগণলৈ হাজাৰ হাজাৰ ভক্তৰ সোঁত বয়। আজি পুৱা বন্তি প্ৰজ্বলন কৰে লোহিত বৈশ্যই আৰু ভাগৱত পাঠ কৰে খগেন বৰ্মনে, পুৱা ৯ বজাত অঞ্চলটোত উলিওৱা হয় ধৰ্মীয় ভাগৱত শোভাযাত্ৰা। অঞ্চলটোৰ পুৰুষ-মহিলা, আবাল-বৃদ্ধ-বনিতাই ভাগৱত শোভাযাত্ৰাত অংশগ্ৰহণ কৰি হৰিনামৰ ধ্বনিৰে আধ্যাত্মিকতাৰে বুৰায় পেলায় সমগ্ৰ অঞ্চলটো। পুৱাৰে পৰা ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ হাজাৰ হাজাৰ ভক্তপ্ৰাণ ৰাইজে গোপাল থান প্ৰাংগণলৈ আহি ধূপ, ধূনা, নৈবদ্য আগবঢ়োৱাৰ উপৰিও গোপালথান প্ৰাংগণত থকা প্ৰকাণ্ড আহত গছ এজোপাত গামোচা বান্ধি মনোবাঞ্চা সিদ্ধিৰ অৰ্থে প্ৰাৰ্থনা জনায়। প্ৰবাদ অনুসৰি আহত গছজোপাত গামোচা বান্ধিলে ভক্তৰ মনোবাঞ্চা সিদ্ধি হয় বুলি জনবিশ্বাস চলি আহিছে। আজি গোপাল থান প্ৰাংগণলৈ অহা হাজাৰ হাজাৰ ভক্তগণক উদ্যোক্তা সমিতিয়ে বুট, মাহ প্ৰসাদৰ উপৰিও সিদ্ধ প্ৰসাদ যোগান ধৰে। দিনৰ ভাগতে আধ্যাত্মিক আলোচনা চক্ৰ এখনো অনুষ্ঠিত হয়। আধ্যাত্মিকতাৰে পৰিপুষ্ট কেইবাজনো ব্যক্তিয়ে ধৰ্মৰ ব্যাখ্যা আগবঢ়ায়। বিয়লিৰ ভাগত নাগাৰা নামৰ জনপ্ৰিয় পাঠিক মহেশ ডেকা আৰু কৈলাস তালুকদাৰে নাম পৰিৱেশন কৰে। কাইলৈ সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানত আমন্ত্ৰিত বিহু হুঁচৰি দলে বিহু প্ৰদৰ্শন আৰু আমন্ত্ৰিত কণ্ঠশিল্পীয়ে গীত পৰিৱেশন কৰিব বুলি জানিবলৈ দিয়ে উদ্যোক্তা সমিতিয়ে।

# শ্ৰমিক দিৱস উপলক্ষে ধিং সমষ্টিৰ কটহগুৰি বজাৰত শ্ৰমিক সকলক ফল-মূল বিতৰণ ৰাইজৰ দলৰ মুখপাত্ৰ মেহবুব মুক্তাৰৰ

**অসম বাৰ্তা, মৈৰাবাৰী, ১ মে'** ঃ আজি এক মে' শ্ৰমিক দিৱস। এই দিৱসে আমাক সোঁৱৰাই দিয়ে শ্ৰমৰ মৰ্য্যদা ন্যায় অধিকাৰ আৰু একতাৰ কথা। এই পৃথিৱী খনক আগুৱাই নিয়া সমাজখন গঢ়ি তোলা সকলো শ্ৰমিকৰ ঘাম পৰিশ্ৰমৰ ফলতেই আমাৰ জীৱন আগবাঢ়িছে। তেওঁলোকৰ অৱদান অমূল্য। আজিৰ এই দিনটোতে সকলো শ্ৰমিকক গভীৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰে ধিং সমষ্টিৰ ৰাইজৰ দলৰ প্ৰাৰ্থী মেহবুব মুক্তাৰে। আজি ৰাইজৰ দলৰ মুখপাত্ৰ মেহবুব মুক্তাৰে ধিং সমষ্টিৰ কটহগুৰি বজাৰৰ শ্ৰমিক সকলক আপেল আদি সতেজ ফল-মূল বিতৰণ কৰি তেওঁলোকৰ দিনে-নিশাই কৰা অক্লান্ত পৰিশ্ৰম, ত্যাগ আৰু কষ্টৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। মেহবুব মুক্তাৰে কয় যে সুস্থ আৰু কল্যাণকামী সমাজ এখনৰ অন্যতম অংশীদাৰ হ'ল শ্ৰমিক সকল। আন্তৰ্জাতিক শ্ৰমিক দিৱস উপলক্ষে ধিং সমষ্টিৰ কটহগুৰি বজাৰত শ্ৰমিক সকলৰ মাজত ফল বিতৰণ কৰে আৰু মত বিনিময় কৰে। শ্ৰমিকৰ অধিকাৰ, মৰ্যাদা আৰু কল্যাণৰ বাবে সদায় কাম কৰি যাব বুলিও তেওঁ এই দিৱসৰ দিনা শ্ৰমিক সকলক সাবটি ধৰি দৃঢ় প্ৰতিশ্ৰুতি প্ৰকাশ কৰে।

# মাকুম হাপজান চাহ বাগিচাত অসম চাহ মজদূৰ সংঘ হাপজান চাহ বাগিচা ইউনিটৰ উদ্যোগত শ্ৰমিক দিৱস পালন

**অসম বাৰ্তা, মাকুম, ১ মে'** ঃআজি আন্তৰ্জাতিক শ্ৰমিক দিৱস বা মে' দিৱস। সমগ্ৰ বিশ্বজুৰি শ্ৰমিকৰ অধিকাৰ, কষ্ট আৰু ত্যাগক সন্মান জনাই এই দিনটো পালন কৰা হয়। ১৮৮৬ চনত চিকাগোৰ হে-মাৰ্কেটত ৮ ঘণ্টা কৰ্মসময়ৰ দাবীত আন্দোলন কৰা শ্ৰমিকৰ বলিদান স্মৃতিত এই দিৱসৰ সূচনা হৈছিল। অসম তথা সমগ্ৰ ভাৰতবৰ্ষতো বিভিন্ন কাৰ্যসূচীৰে এই দিৱস উদযাপন কৰা হৈছে। তাৰ সমান্তৰালভাৱে তিনিচুকীয়া জিলাৰ মাকুম হাপজান চাহ বাগিচাত ৰাজহুৱা খেলপথাৰত অসম চাহ মজদুৰ সংঘ হাপজান চাহ বাগিচা ইউনিটৰ উদ্যোগত দিনজোৰা কাৰ্যসূচীৰে শ্ৰমিক দিৱস পালন কৰে। পতাকা উত্তোলনেৰে আৰম্ভ হোৱা অনুষ্ঠানত বিভিন্ন খেলধেমালি যেনে বাম-পানী, ৰচী টনা, চকী ঘূৰোৱা খেল আদি অনুষ্ঠিত কৰাৰ পাছতে ২০২৬ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ ছাত্ৰ ছাত্ৰীসকলক বিশেষ ভাৱে সম্বৰ্ধনা জনোৱা হয়। আজিৰ অনুষ্ঠানত উপস্থিত থাকে অসম চাহ মজদূৰ সংঘ হাপজান গোটৰ সভাপতি সৰ্বানন্দ বাক্তি, সম্পাদক ভৰত কৰ্মকাৰ, সহ সম্পাদক হীৰা বড়াইক, উপদেষ্টা দেৱেন তাঁতী, ডুমডুমা শাখাৰ কোষাধ্যক্ষ বীৰেশ্বন তাঁতী, অসম চাহ কৰ্মচাৰী সংঘ হাপজান গোটৰ সম্পাদক ৰমণী মৰাণ প্ৰমুখ্যে কৰি বাগিচা খনৰ একাংশ ৰাইজ।

# লখিমপুৰত আন্তৰ্জাতিক শ্ৰমিক দিৱস উদ্‌যাপন

## পূৰ্ণকান্ত দেউৰীলৈ 'শ্ৰমিক দৰদী বঁটা' প্ৰদান

**অসম বাৰ্তা, লীলাবাৰী, ১ মে' ঃ** সমগ্ৰ বিশ্বৰ লগতে আজি উত্তৰ লখিমপুৰতো উলহ-মালহেৰে আন্তৰ্জাতিক শ্ৰমিক দিৱস উদযাপন কৰা হয়। শ্ৰমিক সন্থাৰ যৌথ উদ্যোগত আৰু সদৌ অসম নিৰ্মাণ শ্ৰমিক সন্থা, অগ্ৰগামী নিৰ্মাণ শ্ৰমিক সন্থা, অৰুণোদয় নিৰ্মাণ শ্ৰমিক সন্থা, লখিমপুৰ জিলা নিৰ্মাণ শ্ৰমিক সন্থা তথা লখিমপুৰ মটৰ শ্ৰমিক সন্থাৰ সহযোগত লখিমপুৰ সংগীত মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত দিনজোৰা কাৰ্যসূচীৰে এই দিৱস পালন কৰা হয়। পুৱা ৮ বজাত সন্থাৰ বিষয়ববীয়াসকলে চাফাই অভিযান চলোৱাৰ পাছতে শ্ৰমিকৰ ৰঙা পতাকা উত্তোলন কৰে 'এআইটিইউচি'ৰ লখিমপুৰ জিলাৰ সভাপতি গিৰীন্দ্ৰ প্ৰসাদ উপাধ্যায়ে। ইয়াৰ পাছতে সম্পাদক পূৰ্ণ বনিয়াই ছহীদ তৰ্পণ কাৰ্যসূচী ৰূপায়ণ কৰে। দিনৰ ভাগত শ্ৰমিক দিৱসৰ লগত সঙ্গতি ৰাখি 'শ্ৰমিক একতা জিন্দাবাদ', 'শ্ৰমিকৰ ওপৰত শোষণ বন্ধ হওক' আদি বিভিন্ন শ্ল'গানেৰে এক বিশাল শোভাযাত্ৰা উলিওৱা হয়। কৰ্ট তিনিআলিৰ পৰা আৰম্ভ হোৱা এই শোভাযাত্ৰাই চহৰৰ এন.টি. ৰোড আৰু বজাৰ পট্টী পৰিভ্ৰমণ কৰি সংগীত মহাবিদ্যালয়ত সমাপ্ত হয়। হাতত ৰঙা পতাকা আৰু বেনাৰ লৈ শতাধিক শ্ৰমিকে এই সমদলত অংশগ্ৰহণ কৰে। দিনৰ ১ বজাৰ পৰা সংগীত মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত এখন মুকলি সভা অনুষ্ঠিত হয়। সত্যৰঞ্জন দাসে আঁত ধৰা আৰু পিংকু হাজৰিকাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত কেইবাজনো শ্ৰমিক-কৃষক নেতাক সম্বৰ্দ্ধনা জনোৱা হয়। অনুষ্ঠানত নিতুমণি ৰাজখুৱাই ড° ভূপেন হাজৰিকাৰ কালজয়ী গীত 'আহ আহ ওলাই আহ' পৰিৱেশন কৰি পৰিৱেশটো জীপাল কৰি তোলে। বিশেষ আকৰ্ষণ হিচাপে ৮০ উৰ্ধৰ প্ৰাক্তন সেনা তথা বৰ্তমানৰ কৃষক সত্য নাথ ফুকনে বিহু নাম আৰু যাদু প্ৰদৰ্শন কৰি উপস্থিত ৰাইজক আমোদ দিয়ে। সভাৰ এক গুৰুত্বপূৰ্ণ ক্ষণত বিশিষ্ট সমাজকৰ্মী পূৰ্ণকান্ত দেউৰীক তেওঁৰ শ্ৰমিক সমাজৰ প্ৰতি থকা অৱদানৰ বাবে 'শ্ৰমিক দৰদী বঁটা' প্ৰদান কৰা হয়। কাৰ্য্যসূচীটিত 'এআইটিইউচি'ৰ ৰাজ্যিক সম্পাদক ফনীধৰ দাস, মানৱ অধিকাৰ সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সচিব ৰাজু সিংহ, 'চিপিআই'ৰ জিলা সম্পাদক ধীৰেণ কছাৰী, আৰু অৰুণোদয় নিৰ্মাণ শ্ৰমিক সন্থাৰ সম্পাদক দিলোমনি সোণোৱাল দত্তৰ লগতে বিভিন্ন শ্ৰমিক সংগঠনৰ নেতা-কৰ্মীৰ উপস্থিতিত আন্তৰ্জাতিক শ্ৰমিক দিৱস সফলতাৰে সম্পন্ন হয়।

# ডুমডুমা শাখা লেখিকা সমাৰোহ সমিতিৰ "বসন্ত উৎসৱ" উদ্‌যাপন



**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ১ মে' ঃ** বিগত বৰ্ষসমূহৰ দৰে এইবাৰো সদৌ অসম লেখিকা সমাৰোহ সমিতি, ডুমডুমা শাখাৰ উদ্যোগত আজি ৰূপাই চাইডিং বীৰ ৰাঘৱ মৰাণ পথত অৱস্থিত শাখাৰ নিজা ভৱনত বসন্ত উৎসৱ উদ্‌যাপন কৰা হয়। অৱশ্যে হিয়াৰ আমঠু জুবিন গাৰ্গৰ মৃত্যুয়ে সমগ্ৰ অসমৰ লগতে লেখিকা সমাৰোহ সমিতি, ডুমডুমা শাখাৰ সদস্যাসকলকো চুই গ'ল। সেয়েহে বিগত বৰ্ষৰ দৰে এইবাৰ জাকজমকতাৰে প্ৰতিযোগিতা অনুষ্ঠিত নকৰি বিহু বিষয়ক গুৰুত্বপূৰ্ণ পাঠেৰে বসন্ত উৎসৱটি খুব সাধাৰণভাৱে উদ্‌যাপন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰা হয় লগতে শাখাৰ সদস্যাসকলৰ দ্বাৰা শাখাৰ সমবেত সংগীত পৰিবেশনৰ লগে লগে 'মায়াবিনী..' গীতটোও সুন্দৰকৈ পৰিবেশন কৰি জনতাৰ শিল্পীগৰাকীলৈ পুনৰবাৰ শ্ৰদ্ধা জ্ঞাপন কৰা হয়। 'জ্যেষ্ঠজনৰ আশীৰ্বাদ' নামেৰে এটি ব্যতিক্ৰম অনুষ্ঠান অনুষ্ঠিত কৰি স্থানীয় কেইবাগৰাকীও জ্যেষ্ঠ ব্যক্তি জয়ন্তী গোহাঁই, হেমপ্ৰভা লাহন, বীণা গগৈ আৰু যোগেন বৰুৱাৰ দ্বাৰা সভাগৃত লেখিকা সমাৰোহ সমিতিৰ সদস্যাসকলে আশীৰ্বাদ গ্ৰহণ কৰে। তিল পিঠা, লাড়ু, চিৰা-দৈৰ জলপানেৰে সুন্দৰকৈ সকলোৰে একেলগে বিহুৰ জলপান গ্ৰহণ কৰি সম্প্ৰীতিৰ এনাজৰীডাল কটকটীয়া কৰে। লগতে কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ অধীনস্থ দশম শ্ৰেণীৰ শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা প্ৰবাদ প্ৰতীম শইকীয়া (৯৫.৮ শতাংশ) আৰু ৰেবাৰ্ণ গগৈ (৮৮.৪ শতাংশ)ক এই অনুষ্ঠানতে অভিনন্দন জনোৱা হয়। এইদৰেই সাধাৰণভাৱে বসন্ত উৎসৱ উদ্‌যাপন কৰি অসম সংগীতেৰে অনুষ্ঠানটিৰ সামৰণি মৰা হয়।

# ৰূপহীহাটত বিশ্ব শ্ৰমিক দিৱস পালন

**অসম বাৰ্তা, ৰূপহীহাট, ১ মে' ঃ** আজি আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক দিৱস। সমগ্ৰ বিশ্বৰ লগতে ৰূপহীহাটৰ জুৰীয়াতো শ্ৰমিক দিৱস পালন কৰা হয়। ৰূপহীহাটৰ জুৰীয়া আঞ্চলিক শ্ৰমিক সংঘৰ কাৰ্য্যালয়ৰ সন্মুখত ৰাতিপুৱা ৭ বজাতে পতাকা উত্তোলন কৰাৰ লগতে শ্বহীদক সকলক স্মৰণ কাৰ্য্যসূচী ৰূপায়ণ কৰা হয়। শ্ৰমিক দিৱসৰ লগত সংগতি ৰাখি জুৰীয়া আঞ্চলিক কমিটিয়ে চৰকাৰ ওচৰত কেইবাটাও দাবী উত্থাপন কৰে। ৰূপহীহাটৰ জুৰীয়াত শ্ৰমিক সকলে কেবাটাও দাবী উত্থাপন কৰি বিভিন্ন শ্লোগান দিয়া পৰিলক্ষিত হয়। শ্ৰমিক সকলৰ ন্যায্য দাবী, ১ মে' তাৰিখে সকলো শ্ৰমিকে অনুষ্ঠান প্ৰতিষ্ঠানত যি কোনো কাম বন্ধ ৰাখিব লাগে, শ্ৰমিক দিৱস পালন কৰিব লাগে, গাঁৱে-ভূঞে শ্ৰমিক সকলৰ কমিটি গঠন কৰা, দৈনিক ৮ ঘণ্টা কৰ্ম কৰা, চৰকাৰৰ পৰা শ্ৰমিক সকলৰ সকলো ধৰণৰ সুবিধাৰ আদায় কৰাৰ কেবাটাও দাবী উত্থাপন কৰে।

# কামৰূপ জিলাত ভোট গণনা সন্দৰ্ভত প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীসকলৰ সৈতে বৈঠক সম্পন্ন

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ১ মে' ঃ** অসম বিধানসভাৰ হৈ যোৱা সাধাৰণ নিৰ্বাচনৰ (২০২৬ৰ) অহা ৪ মে'ত অনুষ্ঠিত হ'বলগীয়া ভোট গণনা সন্দৰ্ভত শুক্ৰবাৰে কামৰূপ জিলাৰ সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত কামৰূপ জিলাৰ ৬টা বিধানসভা সমষ্টিৰ প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীসকল আৰু তেওঁলোকৰ প্ৰতিনিধিসকলৰ সৈতে এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। বৈঠকত সভাপতিত্ব কৰে কামৰূপ জিলাৰ জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া দেৱ কুমাৰ মিশ্ৰই। বৈঠকত ভোট গণনা প্ৰক্ৰিয়াৰ বিভিন্ন ব্যৱস্থা আৰু নীতি-নিৰ্দেশনা সম্পৰ্কে বিস্তৃত আলোচনা কৰা হয়। বিশেষকৈ প্ৰৱেশ ব্যৱস্থা, গণনা কক্ষৰ ব্যৱস্থা, বিষয়াবৰ্গৰ নিয়োগ, নিৰাপত্তা ব্যৱস্থা, পাছ প্ৰদান আদিৰৰ বাবে কৰা ব্যৱস্থা তথা ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশনা কঠোৰভাৱে পালন কৰা বিষয়সমূহৰ ওপৰত বিশদ পৰ্যালোচনা কৰা হয়। জিলা আয়ুক্তগৰাকীয়ে সকলো প্ৰতিদ্বন্দ্বী প্ৰাৰ্থী আৰু তেওঁলোকৰ প্ৰতিনিধিসকলক জিলা প্ৰশাসনক পূৰ্ণ সহযোগিতা আগবঢ়োৱাৰ লগতে ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশনা কঠোৰভাৱে পালন কৰি মুক্ত, নিৰপেক্ষ, স্বচ্ছ, সুচাৰুৰূপে আৰু শান্তিপূৰ্ণভাৱে ভোট গণনা সম্পন্ন কৰাত সহায় কৰিবলৈ আহ্বান জনায়। বৈঠকত কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামী, কামৰূপ জিলাৰ জিলা উন্নয়ন আয়ুক্ত সুশান্ত কুমাৰ দত্ত, অতিৰিক্ত জিলা আয়ুক্ত গীতাশ্ৰী লাচিত, আদিত্য গগৈ, প্ৰাণজিত কুমাৰ দেৱ, বিশ্বজিৎ শইকীয়া, মনিকা বৰগোহাঁই আৰু শৰ্মিষ্ঠা নেওগ, পলাশবাৰীৰ সম-জিলা আয়ুক্ত ভাস্কৰ জ্যোতি কলিতা, বকো-ছয়গাঁৱৰ সম-জিলা আয়ুক্ত প্ৰিয়াংশু ভৰদ্বাজ, কামৰূপৰ নিৰ্বাচনী বিষয়া ড° ভূপালী কাশ্যপ, অতিৰিক্ত আৰক্ষী অধীক্ষক পুণ্যম পেগু, প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীসকল, তেওঁলোকৰ প্ৰতিনিধিসকল আৰু জিলা প্ৰশাসনৰ বিষয়াসকল উপস্থিত থাকে।

# দৰঙৰ দেওমৰনৈৰ সমলাখাট গাঁৱৰ শাৰীৰিকভাৱে সক্ষম যুৱক কুকিল শইকীয়া উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীণ

**অসম বাৰ্তা, মঙলদৈ, ১ মে' ঃ** দৰং ছিপাঝাৰ বিধানসভা সমষ্টিৰ ভুড়াৰগড় গাঁও পঞ্চায়তৰ অন্তৰ্গত দেওমৰনৈৰ সমলাখাট গাঁৱৰ নিবাসী বিনোদ শইকীয়া আৰু গুনেশ্বৰী শইকীয়াৰ একমাত্ৰ পুত্ৰ কুকিল শইকীয়াই শাৰীৰিক বাধাকো নেওচি উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হৈছে। কুকিলৰ বাবে প্ৰয়োজন এতিয়া এখন ইলেকট্ৰিক গাড়ীৰ উচ্চ শিক্ষাৰ বাবে মহাবিদ্যালয়লৈ যোৱা ৰ বাবে। অসম চৰকাৰ তথা বিভিন্ন স্বেচ্ছাসেৱী সংগঠন তথা হৃদয়বান ৰাইজৰ পৰা সহায়ৰ হাত আগবঢ়াবলৈ অনুৰোধ জনাইছে। দৰিদ্ৰ পৰিয়ালৰ তথা দিন হাজিৰা কৰি ঘৰ চলাই যোৱা কুকিলৰ পিতৃ-মাতৃৰ বাবে সমস্যাৰ সন্মুখীন হৈছে এতিয়া স্থানীয় ৰাইজ তথা দুই এগৰাকী হৃদয়বান লোকে কোকিলক সহায়ৰ হাত আগবঢ়ায়ছে যদিও সেইখিনি যথেষ্ট নহয়। অসম চৰকাৰ তথা বিভিন্ন স্বেচ্ছাসেৱী অনুষ্ঠান আৰম্ভ হৃদয়বান লোকক শাৰীৰিক ভাৱে সক্ষম যুৱক কুকিল শইকীয়ালৈ সহায়ৰ হাত আগবঢ়াবলৈ অনুৰোধ জনাইছে স্থানীয় যুৱক তথা সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰাক্তন ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য নিৰঞ্জন শইকীয়াই।

▫ ১০/১২ জনীয়া ডকাইতৰ আক্ৰমণত আহত ৪ ▫

# ৰূপহীহাটৰ কদমগুৰিত নিশা উত্তপ্ত পৰিস্থিতি

**অসম বাৰ্তা, ৰূপহীহাট, ২ মে' ঃ** ৰূপহীহাটৰ কদমগুৰিত যোৱানিশা এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। জানিব পৰা মতে নিশা ১ মান বজাত কদমগুৰি গাঁৱৰ জামাল উদ্দিন নামৰ লোকজনৰ ঘৰত ১০-১২ জনীয়া এটা ডকাইতৰ দলে ঘৰত প্ৰৱেশ কৰি লুটপাট চলোৱাৰ লগতে ঘৰৰ ভিতৰত থকা লোক সকলক আক্ৰমণ কৰে। ডকাইতৰ আক্ৰমণত আহত হয় জামাল উদ্দিন, লোকমান হেকিম, ৰুকিয়া খাতুনৰ লগতে এগৰাকী শিশুক। আহত সকলক প্ৰথমে কাৰৈমাৰী এফআৰইউত প্ৰথমে ভৰ্তি কৰাই যদিও লোকমান হেকিম আৰু ৰুকিয়া খাতুনৰ অৱস্থা অতি সংকটজনক হোৱাত উন্নত চিকিৎসাৰ বাবে নগাঁও মেডিকেল কলেজ হস্পিটেল লৈ প্ৰেৰণ কৰে। ১০-১২ জনীয়া ডকাইতৰ দলটোৰ পৰা এজন ডকাইতক ৰাইজে আটক কৰিবলৈ সক্ষম হয়। আটকাধিন ডকাইতটো জিউমাৰীৰ সুৰুজ আলী বুলি জানিব পৰা গৈছে। ঘটনাস্থলীত কাৰৈমাৰী আৰক্ষী উপস্থিত হৈ ৰাইজে আটক কৰা ডকাইতটোক চমজি লৈ অধিক তথ্যৰ বাবে জেৰা অব্যাহত ৰাখিছে।

## গমিৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সফলতাত উৎফুল্ল ৰাইজ

# বিষয় শিক্ষক অবিহনেই উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত ১০০ শতাংশ উত্তীৰ্ণ

**অসম বাৰ্তা, গহপুৰ, ১ মে' ঃ** গহপুৰ সমজিলাৰ এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়। যি খন বিদ্যালয়খনত এগৰাকীও বিষয় শিক্ষক শিক্ষা বিভাগে নিযুক্তি প্ৰদান নকৰিলে। বিদ্যালয়খনৰ হাইস্কুল পৰ্যায়ত নিয়োজিত স্নাতক শিক্ষক সকলেই উচ্চতৰ মাধ্যমিকত অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰী সকলক পাঠদান দি উচ্চতৰ মাধ্যমিক পৰ্যায়টো চলাই আছে। এনে এক পৰিস্থিতিৰ মাজতো সদ্যঘোষিত উচ্চতৰ মাধ্যমিকৰ কলা শাখাৰ চূড়ান্ত পৰীক্ষাত ১০০শতাংশ উত্তীৰ্নৰ গৌৰৱেৰে গোৰান্বিত হ'ল এই বিদ্যালয়খন। বৃট্ৰিছৰ দিনত ছয়দুৱাৰ অঞ্চলৰ প্ৰধান প্ৰাণ কেন্দ্ৰ হিচাপে থকা গমিৰি অঞ্চলৰ উচ্চ শিক্ষানুষ্ঠান গমিৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ে বিষয় শিক্ষক অবিহনেই উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত এশ শতাংশ উত্তীৰ্ণৰ গৌৰৱেৰে গৌৰৱান্বিত হৈছে। বৃহত্তৰ গমিৰি অঞ্চলত ১৯৬৩ চনতে প্ৰতিষ্ঠা কৰা গমিৰি উচ্চ মাধ্যমিক বিদ্যালয়ক ২০২১চনত চৰকাৰীভাৱে উচ্চতৰ মাধ্যমিক পৰ্যায়লৈ উন্নীতকৰণ কৰা হয়। গমিৰি উচ্চ মাধ্যমিক বিদ্যালয়খনক উচ্চতৰ মাধ্যমিক পৰ্যায়লৈ উন্নীতকৰণ কৰা হয় যদিও শিক্ষা বিভাগে এজনো বিষয় শিক্ষক নিযুক্তি প্ৰান নকৰিলে। যাৰ ফলশ্ৰুতিত বিদ্যালয়খনৰ উচ্চ মাধ্যমিক পৰ্যায়ত নিযুক্ত স্নাতক শিক্ষক সকলেই উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষ আৰু দ্বিতীয় বৰ্ষৰ ছাত্ৰ-ছাত্ৰী সকলক পাঠদান কৰিব লগা হয়। আনকি বিদ্যালয়খনৰ অধ্যক্ষ সঞ্জীৱ গগৈ আৰু উপাধ্যক্ষ কেশৱ শৰ্মাইয়ো বিভাগীয় কামকাজ কৰাৰ সামন্তৰালভাৱে ছাত্ৰ-ছাত্ৰী সকলক নিয়মীয়াকৈ পাঠদান দিব লগা হয়। মুঠ ৮০০শ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰা গমিৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ১৫ গৰাকী শিক্ষক শিক্ষয়িত্ৰীয়ে শিক্ষাদান দি বিদ্যালয়খনৰ সফলতাৰ ধাৰা বৰ্তমানলৈকে আব্যাহত ৰাখিবলৈ সক্ষম হৈছে। সদ্য ঘোষিত উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাৰ কলা শাখাত গমিৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা মুঠ ৩৯গৰাকী ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ইয়াৰে দুগৰাগীয়ে ষ্টাৰ নম্বৰ সহ প্ৰথম বিভাগত ৬গৰাকী, দ্বিতীয় বিভাগত ২৮ গৰাকী আৰু তৃতীয় বিভাগত ৫ গৰাকী ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হৈছে। বিষয় শিক্ষক অবিহনেই উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত ১০০ শতাংশ উত্তীৰ্ণ হোৱাৰ গৌৰৱ লাভ কৰা গমিৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিষয় শিক্ষক নিযুক্তি দিয়াৰ লগতে আন্তঃগাঁথনিৰ উন্নয়নৰ ব্যৱস্থা কৰিবলৈ চৰকাৰক অনুৰোধ জনালে বিদ্যালয়খনৰ অধ্যক্ষ সঞ্জীৱ গগৈ আৰু উপাধ্যক্ষ কেশৱ শৰ্মাই।

## 'আশাৰ আলোক' - 'কৰুণাধাৰা ন্যাস'ৰ সহায়ৰ হাত

# দৃঢ় মনোবলৰ ছাত্ৰই জয় কৰিলে জটিল ৰোগ; উজলিল উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত

**অসম বাৰ্তা, মঙলদৈ, ১ মে' ঃ** দৰং জিলাৰ হাজৰিকাপাৰাৰ দৃঢ় মনোবলৰ এজন ছাত্ৰৰ কাহিনী। হাইস্কুল শিক্ষান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হৈ উচ্চতৰ মাধ্যমিক বাণিজ্য শাখাত নামভৰ্ত্তি কৰাৰ কিছুদিন পিছতে ছাত্ৰজন সন্মুখীন হ'ল এক জটিল ৰোগত। আৰ্থিক দুৰৱস্থাৰ হেতু এই ৰোগৰ চিকিৎসাৰ কেনেকৈ কৰাব তাৰবাবে পৰিয়ালটো দুশ্চিন্তাত পৰিছিল। এনে সময়তে ছাত্ৰ জনক সহায় কৰিবলৈ আগুৱাই আহিল গাঁৱৰ একাংশ হৃদয়বান লোক। আনহাতে মানৱতাবাদী সংগঠন 'কৰুণাধাৰা'- দৰং জিলা সহায়ক সমিতি আৰু 'আশাৰ আলোক'- মানুহে মানুহৰ বাবে, দৰং, অসমৰ সদস্য সকল ছাত্ৰ জনৰ ঘৰত উপস্থিত হৈ অলপ সাহস দিয়াৰ লগতে চিকিৎসাৰ বাবে কৰুণাধাৰা ন্যাসৰ পৰা ১৫ হাজাৰ টকা আৰু 'আশাৰ আলোক'ৰ পৰা ৫ হাজাৰ টকা আগবঢ়ালে। ৰাইজৰ মৰম আৰু আশীৰ্বাদত ছাত্ৰ জনে দুশ্চিন্তাক একাষৰীয়া কৰি থৈ চিকিৎসা আৰু অধ্যয়ন দুয়োটাই চলাই গৈ থাকিল। যাৰফলত ছাত্ৰজন বৰ্তমান জটিল ৰোগৰ পৰা প্ৰায় সুস্থ হৈ উঠিছে আৰু সদ্যঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত মঙলদৈ জ্ঞান বিকাশ একাডেমীৰ পৰা বাণিজ্য শাখাত ৭২ শতাংশ নম্বৰ লৈ উত্তীৰ্ণ হৈছে। এই খবৰে দুয়োটা মানৱতাবাদী সংগঠনৰ কৰ্মকৰ্তাৰ লগতে ৰাইজক আনন্দিত কৰি তুলিছে। উৰুখা পঁজাৰ পৰা উজলি উঠা এই ছাত্ৰ জনৰ নাম- নিৰঞ্জন ডেকা। নন্দেশ্বৰ ডেকা আৰু মাতুমণি ডেকাৰ সন্তান নিৰঞ্জন ডেকাক দুয়োটা মানৱতাবাদী সংগঠনৰ প্ৰধান সচিব গণেশ দত্ত, কোষাধ্যক্ষ গোলোক বৰা, সদস্য যুতিকা নাথ, তৃষ্ণা হাজৰিকা, অসম চৰকাৰৰ অৱৰ সচিব গিৰিজানন্দ গোস্বামী, শিক্ষয়িত্ৰী গীতালি শৰ্মা, সাংবাদিক তবিবুল্লা হকে আজি সম্ভাষণ জ্ঞাপন কৰাৰ লগতে উচ্চ শিক্ষাৰ বাবে 'কৰুণাধাৰা'- দৰং জিলা সহায়ক সমিতিৰ অধ্যক্ষ মুকুল চন্দ্ৰ ডেকাই ৫ হাজাৰ টকা, সদস্য যুতিকা নাথে এহেজাৰ টকা, তৃষ্ণা হাজৰিকাই বহী পত্ৰ আৰু দুয়োটা সংগঠনে সাধ্যানুসৰি সহায়ৰ হাত আগবঢ়াবলৈ অঙ্গীকাৰ কৰে। সংগঠন দুটাৰ এনে পদক্ষেপক সকলোৱে প্ৰশংসা কৰাৰ লগতে নিৰঞ্জন ডেকাক অভিনন্দন জ্ঞাপন কৰিছে।

# ক্লাছিক পাৱাৰ লিফটিং প্ৰতিযোগিতাত জিলিকিল দেৰগাঁৱৰ ফিট স্কোৱাড



**অসম বাৰ্তা, দেৰগাঁও, ১ মে' ঃ** গোলাঘাটত ২৬/৪/২০২৬ তাৰিখে জিলা ভিত্তিত অনুষ্ঠিত হোৱা ক্লাছিক পাৱাৰ লিফটিং প্ৰতিযোগিতাত দেৰগাঁৱৰ ফিট স্কোৱাড জিমৰ ৫ গৰাকী খেলুৱৈয়ে বিভিন্ন শাখাত নিজৰ নিজৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰি পদক লাভ কৰি জিমটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। পদক লাভ কৰা ৫জন খেলুৱৈক আজি জিমৰ স্বত্বাধিকাৰী তথা শৰীৰচৰ্চা বিদ ও প্ৰশিক্ষক ভাস্কৰ জ্যোতি বৰায়ে গামোচা আৰু মানপত্ৰ আদিৰে সন্মানিত কৰে লগতে জিমৰ সকলো প্ৰশিক্ষাৰ্থীয়ে ভাস্কৰ জ্যোতি বৰাক তেখেতৰ মহানুভৱতাৰ তথা সকলো প্ৰশিক্ষাৰ্থীক আগবাঢ়ি যাবলৈ সদায় উৎসাহিত কৰি অহা বাবে কৃতজ্ঞতাৰ চিনস্বৰূপে এটা মমেণ্ট আগবঢ়ায়। বিজয়ী সকল ক্ৰমে; সোণৰ পদক; অজয় বৰা, পিংকু ভৰালী, দেবজিত বৰা আনহাতে ৰূপৰ পদক ৰৌনাক মিশ্ৰ আৰু দেবু প্ৰসাদ দাসে লাভ কৰে।

# ৰহাৰ মাজভাগত অৱস্থিত মজলীয়া বিদ্যালয়ত দুটা সপ্তাহত দুবাৰকৈ চুৰিকাণ্ড

**অসম বাৰ্তা, ৰহা, ২ মে' ঃ** নগাঁও জিলাৰ ৰহাত চোৰৰ উপদ্ৰৱ, আৰক্ষী চকুত ধূলি মাৰি কৰিলে চুৰি কায্য। কি কৰিব আৰক্ষীয়ে যেন তেনেই মনোভাবেৰে মাত্ৰ ২টা সপ্তাহত দুবাৰকৈ চুৰে চলালে চাফাই অভিযান। ৰহাৰ ঐতিহ্যমণ্ডিত তথা ৰহা থানাৰ পৰা প্ৰায় এশ মিটাৰ দূৰত্বত অৱস্থিত ৰহা মজলীয়া বিদ্যালয়ত মাত্ৰ দুটা সপ্তাহত দুবাৰকৈ চুৰি কাৰ্য সংঘটিত হয়। বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী জুৰিমণি বৰুৱাই জানিব দিয়া মতে ব'হাগ বিহুৰ বন্ধৰ পাছত বিদ্যালয়খন খোলোতেই চাৰিখনকৈ চিলিং ফেন চোৰে লৈ যায় বুলি জানিব পাৰি ৰহা আৰক্ষীক বিষয়টো অৱগত কৰে যদিও পুনৰ ৬ খনকৈ ফেন চুৰে দূৰ কৰি লৈ যোৱা কাৰ্য সংঘটিত হোৱাত অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। বিদ্যালয়খনৰ মূল গেটত লগোৱা তলা ঠিকেই থকাৰ লগতে বিদ্যালয়খনৰ প্ৰতিখন দৰ্জাত লগোৱা তলা ঠিকেই আছিল তদুপৰি ভিতৰৰ পৰা হুপ লগাই থোৱা দৰ্জাকেইখন ঠিকেই আছিল বুলি জানিবলৈ দিয়ে প্ৰধান শিক্ষয়িত্ৰীগৰাকীয়ে। তলা আৰু দৰ্জা নিখুঁতভাৱে থকালৈ চাই বিদ্যালয়খনৰ তলা কোনোবাই নকল চাবি ব্যৱহাৰ কৰি চোৰে ফেন চুৰি কাৰ্য সংঘটিত কৰিছিল নেকি বুলিও স্থানীয় একাংশ লোকে সন্দেহ প্ৰকাশ কৰাৰ লগতে চুৰি কাৰ্যত জড়িতসকলক অতিশীঘ্ৰে গ্ৰেপ্তাৰ কৰিবলৈ দাবী উত্থাপন কৰিছে।

## অগপ প্ৰাৰ্থী প্ৰকাশ চন্দ্ৰ দাসৰ বিজয় কামনাৰে পোৱামক্কাত সমূহীয়া দোৱা

# নিৰ্বাচনী ফলাফলৰ আগমুহূৰ্তত হাজোত ব্যতিক্ৰমী দৃশ্য

**অসম বাৰ্তা, হাজো, ১ মে' ঃ** ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ ফলাফল ঘোষণা কৰিবলৈ মাজত মাত্ৰ দুটা দিন বাকী থকা অৱস্থাত শাসক-বিৰোধী প্ৰতিটো দলৰ প্ৰাৰ্থীৰ মাজত আৰম্ভ হৈছে উৎকণ্ঠা। ভাগ্য নিৰ্ণয়ৰ এই সন্ধিক্ষণত প্ৰাৰ্থীসকলে এতিয়া আশীৰ্বাদ বিচাৰি ধৰ্মীয় অনুষ্ঠানসমূহত ভিৰ কৰা পৰিলক্ষিত হৈছে। ইয়াৰ মাজতে হাজো-শুৱালকুছি সমষ্টিত দেখিবলৈ পোৱা গৈছে এক ব্যতিক্ৰমী আৰু সম্প্ৰীতিৰ অনন্য দৃশ্য। হাজো-শুৱালকুছি সমষ্টিৰ এনডিএ (NDA) মিত্ৰজোঁটৰ প্ৰাৰ্থী প্ৰকাশ চন্দ্ৰ দাসৰ বিজয় নিশ্চিত কৰাৰ উদ্দেশ্যে আজি পবিত্ৰ শুকুৰবাৰে ঐতিহাসিক পোৱামক্কা দৰগাহ শ্বৰীফত এক সমূহীয়া প্ৰাৰ্থনা সভা অনুষ্ঠিত হয়। পোৱামক্কা দৰগাহৰ খাদিম আলহাজ ফৰিদ আলীৰ নেতৃত্বত আজি জুম্মাৰ নামাজৰ অন্তত প্ৰাৰ্থীজনৰ কুশল তথা প্ৰকাশ চন্দ্ৰ দাসৰ বিপুল ভোটত জয়লাভৰ বাবে আল্লাৰ ওচৰত দোৱা কৰা হয়। হাজোৰ ধৰ্মপ্ৰাণ মুছলমান ৰাইজে এইদৰে একেলগে প্ৰাৰ্থীজনৰ বাবে দোৱা কৰি আশীৰ্বাদ বিচাৰে। কেৱল জয়েই নহয়, হাজোৰ ৰাইজৰ মাজত এতিয়া আন এক বিশেষ আশা জাগি উঠিছে। সমূহীয়া দোৱাত অংশগ্ৰহণ কৰা একাংশ সমৰ্থক তথা স্থানীয় ৰাইজে সংবাদ মাধ্যমৰ আগত মত প্ৰকাশ কৰে যে, তেওঁলোকে প্ৰকাশ চন্দ্ৰ দাসক বিধায়ক হিচাপেই লাভ কৰিলে হাজো-শুৱালকুছিৰ সৰ্বাংগীণ উন্নয়ন অধিক ত্বৰান্বিত হ'ব লগতে প্ৰকাশ চন্দ্ৰ দাসক হিমন্ত বিশ্ব শৰ্মাৰ মন্ত্ৰী সভাতো স্থান লাভ কৰাৰ বাবে আশা প্ৰকাশ কৰে। মন্দিৰৰ পৰা দৰগাহলৈ প্ৰাৰ্থীৰ হৈ চলি থকা এই প্ৰাৰ্থনাৰ দৌৰে নিৰ্বাচনী বতৰত এক ইতিবাচক বাৰ্তা প্ৰেৰণ কৰিছে। এতিয়া সকলোৰে চকু অহা ৪ জুনৰ ফলাফললৈ। হাজোৰ ৰাইজৰ এই দোৱা আৰু আশীৰ্বাদে প্ৰকাশ চন্দ্ৰ দাসক বিধানসভালৈ বিজয়ী কৰি পঠিয়াব নে নাই, সেয়া সময়েহে ক'ব।

## বুঢ়াপাহাৰ চাহ বাগিচাত বনৰীয়া হাতীৰ আক্ৰমণত নিহত ১

# কলিয়াবৰত হাতীৰ সন্ত্ৰাস

**অসম বাৰ্ত, কলিয়াবৰ, ১ মে' ঃ** কলিয়াবৰত পুনৰ বন্যহস্তিৰ সন্ত্ৰাসে আতংকিত কৰিছে গঞা ৰাইজক। আজি দিনৰ ভাগত বুঢ়াপাহাৰ চাহ বাগিচাত বনৰীয়া হাতীৰ আক্ৰমণত এজন লোক নিহত হয়। নিহত লোকজন নৰেন গোৱালা(৩৫)। জানিব পৰা মতে লোকজনে মাছ ধৰিবৰ বাবে যাওঁতেই সমীপতে থকা বাক্সে পাহাৰৰ পৰা ওলাই অহা বনৰীয়া হাতীৰ মুখামুখি হোৱাত হাতীয়ে আক্ৰমণ কৰাত লোকজন থিতাতে নিহত হয়। ঘটনাস্থলীত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বুঢ়াপাহাৰ বনাঞ্চলিক বিষয়া সহ বন বিভাগৰ দল উপস্থিত হৈ মৃতদেহ মৰনোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। ইফালে যোৱা দুদিন পূৰ্বে ইয়াৰ বামুণী পথাৰত বন্যহস্তীয়ে উপদ্ৰৱ চলাই জয়নাল ৰহমান নামৰ লোকজনৰ হোটেলৰ ৰান্ধনী কোঠা ভাঙি লণ্ড-ভণ্ড কৰে। পাছত ঘটনাস্থলীত বন বিভাগৰ লোক উপস্থিত হৈ পৰিৱেশ নিৰীক্ষণ কৰে।

## শক্তিশালী সমিতি গঠন

# ঢেকীয়াজুলি প্ৰেছক্লাবৰ একাদশ দ্বি-বাৰ্ষিক অধিৱেশন

**অসম বাৰ্তা, শিঙৰী, ২ মে' ঃ** ঢেকীয়াজুলিৰ জ্যেষ্ঠ সাংবাদিক, 'অসমীয়া প্ৰতিদিন' আৰু 'দৈনিক জনমভূমি' কাকতৰ সংবাদদাতা ভগৱান বৈশ্য ঢেকীয়াজুলি প্ৰেছ ক্লাবৰ চতুৰ্থবাৰৰ বাবে সভাপতি নিৰ্বাচিত হৈছে। ১ মে'ত ঢেকীয়াজুলি প্ৰেছক্লাবৰ সভাগৃহত অনুষ্ঠিত হোৱা ঢেকীয়াজুলি প্ৰেছ ক্লাবৰ একাদশ দ্বি-বাৰ্ষিক অধিৱেশনৰ প্ৰতিনিধি সভাই ২০২৬-২৮ বৰ্ষৰ কাৰ্যকালৰ বাবে তেওঁক পুনৰবাৰ সভাপতি ৰূপে নিৰ্বাচিত কৰে। আনহাতে, এন ডি ২৪ৰ সংবাদদাতা বিমলজ্যোতি নাথ একেৰাহে দ্বিতীয়টো কাৰ্যকালৰ বাবে কাৰ্যকৰী সভাপতি, প্ৰাগ নিউজৰ সংবাদদাতা দিগন্ত শৰ্মা সাধাৰণ সম্পাদক আৰু দৈনিক যুগশংখৰ সংবাদদাতা পংকজ দেৱ আৰু 'অসমীয়া খবৰ'ৰ শিঙৰীৰ সংবাদদাতা বিপুল ফয়েল সহকাৰী সম্পাদক পদত নিৰ্বাচিত হয়। তদুপৰি ঢেকীয়াজুলি প্ৰেছক্লাবৰ উপ-সভাপতিৰ দুটা পদত 'অসমীয়া খবৰ'ৰ চিৰাজুলিৰ সংবাদদাতা ধৰণী কেওঁট আৰু 'নিয়মীয়া বাৰ্তা' ৰ মিছামাৰীৰ সংবাদদাতা বগা তপ্ন, আলোচনী সম্পাদক পদত 'অসমীয়া খবৰ'ৰ ঠেলামৰাৰ সংবাদদাতা লক্ষণ গোৱালা আৰু কাৰ্যালয় সম্পাদক পদত 'দৈনন্দিন বাৰ্তা'ৰ বৰছলাৰ সংবাদদাতা পবিত্ৰ কুমাৰ দাস বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়। পুৱা ১০: ০০ বজাত সভাপতি ভগৱান বৈশ্যই ঢেকীয়াজুলি প্ৰেছ ক্লাবৰ পতাকা উত্তোলন কৰি অধিৱেশনৰ দিনজোৰা কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। কাৰ্যকৰী সভাপতি বিমলজ্যোতি নাথে স্মৃতি তৰ্পণ কৰে। দুপৰীয়া ১২ঃ০০ বজাত প্ৰতিনিধি সভা উদ্বোধন কৰি ঢেকীয়াজুলিৰ প্ৰবীণ সাংবাদিক, সাহিত্যিক, অৱসৰপ্ৰাপ্ত শিক্ষক ৰমেশ চন্দ্ৰ বৰাই সাংবাদিক সকলৰ উপযোগী ভাষণ প্ৰদান কৰে।

## সম্পাদকীয়

# আশা-আকাংক্ষাৰ মাজতে সাৱধানতাৰ প্ৰয়োজন

৩ মে’ দেওবাৰে অনুষ্ঠিত হ’বলগীয়া ৰাষ্ট্ৰীয় যোগ্যতা আৰু প্ৰৱেশ পৰীক্ষা (নীট-ইউজি) ২০২৬ৰ বাবে দেশজুৰি প্ৰস্তুতি সম্পূৰ্ণ হৈছে। চিকিৎসা বিজ্ঞান, দন্ত চিকিৎসা আৰু আয়ুষ শিক্ষাৰ আসন সুৰক্ষিত কৰাৰ এই পৰীক্ষাত এইবাৰ সৰ্বভাৰতীয় পৰ্যায়ত মুঠ ২২, ৭৯, ৭৪৩ গৰাকী শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। অসমত প্ৰায় চল্লিশ হাজাৰ পৰীক্ষাৰ্থী সাজু হৈ উঠিছে। জিলা প্ৰশাসনসমূহে চিচিটিভি কেমেৰা আৰু অন্যান্য সুৰক্ষা ব্যৱস্থাৰে পৰীক্ষা কেন্দ্ৰসমূহ কটকটীয়া কৰি তুলিছে। পৰীক্ষা কেন্দ্ৰৰ দুৱাৰ দিনৰ ডেৰ বজাত বন্ধ কৰি দিয়াৰ নিয়মে ইয়াৰ গাম্ভীৰ্য্য প্ৰতিফলিত কৰিছে।

এইবাৰ পৰীক্ষাৰ এক উল্লেখযোগ্য দিশ হৈছে ছাত্ৰীৰ পঞ্জীয়ন বৃদ্ধি। মুঠ পঞ্জীয়নকাৰীৰ ৫৮ শতাংশ (প্ৰায় তেৰ লাখ) ছাত্ৰী। বিশেষজ্ঞসকলে এই পৰিৱৰ্তনক ধনাত্মক বুলি অভিহিত কৰাৰ লগতে কয় যে সমাজত ছোৱালী শিক্ষাৰ প্ৰতি থকা সচেতনতা আৰু পিতৃ-মাতৃৰ উৎসাহ ইয়াৰ কাৰণ। কিন্তু প্ৰশ্ন উঠে যে ইমান ডাঙৰ সংখ্যক পৰীক্ষাৰ্থীৰ ভিৰত পৰীক্ষাৰ স্বচ্ছতা কেনেকৈ ৰক্ষা কৰা হ’ব? পূৰ্বৰ বৰ্ষত প্ৰশ্নকাকত ফাদিল, পৰীক্ষা কেন্দ্ৰত ৰিপ’টিং বিফলতা আদি সমস্যাৰ সৃষ্টি হৈছিল। সেই অভিজ্ঞতাৰ পৰা এনটিএই (ৰাষ্ট্ৰীয় টেষ্টিং এজেঞ্চী)এ এইবাৰ যি কটকটীয়া ব্যৱস্থা গ্ৰহণ কৰিছে, সেয়া প্ৰশংসনীয় যদিও কাৰ্যকৰীভাৱে ৰূপায়ণ হয়নে নাই, সেইটো পৰীক্ষাৰ পিছত মূল্যায়নৰ বিষয়।

তিনি ঘণ্টীয়া এই পৰীক্ষাত ১৮০টা প্ৰশ্নৰ উত্তৰ দিব লাগে। অৰ্থাৎ প্ৰতি মিনিটত এটাকৈ প্ৰশ্নৰ উত্তৰ দিয়া প্ৰায় অনিবাৰ্য। সম্পাদকীয় কক্ষৰ জ্ঞান অনুসৰি, এই সময়সীমাই শিক্ষাৰ্থীৰ মানসিক চাপ সহনশীলতাৰ পৰীক্ষাও লয়। গতিকে পৰীক্ষাৰ্থীসকলক পৰীক্ষালৈ যোৱাৰ আগতে সহপাঠীৰ সৈতে কোনোধৰণৰ আলোচনা নকৰিবলৈ বিশেষজ্ঞসকলে আহ্বান জনোৱাটো যুক্তিসংগত। কাৰণ এনে আলোচনাই আতংক সৃষ্টি কৰি মূল প্ৰস্তুতিক ক্ষতিগ্ৰস্ত কৰিব পাৰে।

অৱশ্যে সাধাৰণ মানুহৰ মনত এটা ডাঙৰ প্ৰশ্নৰ উত্থাপন হয়- ইমান সংখ্যক পৰীক্ষাৰ্থীৰ ভিতৰত মুঠ ১.৩০ লাখ মেডিকেল আসনৰ বাবে যোগ্যতা নিৰ্ধাৰণ কৰাটো কিমান ন্যায্য? প্ৰতিবছৰে মুঠ অৱতীৰ্ণ শিক্ষাৰ্থীৰ ভিতৰত ৪৮ শতাংশৰ পৰা ৫৫ শতাংশ শিক্ষাৰ্থীয়ে সফলতা লাভ কৰে যদিও আসনৰ সংখ্যা নোহোৱাৰ বাবে বহু মেধাৱী শিক্ষাৰ্থীয়ে আশানুৰূপ স্থান নাপায়। ইয়াৰ প্ৰতিকাৰ হিচাপে চৰকাৰী আৰু বেচৰকাৰী মেডিকেল মহাবিদ্যালয়ৰ আসন সংখ্যা বৃদ্ধিৰ লগতে গুণগত মান ৰক্ষা কৰাটো সময়ৰ আহ্বান। পৰীক্ষা শেষ হোৱাৰ কিছু সপ্তাহৰ পিছতে ফলাফল ঘোষণা কৰা হয়। তাৰ পিছত দেশজুৰি কাউঞ্চলিং প্ৰক্ৰিয়া আৰম্ভ হয়। এই প্ৰক্ৰিয়াতো সদৰি পৰীক্ষাৰ কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ আছে। কোনো শিক্ষাৰ্থীয়ে কেন্দ্ৰত অৱসৰ লোৱা সময়ত দুৰ্নীতিৰ সন্মুখীন হ’লে কি কৰিব? আৰু কেনেদৰে অভিযোগ দাখিল কৰিব? এই সন্দৰ্ভত পৰ্যাপ্ত সজাগতা সৃষ্টি কৰাটো প্ৰয়োজন। ইতিমধ্যে প্ৰশাসনে নিৰাপত্তা জাল টানি লৈছে বুলি জনাইছে, তথাপি ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকল সজাগ হৈ থকাটো জৰুৰী।

শেষত ক’ব লগা যে নীট-ইউজি কেৱল এখন প্ৰৱেশ পৰীক্ষাই নহয়, ই এক প্ৰত্যাশাৰ দৰ্পণ। ইয়াত সফল হ’বলৈ প্ৰয়োজন সঠিক পৰিকল্পনা, নিৰালস্য সাধনা আৰু মানসিক স্থিতি। আমি আশা কৰোঁ যে আসন্ন পৰীক্ষা নিৰ্বিঘ্ন, স্বচ্ছ আৰু সুস্থ পৰিৱেশত সম্পন্ন হ’ব। সকলো পৰীক্ষাৰ্থীক শুভেচ্ছা জনাইছোঁ। মনত ৰাখিব- চেষ্টা অব্যাহত থাকিলেহে সফলতা অনিবাৰ্য।




চছিয়েল মিডিয়াৰ এই যুগটোত এজন সাংবাদিকে অপ্ৰিয় সত্য প্ৰকাশ কৰিলে বা প্ৰশ্ন কৰিলে তেওঁক ব্যক্তিগতভাৱে ডিজিটেল ট্ৰ’লিং আৰু ভয়-ভাবুকিৰ জৰিয়তে আক্ৰমণ কৰা হয়, যাৰ ফলত এক ভয়াৱহ পৰিৱেশৰ সৃষ্টি হয়। আনহাতে, চৰকাৰী বিজ্ঞাপন আৰু কৰ্পোৰেট পুঁজিৰ ওপৰত নিৰ্ভৰশীল সংবাদ মাধ্যমসমূহৰ প্ৰচাৰধৰ্মী মানসিকতাই জনসাধাৰণৰ পক্ষত থকাৰ পৰিৱৰ্তে ক্ষমতাৰ পক্ষত থকাৰ প্ৰৱণতাহে বৃদ্ধি কৰিছে। যিহেতু সাংবাদিকৰ প্ৰশ্নৰ শক্তি অসীম, গতিকে ইয়াৰ লগত জড়িত দায়িত্বও গধুৰ। যিকোনো সাংবাদিকে প্ৰশ্ন কৰাৰ সময়ত তথ্যৰ সত্যতাৰ প্ৰতি সজাগ হোৱাটো বাধ্যতামূলক যাতে প্ৰশ্নটো কেৱল অভিযোগ নহৈ বস্তুনিষ্ঠ হয়। লগতে কোনো ব্যক্তিৰ ব্যক্তিগত জীৱনৰ গোপনীয়তাক খৰ্ব নকৰাকৈ কেৱল সামাজিক বা ৰাজহুৱা স্বাৰ্থ থকা বিষয়তহে প্ৰশ্ন কৰা উচিত। উত্তেজনা সৃষ্টি কৰিব পৰা বা সাম্প্ৰদায়িক বিষবাষ্প বিয়পাব পৰা কোনো প্ৰশ্ন কৰাটো সাংবাদিকতাৰ নীতিৰ বিৰুদ্ধ।

# গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সংকট, প্ৰত্যাহ্বান আৰু সাংবাদিকৰ দায়িত্ব

এক সুস্থ আৰু সবল গণতন্ত্ৰৰ প্ৰাণস্পন্দন হ’ল সংবাদ মাধ্যম। আইনসভা, কাৰ্যপালিকা আৰু ন্যায়পালিকাৰ পিছতেই স্থান দি সংবাদ মাধ্যমক গণতন্ত্ৰৰ ‘চতুৰ্থ স্তম্ভ’ বুলি অভিহিত কৰা হয়। এই স্তম্ভৰ মূল শক্তি আৰু দায়িত্ব হ’ল-সত্যৰ সন্ধান কৰা আৰু ক্ষমতাৰ কেন্দ্ৰবিন্দুক প্ৰশ্ন কৰা। সমাজৰ এজন সজাগ প্ৰহৰী হিচাপে সাংবাদিকে জনসাধাৰণৰ হৈ প্ৰশাসন আৰু নীতি-নিৰ্ধাৰক সকলক জবাবদিহি কৰাৰ যি অধিকাৰ লাভ কৰিছে, সেয়া কেৱল এটা পেছা নহয়, বৰঞ্চ এক পবিত্ৰ সামাজিক দায়িত্ব। সাংবাদিকতা কেৱল তথ্যৰ যোগান ধৰা এটা যান্ত্ৰিক বৃত্তি নহয়, বৰঞ্চ ই হ’ল সত্যৰ অন্বেষণ আৰু ক্ষমতাৰ অপপ্ৰয়োগক প্ৰত্যাহ্বান জনোৱাৰ এক অবিৰত প্ৰক্ৰিয়া। বৰ্তমানৰ জটিল সামাজিক আৰু ৰাজনৈতিক পৰিৱেশত সাংবাদিকৰ সত্যৰ সন্ধান আৰু প্ৰশ্ন কৰাৰ অধিকাৰৰ গুৰুত্ব আৰু ইয়াৰ সীমাৱদ্ধতাৰ ওপৰত এক বিতং আলোচনাৰ প্ৰয়োজন আছে।


নলিনী ৰঞ্জন ভূঞা

গণতন্ত্ৰৰ এই চতুৰ্থ স্তম্ভস্বৰূপ সংবাদ মাধ্যমৰ গুৰুত্বক স্বীকৃতি দি প্ৰতি বছৰে ৩ মে’ তাৰিখে সমগ্ৰ বিশ্বতে ‘সংবাদ মাধ্যমৰ স্বাধীনতা দিৱস’ (World Press Freedom Day) পালন কৰা হয়। ১৯৯১ চনৰ ঐতিহাসিক “উইণ্ডহুক ঘোষণা”ৰ আধাৰত ১৯৯৩ চনত ৰাষ্ট্ৰসংঘই এই দিৱসৰ আনুষ্ঠানিক ঘোষণা কৰে, যি ঘোষণা ইউনেস্কোৰ পৰামৰ্শৰ ভিত্তিত গ্ৰহণ কৰা হৈছিল। এই দিৱসৰ মূল উদ্দেশ্য হৈছে সংবাদ মাধ্যমৰ স্বাধীনতাৰ প্ৰয়োজনীয়তা সম্বন্ধে সচেতনতা বৃদ্ধি কৰা আৰু সাংবাদিকসকলৰ অধিকাৰ সুৰক্ষাৰ প্ৰতি বিশ্ববাসীক সোঁৱৰাই দিয়া। সংবাদ মাধ্যমৰ স্বাধীনতা সম্পৰ্কীয় বিষয়টোৰ নিৰপেক্ষ মূল্যায়নৰ বাবে ‘ৰিপ’ৰ্টাৰ্ছ উইদাউট বৰ্ডাৰ্ছ’ (RSF) নামৰ এটা সংস্থাই প্ৰতি বছৰে এক বিশেষ প্ৰতিবেদন যুগুত কৰে। বিশ্বৰ বিভিন্ন দেশত সাংবাদিকৰ নিৰাপত্তা, সংবাদ মাধ্যমৰ স্বতন্ত্ৰতা আৰু নিয়ন্ত্ৰণ ব্যৱস্থাৰ মাত্ৰা পৰ্যালোচনা কৰি এই সংস্থাটোৱে ‘বিশ্ব প্ৰেছ স্বাধীনতা সূচকাংক’ প্ৰকাশ কৰে। বৰ্তমান সময়ত বিশ্বজুৰি সংবাদ মাধ্যমৰ স্বাধীনতাৰ পৰিস্থিতি যথেষ্ট চিন্তাজনক আৰু প্ৰত্যাহ্বানমূলক। সংস্থাটোৰ শেহতীয়া প্ৰতিবেদন অনুসৰি ১৮০খন দেশৰ ভিতৰত ভাৰতৰ স্থান যথেষ্ট নিম্নমুখী হৈ আছে। এই অৱনতিৰ পিছত কেইবাটাও গুৰুত্বপূৰ্ণ কাৰক জড়িত, যাৰ ভিতৰত সাংবাদিকসকলৰ ওপৰত বৃদ্ধি পোৱা আইনী হেঁচা, শাৰীৰিক নিৰ্যাতন আৰু অনলাইন হাৰাশাস্তি উল্লেখযোগ্য। ইয়াৰ উপৰি কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে সৃষ্টি কৰা ভুৱা তথ্য আৰু প্ৰযুক্তিগতভাৱে বিকৃত ভিডিঅ’ই বৰ্তমানৰ সংবাদ জগতত এক নতুন সংকটৰ সৃষ্টি কৰিছে। লগতে ৰাজনৈতিক আৰু কৰ্পোৰেট গোষ্ঠীৰ বৰ্ধিত প্ৰভাৱেও সংবাদ মাধ্যমৰ স্বতন্ত্ৰতাক আৰু অধিক সংকুচিত কৰি তুলিছে। দৰাচলতে বিশ্ব প্ৰেছ স্বাধীনতা সূচকাংকত ভাৰতৰ এই নিম্নগামী অৱস্থানে দেশখনৰ গণতান্ত্ৰিক মূল্যবোধৰ সুৰক্ষাৰ ক্ষেত্ৰত গভীৰ চিন্তাৰ উদ্ৰেক কৰিছে।

সংবাদ মাধ্যমৰ স্বাধীনতাৰ ধাৰণাটো আধুনিক মানৱ ইতিহাসৰ এক গুৰুত্বপূৰ্ণ অধ্যায়। জানিব পৰা মতে-১৭৬৬ চনত ছুইডেনে বিশ্বত প্ৰথমবাৰৰ বাবে সংবাদ মাধ্যমৰ স্বাধীনতাৰ বাবে আইন প্ৰণয়ন কৰিছিল। পৰৱৰ্তী সময়ত আমেৰিকাৰ সংবিধানৰ প্ৰথম সংশোধনীয়ে সংবাদ মাধ্যমৰ স্বাধীনতাক মৌলিক অধিকাৰ হিচাপে প্ৰতিষ্ঠা কৰে। ভাৰতৰ ক্ষেত্ৰত স্বাধীনতা আন্দোলনৰ সময়ত মহাত্মা গান্ধী, বাল গংগাধৰ তিলক, লালা লাজপত ৰায়, বিপিন চন্দ্ৰ পাল, মৌলানা আবুল কালাম আজাদৰ দৰে নেতাসকলে সংবাদ মাধ্যমক ব্ৰিটিছ শাসনৰ বিৰুদ্ধে শক্তিশালী অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছিল। তেওঁলোকে সম্পাদনা কৰা বিভিন্ন কাকত-পত্ৰ আৰু পত্ৰিকাসমূহে জাতীয়তাবাদী চেতনাক জাগ্ৰত কৰাৰ লগতে জনসাধাৰণৰ মাজত স্বাধীনতাৰ বোধ প্ৰসাৰিত কৰিছিল। তেওঁলোকৰ বাবে সাংবাদিকতা কেৱল সংবাদ প্ৰচাৰৰ মাধ্যম নহয়, বৰঞ্চ সমাজ সংস্কাৰ আৰু স্বাধীনতাৰ বাবে প্ৰশ্ন উত্থাপন কৰাৰ এক শক্তিশালী হাতিয়াৰ আছিল। অসমৰ সংবাদ জগতৰ ইতিহাসো এনে জাতীয়তাবাদী চেতনাৰে মহীয়ান। ১৮৪৬ চনত ‘অৰুণোদই’ৰ জৰিয়তে আৰম্ভ হোৱা যাত্ৰাই পৰৱৰ্তী সময়ত লক্ষ্মীনাথ বেজবৰুৱাৰ ‘বাঁহী’ আৰু চন্দ্ৰকুমাৰ আগৰৱালাৰ ‘অসমীয়া’ৰ দৰে পত্ৰিকাৰ জৰিয়তে অসমীয়া সমাজত বৌদ্ধিক আৰু সামাজিক নৱজাগৰণৰ সূচনা কৰিছিল। এই যুগান্তকাৰী সংবাদ বাহকসকলে সেই সময়তেই নিৰ্ভীক আৰু নিৰপেক্ষ সাংবাদিকতাৰ যি আদৰ্শ প্ৰতিষ্ঠা কৰি গৈছে, সেয়া আজিও আমাৰ বাবে এক প্ৰেৰণাৰ উৎস।

ভাৰতীয় সংবিধানৰ ১৯(১)(এ) অনুচ্ছেদৰ অধীনত প্ৰতিগৰাকী নাগৰিকক ‘বাক্ স্বাধীনতা আৰু মতামত প্ৰকাশৰ অধিকাৰ’ প্ৰদান কৰা হৈছে। যদিও সংবিধানে সংবাদ মাধ্যমৰ বাবে সুকীয়া অধিকাৰৰ কথা উল্লেখ কৰা নাই, উচ্চতম ন্যায়ালয়ৰ বিভিন্ন ৰায়দানত স্পষ্ট কৰা হৈছে যে, এই বাক্ স্বাধীনতাৰ পৰিসৰৰ ভিতৰতে সংবাদ মাধ্যমৰ স্বাধীনতাও অন্তৰ্ভুক্ত। সাংবাদিকৰ প্ৰশ্ন কৰাৰ অধিকাৰ এই সাংবিধানিক সুৰক্ষাৰ পৰাই উদ্ভৱ হৈছে। তথ্য জনাৰ অধিকাৰ (RTI) আইনে সাংবাদিকক চৰকাৰী তথ্য আহৰণত অধিক শক্তিশালী কৰি তুলিছে, যিয়ে প্ৰশ্ন উত্থাপনৰ বাবে বস্তুনিষ্ঠ ভিত্তি প্ৰদান কৰে। এই আইনে সাংবাদিকক চৰকাৰী ফাইল আৰু সিদ্ধান্তৰ ওপৰত পোনপটীয়া প্ৰশ্ন সোধাৰ আইনী শক্তি প্ৰদান কৰিছে। একেদৰে, চৰকাৰী গোপনীয়তা আইন আৰু আদালতৰ অৱমাননা আদি আইনী হেঙাৰসমূহৰ মাজতো সাংবাদিকে জনস্বাৰ্থত প্ৰশ্ন কৰাৰ এক সুৰক্ষিত কৱচ লাভ কৰিছে।

সাংবাদিকৰ হাতত থকা কলম আৰু মাইক্ৰ’ফোনটো আচলতে সমাজৰ বিবেকৰ প্ৰতিধ্বনি। যেতিয়া এজন সাংবাদিকে এজন শক্তিশালী নেতাক বা উচ্চপদস্থ বিষয়াক প্ৰশ্ন কৰে, তেতিয়া তেওঁ আচলতে সেইজন দৰিদ্ৰ খেতিয়কৰ হৈ প্ৰশ্ন কৰে- যাৰ খেতি পথাৰত পানী নাই, বা সেইগৰাকী ছাত্ৰীৰ হৈ প্ৰশ্ন কৰে- যিয়ে শিক্ষাৰ পৰা বঞ্চিত হৈছে। প্ৰশ্নই ক্ষমতাৰ অপব্যৱহাৰ ৰোধ কৰে আৰু যেতিয়া প্ৰশাসনক নিয়মীয়া ব্যৱধানত প্ৰশ্ন কৰা হয়, তেতিয়া তেওঁলোকৰ মাজত এক উত্তৰদায়ী মনোভাৱ গঢ়ি উঠে। কেৱল চৰকাৰী প্ৰেছ বিজ্ঞপ্তি প্ৰচাৰ কৰাটোৱেই সাংবাদিকতা নহয়, বৰঞ্চ সাংবাদিকৰ প্ৰকৃত শক্তি প্ৰকাশ পায় তেতিয়াহে, যেতিয়া তেওঁ কোনো এটা ঘটনাৰ অন্তৰালৰ সত্যটোক খুঁচৰি উলিয়াবলৈ ধাৰাবাহিকভাৱে প্ৰশ্ন কৰি যায়।

বৰ্তমান সময়ত বিশ্বজুৰি সাংবাদিকসকল বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে আৰু সাংবাদিকৰ কলমক স্তব্ধ কৰিবলৈ বিভিন্ন কৌশল ব্যৱহাৰ কৰা হৈছে। কোনো কোনো ক্ষেত্ৰত সাংবাদিকৰ বিৰুদ্ধে মানহানিৰ গোচৰ বা ৰাষ্ট্ৰদ্ৰোহৰ গোচৰ ৰুজু কৰি তেওঁলোকক আদালতৰ চক্ৰবেহুত আৱদ্ধ কৰাৰ অভিযোগ প্ৰায়ে উত্থাপন হোৱা দেখা যায়। চছিয়েল মিডিয়াৰ এই যুগটোত এজন সাংবাদিকে অপ্ৰিয় সত্য প্ৰকাশ কৰিলে বা প্ৰশ্ন কৰিলে তেওঁক ব্যক্তিগতভাৱে ডিজিটেল ট্ৰ’লিং আৰু ভয়-ভাবুকিৰ জৰিয়তে আক্ৰমণ কৰা হয়, যাৰ ফলত এক ভয়াৱহ পৰিৱেশৰ সৃষ্টি হয়। আনহাতে, চৰকাৰী বিজ্ঞাপন আৰু কৰ্পোৰেট পুঁজিৰ ওপৰত নিৰ্ভৰশীল সংবাদ মাধ্যমসমূহৰ প্ৰচাৰধৰ্মী মানসিকতাই জনসাধাৰণৰ পক্ষত থকাৰ পৰিৱৰ্তে ক্ষমতাৰ পক্ষত থকাৰ প্ৰৱণতাহে বৃদ্ধি কৰিছে। যিহেতু সাংবাদিকৰ প্ৰশ্নৰ শক্তি অসীম, গতিকে ইয়াৰ লগত জড়িত দায়িত্বও গধুৰ। যিকোনো সাংবাদিকে প্ৰশ্ন কৰাৰ সময়ত তথ্যৰ সত্যতাৰ প্ৰতি সজাগ হোৱাটো বাধ্যতামূলক যাতে প্ৰশ্নটো কেৱল অভিযোগ নহৈ বস্তুনিষ্ঠ হয়। লগতে কোনো ব্যক্তিৰ ব্যক্তিগত জীৱনৰ গোপনীয়তাক খৰ্ব নকৰাকৈ কেৱল সামাজিক বা ৰাজহুৱা স্বাৰ্থ থকা বিষয়তহে প্ৰশ্ন কৰা উচিত। উত্তেজনা সৃষ্টি কৰিব পৰা বা সাম্প্ৰদায়িক বিষবাষ্প বিয়পাব পৰা কোনো প্ৰশ্ন কৰাটো সাংবাদিকতাৰ নীতিৰ বিৰুদ্ধ। সংবাদ মাধ্যমৰ কাম হ’ল বিবাদৰ মাজত থকা বৈপৰীত্যসমূহ জনসাধাৰণৰ সন্মুখত দাঙি ধৰা, যাতে ৰাইজে সঠিক সিদ্ধান্ত ল’ব পাৰে। বৰ্তমান ডিজিটেল যুগত এজন স্বাধীন সাংবাদিকেও ইউটিউব বা ব্লগৰ জৰিয়তে ক্ষমতাৰ গৰাকীক প্ৰশ্ন কৰিব পাৰে। এই ব্যৱস্থাই তথ্যৰ গণতন্ত্ৰীকৰণ কৰিছে যদিও একে সময়তে ভুৱা বাতৰিৰ আশংকাও বৃদ্ধি কৰিছে। সেয়েহে সাংবাদিকৰ দায়িত্ব এই ক্ষেত্ৰত অধিক বৃদ্ধি পাইছে যাতে তেওঁলোকে সত্য আৰু অসত্যৰ মাজৰ পাৰ্থক্যটো ধৰা পেলাব পাৰে। সংবাদ মাধ্যমৰ স্বাধীনতা ৰক্ষা কৰাটো কেৱল সাংবাদিকৰে দায়িত্ব নহয়, ইয়াৰ বাবে চৰকাৰ আৰু জনসাধাৰণৰ সহযোগিতাৰো প্ৰয়োজন। চৰকাৰে সমালোচনাক গঠনমূলকভাৱে গ্ৰহণ কৰিবলৈ লব লাগিব আৰু জনসাধাৰণে সাংবাদিকক তেওঁলোকৰ প্ৰতিনিধি হিচাপে সুৰক্ষা দিব লাগিব। যেতিয়া এজন সাংবাদিকে নিৰ্ভয়ে প্ৰশ্ন কৰিব পাৰিব, তেতিয়াহে এখন ন্যায়সংগত সমাজ গঢ়ি উঠিব।

পৰিশেষত ক’ব পাৰি যে, সাংবাদিকৰ প্ৰশ্ন কৰাৰ অধিকাৰ সমাজৰ দিশনিৰ্দেশক শক্তি, যিয়ে অন্ধকাৰ দিশসমূহ উন্মোচিত কৰি সত্যক পোহৰলৈ আনে। য’ত প্ৰশ্ন কৰাৰ সাহস নাথাকে, তেনে সমাজত চিন্তাৰ বিকাশ স্থবিৰ হৈ পৰে। সজাগ আৰু যুক্তিসংগত প্ৰশ্নই নতুন চিন্তাৰ জন্ম দিয়ে, দুৰ্নীতিক নিয়ন্ত্ৰণ কৰে আৰু উন্নয়নৰ গতি ত্বৰান্বিত কৰে। সেয়ে সাংবাদিকসকলে নিজৰ কলমৰ ধাৰ সদায় তীক্ষ্ণ কৰি ৰাখিব লাগিব আৰু সাহসেৰে ক্ষমতাৰ সন্মুখীন হৈ সত্য উদঙাই দিব লাগিব। সাংবাদিকতা কেৱল এটা পেছা নহয়, ই এক দায়িত্বশীল সজাগ প্ৰহৰীৰ ব্ৰত। সমাজ আৰু সত্যৰ স্বাৰ্থত প্ৰশ্ন কৰাৰ ধাৰা অব্যাহত থকাটোৱেই এখন সুস্থ, সচেতন আৰু উন্নত ভৱিষ্যতৰ নিশ্চিতি হিচাপে বিবেচিত হ’ব পাৰে।

# বৰ্তমান সমাজত নাৰী সুৰক্ষাৰ প্ৰয়োজনীয়তা

### বন্তি বৰা

একবিংশ শতিকাৰ আধুনিক প্ৰযুক্তি বিজ্ঞানে মানুহক চন্দ্ৰৰ বুকু স্পৰ্শ কৰিবলৈ সক্ষম কৰাইছে যদিও সমাজৰ এটা গুৰুত্বপূৰ্ণ অংশ ‘নাৰী’ৰ সুৰক্ষাক লৈ আজিও সকলোৰে মনত আশংকা আছে। য’ত নাৰীক পূজা কৰা হয়, সেই দেশতেই নাৰী সুৰক্ষা আজিৰ এক চিন্তনীয় বিষয়। বৰ্তমান সময়ত নাৰী শিক্ষা আৰু স্বাৱলম্বনৰ দিশত আগবাঢ়ি গৈছে যদিও তেওঁলোকৰ নিৰাপত্তাৰ বিষয়টো এক গভীৰ সামাজিক সংকট হিচাপে থিয় দিছে। সাম্প্ৰতিক সময়ত অসমৰ পৰা আৰম্ভ কৰি সমগ্ৰ ভাৰতবৰ্ষতে নাৰীয়ে ঘৰৰ চাৰিবেৰৰ পৰা ওলাই আহি মহাকাশ বিজ্ঞান, প্ৰতিৰক্ষা, ক্ৰীড়া, সাহিত্য আৰু ৰাজনীতিত নিজৰ কৃতিত্ব প্ৰদৰ্শন কৰা দেখা গৈছে। হিমাদাস, লাভলীনা বৰগোহাঁই আদিৰ দৰে অসমীয়া জীয়ৰী বিশ্ব দৰবাৰত জিলিকি উঠিছে। কিন্তু এই ছবিখনৰ পৰিৱৰ্তে বৰ্তমান সমাজত আনএক বিপৰীতমুখী ছবিও দেখা যায়। যিখন সমাজত নাৰীক ‘শক্তি’ৰ ৰূপ বুলি গণ্য কৰা হয়, সেই একেখন সমাজতে কণমানি শিশুৰ পৰা বৃদ্ধাজনলৈকে কোনোৱেই যেন সম্পূৰ্ণৰূপে সুৰক্ষিত নহয়। বৰ্তমান সমাজত ধৰ্ষণ, হত্যা আৰু অপহৰণৰ দৰে জঘন্য অপৰাধ দিনক দিনে বৃদ্ধি পাই আহিছে। বিশেষকৈ নগৰীয়া অঞ্চলৰ তুলনাত গ্ৰাম্য অঞ্চলত ডাইনী হত্যা আৰু ঘৰুৱা হিংসাৰ দৰে ঘটনা এতিয়াও সম্পূৰ্ণৰূপে নিৰ্মূল হোৱা নাই। কৰ্মক্ষেত্ৰত মহিলাসকলে সন্মুখীন হোৱা যৌন নিৰ্যাতনো এক ডাঙৰ সমস্যা। ডিজিটেল যুগৰ অগ্ৰগতিৰ লগে লগে নাৰীৰ সুৰক্ষাৰ সংকট অনলাইন জগতখনতো বিয়পি পৰিছে। চচিয়েল মিডিয়াৰ জৰিয়তে ফটো বিকৃত কৰা, ব্লেকমেইলিং কৰা বা অশ্লীল মন্তব্য প্ৰদান কৰা কাৰ্যই কিশোৰী আৰু যুৱতীসকলক মানসিকভাৱে ভীতিগ্ৰস্ত কৰি তুলিছে। ইয়াৰ উপৰি অন্ধবিশ্বাসৰ বলি হৈ বহু মহিলাই আজিও নিৰ্যাতন ভোগ কৰি আছে। নিশাৰ ভাগত বা নিৰ্জন ঠাইত অকলে ভ্ৰমণ কৰাটো নাৰীৰ বাবে আজিও এক চিন্তনীয় বিষয়। ৰাজহুৱা পৰিবহণ ব্যৱস্থাত হোৱা অশালীন ব্যৱহাৰে নাৰীক মানসিকভাৱে অসুৰক্ষিত অনুভৱ কৰায়। ভাৰতীয় সংবিধান আৰু আইন ব্যৱস্থাত নাৰী সুৰক্ষাৰ বাবে কঠোৰ আইন বলবৎ হৈছে। ‘POCSO’ আইনৰ পৰা আৰম্ভ কৰি ‘ঘৰুৱা হিংসা প্ৰতিৰোধ আইন’লৈকে বহু ধাৰা আছে আৰু শেহতীয়াকৈ অসম চৰকাৰে বাল্য বিবাহৰ বিৰুদ্ধে লোৱা কঠোৰ অভিযান, ‘অৰুণোদয়’ৰ দৰে আঁচনি আৰু লাখপতি বাইদেউ আঁচনিয়ে নাৰীক অৰ্থনৈতিকভাৱে সহায় কৰিছে। যদিও কেৱল আইনেই নাৰীক সুৰক্ষা দিব নোৱাৰে যদিহে সমাজৰ মানসিকতা পৰিৱৰ্তন নহয়। এজনী ছোৱালীক সুৰক্ষা দিয়াৰ আগতে প্ৰথমে নিজৰ ঘৰত ল’ৰাটোক নাৰীক সন্মান কৰিবলৈ শিকোৱাটো অতি প্ৰয়োজনীয়। লিংগ বৈষম্য ঘৰৰ পৰাই দূৰ কৰিব লাগিব। বিদ্যালয় আৰু মহাবিদ্যালয়সমূহত ছাত্ৰীসকলক আত্মৰক্ষাৰ কৌশল (যেনে- জুডো, কাৰাটে) শিকোৱাটো বাধ্যতামূলক কৰিব লাগে। চচিয়েল মিডিয়া আৰু সংবাদ মাধ্যমে নাৰীৰ অধিকাৰৰ বিষয়ে অধিক সজাগতা সৃষ্টি কৰিব লাগে। নাৰী সুৰক্ষা কেৱল চৰকাৰ বা আৰক্ষীৰ দায়িত্ব নহয়, ই সমগ্ৰ সমাজৰে দায়িত্ব। যিদিনা এজনী ছোৱালীয়ে মাজনিশা নিৰ্ভয়ে ৰাজপথেৰে খোজ কাঢ়ি যাব পাৰিব, সেইদিনাহে আমি আমাৰ সমাজখনক প্ৰকৃততে ‘আধুনিক’ বা ‘সুৰক্ষিত’ বুলি ক’ব পাৰিম। নাৰীক দয়া নহয়, তেওঁলোকৰ অধিকাৰ আৰু মৰ্যাদা প্ৰদান কৰাটোৱেই হ’ব সমাজৰ আটাইতকৈ ডাঙৰ সফলতা।

# অসম বিজেপিত ‘চিপৰাং মৰা’ ৰাজনীতিৰ অঘোষিত কুৰুক্ষেত্ৰ

### চন্দন কুমাৰ নাথ

ৰাজনীতিৰ পথাৰখনত ‘চিপৰাং মৰা’ বা নিজৰেই সতীৰ্থক কৌশলেৰে ধৰাশায়ী কৰা প্ৰৱণতাটো কোনো নতুন কথা নহয়। ক্ষমতাৰ লালসা আৰু পদবীৰ প্ৰতি থকা দুৰ্বাৰ আকৰ্ষণে বহু সময়ত ৰাজনৈতিক নেতাসকলক এনে এক পৰ্যায়লৈ লৈ যায় য’ত দলীয় আদৰ্শ আৰু অনুশাসন কেৱল কাগজে-পত্ৰই সীমাৱদ্ধ হৈ ৰয়। সাম্প্ৰতিক সময়ত অসমৰ ৰাজনৈতিক প্ৰেক্ষাপট, বিশেষকৈ শাসকীয় ভাৰতীয় জনতা পাৰ্টিৰ (বিজেপি) অভ্যন্তৰীণ পৰিৱেশলৈ লক্ষ্য কৰিলে এই ‘চিপৰাং মৰা’ ৰাজনীতিৰ এক সূক্ষ্ম অথচ স্পষ্ট প্ৰতিচ্ছবি দেখিবলৈ পোৱা যায়। এখন সুশৃংখল আৰু কেডাৰ-ভিত্তিক দল হিচাপে নিজকে দাবী কৰা বিজেপিৰ ভিতৰচ’ৰাত শেহতীয়াকৈ যিবোৰ ঘাত-প্ৰতিঘাত আৰু শীতল যুদ্ধৰ সূত্ৰপাত ঘটিছে, সেয়া ৰাজ্যখনৰ ভৱিষ্যত ৰাজনীতিৰ বাবে এক গভীৰ চিন্তা আৰু বিশ্লেষণৰ বিষয়।

বিগত প্ৰায় এক দশকত অসমত বিজেপিৰ যি অভূতপূৰ্ব উত্থান ঘটিল, তাৰ আঁৰত আছিল ৰাজ্যখনৰ খিলঞ্জীয়া জনসাধাৰণৰ এক গভীৰ আৱেগ আৰু পৰিৱৰ্তনৰ আশা। কংগ্ৰেছৰ দীঘলীয়া শাসনকালৰ দুৰ্নীতি, স্বজনপ্ৰীতি আৰু স্থবিৰতাৰ বিপৰীতে বিজেপিয়ে এক নিকা আৰু গতিশীল প্ৰশাসনৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু সময়ৰ লগে লগে, ক্ষমতাৰ সোৱাদ পোৱাৰ পিছত দলটোৰ অভ্যন্তৰত এক অস্বাভাৱিক পৰিৱৰ্তন পৰিলক্ষিত হৈছে। বৰ্তমান অসম বিজেপিত আটাইতকৈ চৰ্চিত বিষয়টোৱেই হৈছে ‘আদি বিজেপি’ আৰু ‘নৱাগত বিজেপি’ৰ মাজৰ অঘোষিত সংঘাত। যিসকল তৃণমূল পৰ্যায়ৰ কৰ্মী আৰু নেতাই ত্যাগ আৰু কষ্টৰে দলটোক শূন্যৰ পৰা শিখৰলৈ লৈ গৈছিল, তেওঁলোকৰ বহুতেই আজি নিজৰ দলতেই অৱহেলিত আৰু প্ৰান্তিকীকৰণৰ বলি হোৱা বুলি অনুভৱ কৰিছে। আনহাতে, ক্ষমতাৰ সুবাস পাই অন্য দলৰ পৰা, বিশেষকৈ কংগ্ৰেছৰ পৰা আহি বিজেপিত যোগদান কৰা একাংশ নেতাই দলৰ গুৰুত্বপূৰ্ণ পদবী আৰু ক্ষমতা দখল কৰিবলৈ সক্ষম হৈছে। এই পৰিস্থিতিয়েই দলৰ ভিতৰত জন্ম দিছে এক তীব্ৰ অসন্তুষ্টিৰ, যিয়ে লাহে লাহে ‘চিপৰাং মৰা’ ৰাজনীতিৰ ৰূপ লৈছে। শেহতীয়া নিৰ্বাচনসমূহ আৰু দলীয় মজিয়াত ঘটা কেতবোৰ পৰিঘটনাই এই অন্তৰ্কন্দলক অধিক স্পষ্ট কৰি তুলিছে। প্ৰাৰ্থী নিৰ্বাচনৰ পৰা আৰম্ভ কৰি চৰকাৰী আঁচনিৰ ৰূপায়ণলৈকে প্ৰতিটো ক্ষেত্ৰতে নিজৰ প্ৰতিপত্তি বিস্তাৰৰ বাবে নেতাসকলৰ মাজত এক অঘোষিত প্ৰতিযোগিতা চলিছে। যেতিয়া এজন পুৰণি আৰু নিষ্ঠাৱান নেতাক আঁতৰাই এজন নতুনকৈ অহা ব্যক্তিক টিকট বা পদবী প্ৰদান কৰা হয়, তেতিয়া স্বাভাৱিকতেই তাত ক্ষোভৰ সৃষ্টি হয়। এই ক্ষোভে মুকলি বিদ্ৰোহৰ ৰূপ নোলোৱাকৈ এক গোপন সমীকৰণৰ সৃষ্টি কৰে। নিৰ্বাচনৰ সময়ত নিজৰেই দলৰ প্ৰাৰ্থীক পৰাজিত কৰাৰ বাবে গোপন ব্লুপ্ৰিণ্ট ৰচনা কৰা, বিৰোধীৰ সৈতে গোপন বুজাবুজি কৰা, বা প্ৰচাৰ অভিযানত নিষ্ক্ৰিয় হৈ থকা, এইবোৰেই হৈছে সাম্প্ৰতিক সময়ৰ ‘চিপৰাং মৰা’ ৰাজনীতিৰ আধুনিক সংস্কৰণ। অসমৰ কেইবাখনো জিলাত আৰু শেহতীয়া পঞ্চায়ত, পৌৰসভা বা অন্যান্য নিৰ্বাচনী যুঁজত এনে ভিতৰুৱা সংঘাতৰ বাবেই দলে নিশ্চিত জয়ৰ পৰা বঞ্চিত হ’বলগীয়া হোৱাৰ ইতিহাস আছে, যিবোৰ সংবাদ মাধ্যমত সঘনাই চৰ্চিত হৈছে। বিশে-ষকসকলৰ মতে, এই পৰিস্থিতিৰ বাবে কেৱল স্থানীয় নেতাসকলেই দায়ী নহয়; বৰঞ্চ ৰাজ্যিক আৰু কেন্দ্ৰীয় নেতৃত্বৰ নীতি-নিৰ্ধাৰণো বহুখিনি জগৰীয়া। নিৰ্বাচনত জয়লাভ কৰাটোকেই একমাত্ৰ লক্ষ্য হিচাপে লৈ অন্য দলৰ পৰা নেতা আমদানি কৰা নীতিয়ে সাময়িকভাৱে লাভান্বিত কৰিলেও, দীৰ্ঘম্যাদী সময়ত ই দলৰ সাংগঠনিক ভেটি দুৰ্বল কৰি তোলে। ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ (আৰ এছ এছ)ৰ দৰে এক শক্তিশালী আদৰ্শগত ভেটি থকাৰ পিছতো আজিৰ তাৰিখত অসম বিজেপিত আদৰ্শৰ স্থান যেন ক্ৰমান্বয়ে ম্লান পৰি আহিছে। ক্ষমতা কেন্দ্ৰীক ৰাজনীতিত আদৰ্শৰ সলনি সুবিধাবাদে গা কৰি উঠিছে। ফলস্বৰূপে, মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ, নিগম-নিকায়ৰ অধ্যক্ষ নিযুক্তি আদি প্ৰতিটো পদক্ষেপতেই নেতাসকলৰ মাজত লবী-কেন্দ্ৰিক অৰিয়াঅৰি দেখিবলৈ পোৱা যায়। এজন নেতাই আন এজনৰ প্ৰভাৱ খৰ্ব কৰিবলৈ চলোৱা এই নিৰন্তৰ প্ৰয়াসেই দলৰ ভিতৰচ’ৰাক একপ্ৰকাৰৰ কুৰুক্ষেত্ৰলৈ পৰিণত কৰিছে।

এই ‘চিপৰাং মৰা’ ৰাজনীতিৰ আটাইতকৈ নেতিবাচক প্ৰভাৱ পৰে সাধাৰণ ৰাইজ আৰু ৰাজ্যৰ উন্নয়নৰ ওপৰত। যেতিয়া শাসকীয় দলৰ নেতাসকল নিজৰ চকীত খামুচি ধৰি ৰাখিবলৈ বা প্ৰতিদ্বন্দ্বীক বগৰাবলৈ অহৰহ ষড়যন্ত্ৰত লিপ্ত থাকিবলগীয়া হয়, তেতিয়া স্বাভাৱিকতেই প্ৰশাসন যন্ত্ৰৰ পৰা তেওঁলোকৰ মনোযোগ আঁতৰি যায়। চৰকাৰী আঁচনিসমূহৰ সঠিক ৰূপায়ণতকৈ নিজৰ সমষ্টিত আধিপত্য বিস্তাৰ কৰাটোহে তেওঁলোকৰ বাবে মুখ্য হৈ পৰে। ইয়াৰ উপৰিও, দুৰ্নীতি নিৰ্মূলৰ যি প্ৰতিশ্ৰুতি দি চৰকাৰ শাসনলৈ আহিছিল, তেনে ক্ষেত্ৰতো এই অভ্যন্তৰীণ সংঘাতে হেঙাৰৰ সৃষ্টি কৰে। কিয়নো, নিজৰ সমৰ্থকসকলক সন্তুষ্ট ৰাখিবলৈ গৈ নেতাসকলে বহু সময়ত দুৰ্নীতিক প্ৰশ্ৰয় দিবলৈ বাধ্য হয় বা আনৰ দুৰ্নীতিৰ প্ৰতি চকু মুদি থাকিবলগীয়া হয়। গণতান্ত্ৰিক ব্যৱস্থাত এক সবল আৰু সুস্থিৰ চৰকাৰৰ প্ৰয়োজনীয়তা অপৰিসীম। কিন্তু চৰকাৰৰ নেতৃত্ব দিয়া দলটোৰ অভ্যন্তৰত যদি অৱিৰতভাৱে এনে ‘চিপৰাং মৰা’ আৰু সুবিধাবাদী ৰাজনীতি চলি থাকে, তেন্তে ই ৰাজ্যৰ গণতান্ত্ৰিক পৰিৱেশ কলুষিত কৰে। অসমৰ জনসাধাৰণে বহু আশাৰে যিখন চৰকাৰ নিৰ্বাচন কৰিছিল, সেই চৰকাৰৰ অংশীদাৰসকলে ৰাইজৰ স্বাৰ্থতকৈ ব্যক্তিগত আৰু গোটৰ স্বাৰ্থক অগ্ৰাধিকাৰ দিয়াটো একপ্ৰকাৰৰ প্ৰতাৰণা। ৰাজনৈতিক বিশ্লেষক হিচাপে এই কথা ক’ব পাৰি যে, বিজেপিয়ে যদি সময় থাকোঁতেই নিজৰ দলীয় মজিয়াৰ এই বিভেদ আৰু ক্ষোভৰ জুইকুৰা নিৰ্বাপিত কৰিব নোৱাৰে, তেন্তে ভৱিষ্যতে ই এক ভয়াৱহ ৰূপ ধাৰণ কৰিব। ইতিহাস সাক্ষী আছে যে, অতিৰিক্ত আত্মবিশ্বাস আৰু অভ্যন্তৰীণ সংঘাতেই ভাৰতৰ বহু শক্তিশালী ৰাজনৈতিক দলৰ পতনৰ মূল কাৰণ হৈ পৰিছিল। কংগ্ৰেছৰ যি অৱস্থাৰ বাবে আজি তেওঁলোক বিৰোধীৰ আসনত, সেই একেই ভুলৰ পুনৰাবৃত্তি এতিয়া শাসকীয় শিবিৰতো ঘটিবলৈ ধৰিছে।

ৰাজনীতি কেৱল ক্ষমতা দখলৰ অংক নহয়; ই সমাজ সেৱা আৰু ৰাষ্ট্ৰ নিৰ্মাণৰ এক পবিত্ৰ মাধ্যম। অসমৰ দৰে এখন সমস্যাজৰ্জৰ ৰাজ্যত নেতাসকলৰ পৰা ৰাইজে এক গঠনমূলক আৰু দূৰদৰ্শী নেতৃত্ব আশা কৰে। ‘চিপৰাং মৰা’, পৰস্পৰক দোষাৰোপ কৰা বা নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে দলীয় শৃংখলা ভংগ কৰা কাৰ্যই কেতিয়াও এখন সুস্থ সমাজ গঢ়ি তুলিব নোৱাৰে। শাসকীয় দলটোৰ শীৰ্ষ নেতৃত্বই অতি সোনকালেই এই বাস্তৱ উপলব্ধি কৰি তৃণমূল পৰ্যায়ৰ আৱেগ আৰু অভিজ্ঞ নেতাসকলৰ মৰ্যাদা পুনৰ প্ৰতিষ্ঠা কৰাৰ লগতে সুবিধাবাদী ৰাজনীতিক নিয়ন্ত্ৰণ কৰাটো সময়ৰ আহ্বান। অন্যথা, ৰাজনৈতিক পথাৰত চলোৱা এই ‘চিপৰাং’ এদিন নিজৰেই ভৰিৰ তলৰ মাটি খন্দাৰ অস্ত্ৰলৈ ৰূপান্তৰিত হোৱাটো অৱধাৰিত।

## গোসাঁইগাঁৱৰ চৌধুৰী ঘাটত অস্ত্ৰ উদ্ধাৰ

**অসম বাৰ্তা, গোসাঁইগাঁও, ২ মে’** ঃ গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত অসম বংগ সীমান্তৰ ৰাইমনা ৰেঞ্জৰ নিচেই কাষত চৌধুৰী ঘাট নামৰ ঠাইত গোসাঁইগাঁও আৰক্ষীয়ে এটা হস্ত নিৰ্মিত বন্দুক উদ্ধাৰ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে আজি গোসাঁইগাঁও মহকুমাৰ আৰক্ষী অধীক্ষক মণ্টুৰাম বৰাই এক গোপন সূত্ৰৰ পম খেদি ৰাজা নাৰ্জাৰী নামৰ ব্যক্তি এজনৰ কল খেতি পহৰা দিবলৈ বনোৱা এখন চাং( টুঙী) ঘৰৰ পৰা এটা হস্ত নিৰ্মিত বন্দুক আৰু এটা হেলমেট উদ্ধাৰ কৰে। অৱশ্যে তাত কোনো গুলি পোৱা নাই বুলি আৰক্ষী অধীক্ষক জনে সাংবাদিকৰ আগত প্ৰকাশ কৰে। আৰক্ষীয়ে কল খেতি পহৰা দি থকা নিপুণ নাৰ্জাৰী আৰু বিন্ধা নাৰ্জাৰীক আটক কৰি সোধ-পোচ কৰি আছে বুলি আৰক্ষীয়ে জানিবলৈ দিয়ে।

**শাৰীৰিক আৰু মানসিক পৰিশ্ৰম এক হ’লে সফলতা অনিবাৰ্য ঃ সুদাম দাস**

# পলাশবাৰী গাঁওপ্ৰধান সন্থাৰ উদ্যোগত কৃতি ছাত্ৰীক সম্বৰ্ধনা

**অসম বাৰ্তা, মিৰ্জা, ২ মে’** ঃঃ পলাশবাৰী ৰাজহ চক্ৰৰ গাঁও প্ৰধান সন্থাৰ উদ্যোগত পলাশবাৰী ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ত আজি এখনি সম্বৰ্ধনা সভা অনুষ্ঠিত কৰা হয়। যোৱাবেলিৰ পৰা পলাশবাৰী ৰাজহ চক্ৰৰ গাঁও প্ৰধান সন্থাই হাইস্কুল বা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা সন্থাৰ অধীনৰ গাওঁপ্ৰধান সকলৰ ল’ৰা ছোৱালীক বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰি তেওঁলোকক উৎসাহিত কৰাৰ প্ৰয়াস কৰি আহিছে। একেদৰে এইবেলি হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা জজি গাৱৰ গাঁও প্ৰধান অমৰেন্দ্ৰ পাটোৱাৰীৰ জীয়ৰী বিদিশা পাটোৱাৰী আৰু



১নং আমতলা গাৱৰ গাঁও প্ৰধান নীলমণি দাসৰ জীয়ৰী ধনস্মিতা দাসক সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে এখনি সভা অনুষ্ঠিত কৰা হয়। সন্থাৰ সম্পাদক অসীম দাসে আঁত ধৰা উক্ত সভাত সভাপতিত্ব কৰে সন্থাৰ সভাপতি ফণীন্দ্ৰ চন্দ্ৰ দাসে। সভাৰ উদ্দেশ্যে ব্যাখ্যাৰ পিছতে গাওঁপ্ৰধান অমৰেন্দ্ৰ পাটোৱাৰী, অমৰেন্দ্ৰ পাটোৱাৰীৰ সহধৰ্মিনী শিক্ষয়ত্ৰী অঞ্জুমণি পাটোৱাৰী আৰু গাওঁপ্ৰধান নীলমণি দাসক সন্থাৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অমৰেন্দ্ৰ পাটোৱাৰীক সম্বৰ্ধনা জ্ঞাপন কৰে সন্থাৰ উপদেষ্টা সুদাম দাসে। শিক্ষয়ত্ৰী অঞ্জুমণি পাটোৱাৰীক সম্বৰ্ধনা জ্ঞাপন কৰে সন্থাৰ উপ-সভাপতি সৰ্বেশ্বৰ দাসে। গাঁওপ্ৰধান নীলমণি দাসক সম্বৰ্ধনা জ্ঞাপন কৰে সন্থাৰ সভাপতি ফণীন্দ্ৰ চন্দ্ৰ দাসে। ইয়াৰ পিছতে কৃতি ছাত্ৰী বিদিশা পাটোৱাৰী আৰু ধনস্মিতা দাসক একোখনকৈ ফুলাম গামোচা, জাপি, শৰাই, আৰু মানপত্ৰৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। ইফালে সন্থাৰ উপদেষ্টা, গাঁও প্ৰধান ও শিক্ষক সুদাম দাসে দুয়োগৰাকী ছাত্ৰীক কিতাপ উপহাৰ হিচাপে প্ৰদান কৰে। সম্বৰ্ধনা লাভৰ পিছতে দুয়োগৰাকী ছাত্ৰীয়ে সভাত উপস্থিত থকা সকলক সম্বোধন কৰি আটাইৰে পৰা আশীৰ্বাদ কামনা কৰে। সভাত কেইবাগৰাকী গাওঁপ্ৰধানে নিজৰ নিজৰ মনৰ কথা প্ৰকাশ কৰাৰ লগতে ছাত্ৰী দুয়োগৰাকীক বিভিন্ন দিহা পৰামৰ্শ আগবঢ়াই। সভাত সুদাম দাসে ছাত্ৰী দুগৰাকীক উদ্দেশ্য কৰি ভাষণ প্ৰদান কৰে। আগন্তুক দিনত প্ৰতিটো দিশ চালি জাৰি চাই প্ৰতিটো খোজ দিবলৈ কোৱাৰ লগতে শাৰীৰিক আৰু মানসিক পৰিশ্ৰম এক হ’লে সফলতা এদিন হ’লেও আহিব বুলি তেওঁ কয়। সভাখনত মোবাইলৰ ব্যৱহাৰ, বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী ভাল কৰ্ম, বেয়া কৰ্ম তথা বিভিন্ন দিশৰ সমস্যা ও সফলতাৰ পিছৰ মাদকতা আদি আটাইবোৰ দিশত বিষদভাৱে আলোচনা কৰা হয়। শেষত সভাৰ সভাপতি ফণীন্দ্ৰ চন্দ্ৰ দাসে তেওঁৰ সাৱলীল ভাষণ প্ৰদান কৰি সভা ভংগ দিয়ে।

## ভাৰতীয় চাহ বৰ্ডৰ নিয়ম উলংঘা কৰি ক্ষুদ্ৰ চাহ খেতিয়কক এম. বি. পি. নিদিয়া চাহ কলঘৰ বন্ধৰ নিৰ্দেশ ভাৰতীয় চহ ব’ৰ্ডৰ

**অসম বাৰ্তা, নকছাৰি, ২ মে’** ঃ চাহ উদ্যোগটিৰ নিয়ন্ত্ৰণৰ বাবে ভাৰতীয় চাহ বৰ্ড নামেৰে চৰকাৰৰ এটা বিভাগ আছে। অসমৰ ক্ষুদ্ৰ চাহ খেতি থকা প্ৰায় জিলাতে ভাৰতীয় চাহ বৰ্ডৰ কাৰ্যালয় আছে আৰু সেই কাৰ্য্যালয়ৰ নিয়ম নিৰ্দেশনাৰ মাজেদি কলঘৰ সমূহ পৰিচালিত হয়। উল্লেখযোগ্য যে সেই জিলা সমূহত একোখনকৈ কেঁচা চাহ পাতৰ মূল্য নিৰীক্ষণৰ বাবে জিলা মণিটৰিং সমিতিও আছে যাৰ সভাপতি জিলা আয়ুক্ত। বিগত সময়চোৱাত দেখিবলৈ পোৱা গৈছে এই মণিতৰিং সমিতিৰ সিদ্ধান্তও কলঘৰ সমূহে নামানে। অসম থকা কলঘৰ সমূহে ভাৰতীয় চাহ বৰ্ডৰ নিয়ম উলংঘা কৰি ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ ন্যায্য প্ৰাপ্তিৰ পৰা বঞ্চিত কৰি আহিছে। এনেবোৰৰ বাবেই ভাৰতীয় চাহ বৰ্ডক সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ তৰফৰ পৰা ধাৰাবাহিক ভাৱে প্ৰতিবাদ জনাই আহিছে। সন্থাৰ হেঁচাৰ ফলত অৱশেষত সেও মানিবলৈ বাধ্য হৈছে নিয়ম উলংঘা কৰা চাহ ফেক্টৰীসমূহ। চাহ খেতিয়কক চৰকাৰীভাৱে নিৰ্ধাৰিত ন্যূনতম সমৰ্থন মূল্য (M.B.P.) প্ৰদান নকৰাৰ গুৰুতৰ অভিযোগত ভাৰতীয় চাহ ব’ৰ্ডে ৰাজ্যৰ ৮টা চাহ ফেক্টৰী সাময়িক বন্ধ কৰাৰ এক ঐতিহাসিক নিৰ্দেশ জাৰি কৰিছে। উল্লেখ্য যে, বিগত বৰ্ষত চাহ ব’ৰ্ডে M.B.P. প্ৰদান নকৰা ফেক্টৰীসমূহক জাননী জাৰি কৰি নিয়ম অনুসৰি মূল্য আদায় দিবলৈ নিৰ্দেশ দিছিল। কিন্তু একাংশ ফেক্টৰী কৰ্তৃপক্ষই ব’ৰ্ডৰ এই নিৰ্দেশক বৃদ্ধাংগুষ্ঠ দেখুৱাই খেতিয়কসকলক প্ৰাপ্যৰ পৰা বঞ্চিত কৰি আহিছিল। এই সন্দৰ্ভত সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাই তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰি আহিছিল। সন্থাৰ সভাপতি ৰাজেন বৰাই উল্লেখ কৰি কয় যে, চাহ ব’ৰ্ডৰ গুৱাহাটী কাৰ্যালয়ৰ কাৰ্যবাহী সঞ্চালিকাৰ পৰা এই সিদ্ধান্তৰ বিষয়ে জানিবলৈ পাইছে। ৰাজ্যিক সমিতিৰ সভাপতি ৰাজেন বৰাই ইয়াক সদৌ অসম ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ এক ‘ঐতিহাসিক জয়’ বুলি অভিহিত কৰিছে। তেওঁ কয়, “চাহ ব’ৰ্ডে খেতিয়কৰ স্বাৰ্থত গ্ৰহণ কৰা এই পদক্ষেপ অত্যন্ত আদৰণীয়। যিমান দিনলৈকে এই ফেক্টৰীসমূহে লিখিতভাৱে M.B.P. প্ৰদানৰ প্ৰতিশ্ৰুতি নিদিয়ে, সিমান দিনলৈকে ফেক্টৰী খুলিবলৈ দিয়া নহ’ব।” সন্থাৰ সভাপতি ৰাজেন বৰাই প্ৰতিখন জিলা আৰু আঞ্চলিক সমিতিক এই ক্ষেত্ৰত তীক্ষ্ণ দৃষ্টি ৰাখিবলৈ আহ্বান জনাইছে। খেতিয়কৰ প্ৰাপ্য অধিকাৰ সুৰক্ষিত কৰাৰ এই যুঁজত সন্থা সদায় দৃঢ়তাৰে থিয় দিয়াৰ লগতে সংগ্ৰাম চলাই যাব আৰু প্ৰতিজন ক্ষুদ্ৰ চাহ খেতিয়কৰ সুৰক্ষাৰ বাবে সন্থাই কাম কৰি আছে আৰু কৰি যাব বুলি সভাপতি ৰাজেন বৰাই মন্তব্য আগবঢ়ায়।

## এশ শতাংশ উত্তীৰ্ণৰে “নিলোৎপল ডেকা চিনিয়ৰ চেকেণ্ডেৰী স্কুল”ৰ সাফল্য



**অসম বাৰ্তা, বেবেজীয়া, ২ মে’** ঃ সদ্য ঘোষিত দ্বাদশ শ্ৰেণীৰ চূড়ান্ত পৰীক্ষাৰ ফলাফলে বেবেজীয়াৰ সমিপৰ বাৰপূজীয়া অঞ্চলৰ একমাত্ৰ ব্যক্তিগত খণ্ডৰ চিনিয়ৰ চেকেণ্ডেৰী শিক্ষানুষ্ঠান(কলা শাখা) নিলোৎপল ডেকা চিনিয়ৰ চেকেণ্ডেৰী স্কুলে নিকতৱৰ্তী ৰহা-বাৰপূজীয়া তিনিটা কেন্দ্ৰৰ ভিতৰত প্ৰথম হৈ অঞ্চলটোলৈ সুনাম আজুৰি আনিবলৈ সক্ষম হৈছে। এই বৰ্ষত শিক্ষানুষ্ঠানখনিৰ পৰা পৰীক্ষাত অৱতীৰ্ণ হোৱা ৭০ গৰাকী ছাত্ৰ-ছাত্ৰী আটাইকেইগৰাকী উত্তীৰ্ণ হয়। ইয়াৰে ডিষ্টিংচন লাভ কৰা ৯ গৰাকী ক্ৰমে- তৃষ্ণা ডেকা ৯২.২ শতাংশ, যশশ্ৰী দেৱী, ৰিকি গগৈ আৰু কৰিস্মিতা দাস ৯১ শতাংশ, ৰশ্মিৰেখা ডেকা ৯০ শতাংশ, ডলীস্মিতা দেৱী ৮৮.৬ শতাংশ, নিমিক্ষা বৰুৱা ৮৮.২ শতাংশ, তন্ময়ী দেৱী ৮৭.৮ শতাংশ, দীক্ষিতা বৰা ৮৬.২ শতাংশ, লগতে ৮ গৰাকী ষ্টাৰ নম্বৰ সহ মুঠ ৪২ গৰাকী প্ৰথম বিভাগত। ১৯ গৰাকী দ্বিতীয় বিভাগত আৰু ৯ গৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হয়। উল্লেখযোগ্য যে ডিষ্টিংচন লাভ কৰা যশশ্ৰী দেৱীয়ে ভূগোল বিষয়ত ৰাজ্যৰ ভিতৰত সৰ্বোচ্চ নম্বৰ ৯৮ শতাংশ পাবলৈ সক্ষম হয়। অধ্যক্ষ সুৰজিত ডেকাই প্ৰতি গৰাকী ছাত্ৰ-ছাত্ৰীক উষ্ম আদৰণী জনাই শৈক্ষিক জীৱনৰ উত্তৰণ কামনা কৰে। ভৰ্তি মাছুল নোলোৱাকৈ নাম ভৰ্তি কৰি ছাত্ৰ-ছাত্ৰীক শৈক্ষিক সুবিধা প্ৰদান কৰা শিক্ষানুষ্ঠান খনিৰ সফলতাৰ বাবে স্থানীয় ৰাইজে শিক্ষক সকলৰ ভূয়সী প্ৰশংসা কৰে।

# সদৌ তাই আহোম ছাত্ৰ সন্থা শিৱসাগৰ মহকুমা সমিতিৰ যৌথ উদ্যোগত কুইজ প্ৰতিযোগিতা আৰু বক্তৃতানুষ্ঠান

**ষ্টাফ ৰিপ’ৰ্টাৰ, শিৱসাগৰ, ২ মে’** ঃ জাগৰণ দ্য ৰাইজিং চান, বালাৰ্ক ত্ৰৈমাসিক পত্ৰিকা, সদৌ তাই আহোম ছাত্ৰ সন্থা শিৱসাগৰ মহকুমা সমিতিৰ যৌথ উদ্যোগত ঐতিহাসিক শিৱসাগৰ জিলাৰ যুৱদলত যোৱা ২৬ এপ্ৰিল তাৰিখে দিনজোৰা কাৰ্যসূচীৰে এখনি কুইজ প্ৰতিযোগিতা আৰু বক্তৃতানুষ্ঠান অনুষ্ঠিত হৈ যায়। পতাকা উত্তোলনেৰে অনুষ্ঠানৰ আৰম্ভণি কৰা হয়। তাৰ পাছতে জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰা হয়। প্ৰতিযোগিতাখনি উদ্বোধন কৰে অম্লান জ্যোতি গগৈয়ে। উল্লেখযোগ্য যে অসম বিভিন্ন প্ৰান্তৰ পৰা অহা ২৬টা দলে এই প্ৰতিযোগিতাখনিত অংশগ্ৰহণ কৰে। কুইজ প্ৰতিযোগিতাখনি উদ্বোধন কৰে স্থানীয় বিধায়ক অখিল গগৈৰ হৈ তেওঁৰ ব্যক্তিগত সহায়ক অম্লান জ্যোতি গগৈয়ে। উদ্বোধনী সভাত উপস্থিত থাকে জাগৰণ আৰু বালাৰ্কৰ সভাপতি, মুখ্য সম্পাদক তথা সম্পাদক। তুমুল প্ৰতিদ্বন্দ্বিতাৰ অন্তত প্ৰথম পুৰস্কাৰ লাভ কৰা বিবেক বৰ্মন-সুৰজ আহমেদৰ যুটিক নগদ ধন, মানপত্ৰ আৰু কনকলতা মহন্ত সোঁৱৰণী চলন্ত ট্ৰফী প্ৰদান কৰা হয়। স্বৰ্গীয় নগেন গগৈ আৰু স্বৰ্গীয় সৰুমাই গগৈ সোঁৱৰণী দ্বিতীয় পুৰস্কাৰ লাভ কৰে বৰ্ণিল গগৈ আৰু সৌৰনীল গগৈৰ দলে। স্বৰ্গীয় দেবেশ্বৰ বৰুৱা সোঁৱৰণী তৃতীয় পুৰস্কাৰ লাভ কৰে আকাংক্ষা দত্ত আৰু শৰ্মিষ্ঠা দাসৰ দলে। পৰ্যায়ক্ৰমে চতুৰ্থ, পঞ্চম, ষষ্ঠ, সপ্তম, অষ্টম স্থান লাভ কৰে যোগজ্যোতি ওৱাং আৰু শিৱম জ্যোতি ওৱাংৰ দলে, কৃতাৰ্থ কাকতিয়ে, মানস প্ৰতীম দাস উৰ্বী ভৰদ্বাজৰ দলে, তুহিন কোঁৱৰ নিশিতা দুৱৰাৰ দলে, অন্বেশা ফুকন আৰু স্মৃতিচায়া বৰাৰ দলে। কুইজ প্ৰতিযোগিতাখনি পৰিচালনা কৰে কুইজ মাষ্টাৰ প্ৰজ্ঞান জ্যোতি ভূঞা আৰু মৃণ্ময় গগৈয়ে। এই অনুষ্ঠানটিতে শিৱসাগৰ অঞ্চলৰ স্থানীয় সাংবাদিকসকলক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। পাচবেলালৈ কুইজ প্ৰতিযোগিতাখনিৰ লগতে সংগতি ৰাখি শিক্ষাৰ্থীৰ উপযোগী এখনি বক্তৃতানুষ্ঠান অনুষ্ঠিত কৰা হয়। য’ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰবক্তা ড° প্ৰাঞ্জল বুঢ়াগোহাঁইক মুখ্য বক্তা, শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমাৰ জ্যোতি মহন্তক মুখ্য অতিথি আৰু সদৌ তাই আহোম ছাত্ৰ সন্থাৰ সভাপতি বসন্ত গগৈক উদ্বোধক হিচাপে আমন্ত্ৰণ জনোৱা হয়। এই সভাতে উপস্থিত থাকে সদৌ তাই আহোম ছাত্ৰ সন্থা চৰাইদেউ জিলা মহিলা পৰিষদৰ সম্পাদক সংগীতা বৰুৱা বড়াকে প্ৰমুখ্যে যথেষ্ট কেইজন গণ্যমান্য ব্যক্তি। এই অনুষ্ঠানটিত প্ৰাঞ্জল বুঢ়াগোহাঁয়ে ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি বহু কেইটা গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। ম’বাইল ফোনৰ আসক্তিৰ লগতে বৰ্তমানৰ যুৱপ্ৰজন্ম কোন দিশে ধাৱমান হৈছে সেই বিষয়ে আলোকপাত কৰে। আনফালে সৌমাৰ জ্যোতি মহন্তই নিজ বক্তব্যত উঠি অহা প্ৰজন্মৰ ছাত্ৰ-ছাত্ৰী সকলে এনে এক পদক্ষেপ গ্ৰহণ কৰাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। এই বক্তৃতানুষ্ঠানখনিৰ অন্তত কুইজ প্ৰতিযোগিতা দুখনিৰ পুৰস্কাৰ প্ৰদান কৰা হয়। এই পুৰস্কাৰ বিতৰণী সভাত সমগ্ৰ অনুষ্ঠানটিৰ পৃষ্ঠপোষক এ কে এণ্টাৰপ্ৰাইজৰ পৰিচালন সঞ্চালক কেশৱ পাল তথা লক্ষ্য এ প্লাছ শৈক্ষিক কেন্দ্ৰৰ পৰিচালন সঞ্চালক আকাশ গগৈ ডাঙৰীয়াক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰা হয়। জাগৰণৰ সভাপতি প্ৰজ্ঞান জ্যোতি ভূঞাই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি আগন্তুক দিনত জাগৰণৰ প্ৰতিজন লোক সমাজৰ প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ প্ৰতি দায়বদ্ধ হ’ব। যিসকল ছাত্ৰ-ছাত্ৰীৰ আৰ্থিক সমস্যাত পৰি প্ৰতিভা থকাৰ স্বত্বেও সমাজলৈ ওলাই আহিব নোৱাৰে তেওঁলোকক জাগৰণে এখন মঞ্চ দিয়াৰ কথা প্ৰকাশ কৰে। উল্লেখযোগ্য যে জুবিন গাৰ্গক সুঁৱৰি অসমৰ বিভিন্ন প্ৰান্তত ১০০ জোপা গছপুলি ৰোপণ কাৰ্যসূচীৰ জৰিয়তে অনুষ্ঠানত উপস্থিত প্ৰতিগৰাকী অতিথিক একোজোপা গছপুলি প্ৰদান কৰি প্ৰতিপালনৰ দায়িত্ব দিয়া হয় বুলি বালাৰ্কৰ মুখ্য সম্পাদক বাস্তৱ বড়াই জানিবলৈ দিয়ে।

## বংশৰ কন্দলপাৰা গাঁৱত কীৰ্তি ছাত্ৰ-ছাত্ৰীক বিশেষভাৱে সম্বৰ্দ্ধনা



**অসম বাৰ্তা, ছয়গাঁও, ২ মে’** ঃ দক্ষিণ কামৰূপৰ এখন কৃষি প্ৰধান গাঁও হৈছে বংশৰ কন্দলপাৰা। পলাশবাৰী সমষ্টিৰ বংশৰ কন্দলপাৰা গাঁৱত কীৰ্তি ছাত্ৰ ছাত্ৰীক আজি বিশেষভাৱে সম্বৰ্দ্ধনা জনোৱা হয়। বংশৰ কন্দলপাৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নিতু কলিতাৰ নেতৃত্বত অনুষ্ঠিত হোৱা এই সম্বৰ্দ্ধনা সভাত সভাপতিত্ব কৰে অৱসৰপ্ৰাপ্ত শিক্ষক তথা বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি হৰেণ কলিতাই। বংশৰ কন্দলপাৰা গাঁৱৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ ছাত্ৰীক শনিবাৰে বংশৰ কন্দলপাৰা প্ৰাথমিক বিদ্যালয়ত ৰাজহুৱাকৈ সম্বৰ্ধনা জনোৱা হয়। সভাত ছয়গাঁৱৰ জেষ্ঠ সাংবাদিক বিশ্বজিৎ দাসে ভাষণ প্ৰদান কৰি পিছপৰা গাওঁখনত এগৰাকী প্ৰধান শিক্ষকৰ নেতৃত্বত এনে অনুষ্ঠান কৰা দেখি প্ৰশংসা কৰাৰ লগতে পৰৱৰ্তী সময়ত যাতে তৃতীয় বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰ ছাত্ৰীকো সম্বৰ্দ্ধনা জনোৱা হয় তাৰ বাবে অনুৰোধ কৰে। সভাত বিশিষ্ট সাহিত্যিক ভোলা কলিতা, অৱসৰপ্ৰাপ্ত শিক্ষক ধৰণী কলিতা, পঞ্চায়ত প্ৰতিনিধি বৰ্ণালী কলিতা, শিক্ষক কমলা দাস, অনু দাস কাকতী, গাঁৱৰ সচেতন যুৱক অমল ঠাকুৰীয়াৰ লগতে বংশৰ কন্দলপাৰা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক নিতু কলিতাই ভাষণ প্ৰদান কৰে। প্ৰায় ১০০ শতাংশ কৃষিজীৱি লোক বসবাস কৰা গাঁওখনৰ আজিৰ কীৰ্তি ছাত্ৰ ছাত্ৰীক সম্বৰ্দ্ধনা জনোৱা অনুষ্ঠানত ভালেমান সচেতন অভিভাৱক তথা আই মাতৃ উপস্থিত আছিল।

**সতী ৰাধিকাৰ নামত বিশ্ববিদ্যালয় স্থাপনৰ দাবী**

## বটদ্ৰৱা থান পৰিচালনা সমিতিৰ উদ্যোগত সতী ৰাধিকা মহোৎসৱ

**অসম বাৰ্তা, বেবেজীয়া, ২ মে’** ঃ অসমীয়া জাতিৰ জনক জগতগুৰু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ পৱিত্ৰ জন্মস্থান বটদ্ৰৱাৰ শ্ৰীশ্ৰী বটদ্ৰৱা থান পৰিচালনা সমিতিৰ উদ্যোগত আৰু অনুসূচিত জাতিৰ সংগঠনসমূহৰ সহযোগত শুক্ৰবাৰে বৈষ্ণৱ যুগৰ মহিয়সী নাৰী শান্তি সতী ৰাধিকাৰ জন্ম দিৱসটো সতী ৰাধিকা মহোৎসৱ হিচাপে দিনজোৰা কাৰ্যসূচীৰে পালন কৰা হয়। মহোৎসৱত সতী ৰাধিকাৰ নামত এখন বিশ্ববিদ্যালয় স্থাপনৰ দাবী উত্থাপন হৈছে। অনুসূচিত জাতি সংগ্ৰামী যুৱ পৰিষদৰ সভাপতি সঞ্জীৱ দাসে এই দাবী উত্থাপন কৰে। নিজৰ বক্তব্যত সঞ্জীৱ দাসে কয় যে কৈৱৰ্ত কুলৰ মহীয়সী আই সতী ৰাধিকাক জগত সভাত প্ৰতিষ্ঠা কৰাৰ লগতে দাসে বিদ্যায়তনিক ক্ষেত্ৰত আইগৰাকীৰ নামত শীঘ্ৰে এখন বিশ্ববিদ্যালয় স্থাপনৰ দাবী



জনাইছে অসম চৰকাৰক। একেটা দাবী গৱেষক তথা বিশিষ্টা লেখিকা জুৰী শইকীয়াও উত্থাপন কৰে। কাযৰ্সূচী অনুসৰি পুৱা প্ৰাতঃ প্ৰসঙ্গ, পৰিবেশ নিকাকৰণ, পতাকা উত্তোলন, সদৌ অসম ভিত্তিত সতী ৰাধিকা সন্দৰ্ভত থিতাতে লিখা ৰচনা আৰু চিত্ৰাংকন প্ৰতিযোগিতা, খোল প্ৰসঙ্গ, নাম প্ৰসঙ্গ আৰু প্ৰসাদ বিতৰণ কৰা হয়। বিয়লি ২ বজাত শ্ৰীশ্ৰী শ’লগুৰি সত্ৰৰ সত্ৰাধিকাৰ তথা শ্ৰীশ্ৰী বটদ্ৰৱা থান পৰিচালনা সমিতিৰ উপ-সভাপতি যোগেন্দ্ৰ নাৰায়ণ দেৱমহন্তই সভাপতিত্ব কৰা মুখ্য কাৰ্যসূচী ধৰ্মালোচনী সভা অনুষ্ঠিত হয়। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰাক্তন প্ৰচাৰক জগত বণিয়া। বিশিষ্ট অতিথিহিচাপে উপস্থিত থাকে গৱেষক জুৰী শইকীয়া, বটদ্ৰৱা থান পৰিচালনা সমিতিৰ প্ৰাক্তন সাধাৰণ সম্পাদক ইন্দ্ৰ মোহন বৰুৱা, বটদ্ৰৱা থান পৰিচালনা সমিতিৰ কাৰ্যকৰী সভাপতি গোবিন চন্দ্ৰ দাস প্ৰমুখ্যে কেইবা শতাধিক ভকত বৈষ্ণৱ আৰু আইমাতৃক উপস্থিত থাকে। ধৰ্মালোচনী সভাৰ আঁতধৰে শ্ৰীশ্ৰী বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সাধাৰণ সম্পাদক লাচিত বৰদলৈয়ে। মহোৎসৱৰ কাৰ্যসূচীৰ সফল ৰূপায়ণত বটদ্ৰৱা থান পৰিচালনা সমিতিৰ কাৰ্যকৰী সদস্য সকলে সম্পূৰ্ণ সহযোগিতা আগবঢ়াই। সন্ধিয়া ৫-৩০ বজাত শ্ৰীশ্ৰীনৰোৱা সত্ৰ আৰু শ্ৰী শ্ৰী শলগুৰি সত্ৰৰ গৃহস্থৰ পদূলিত বন্তি প্ৰজ্বলন কৰা হয়। সন্ধিয়া ৮বজাত নগাঁৱৰ পাঞ্চজন্য শিল্পী সমাজে মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱ গুৰুজনাৰ বিৰচিত অংকীয়া নাট ‘পাৰিজাত হৰণ’ পৰিবেশন কৰে।

## ৪ মে’ত ড্ৰাই ডে’ ঘোষণা

**অসম বাৰ্তা, বৰপেটা সদৰ, ২ মে’** ঃ ৪ মে’ত হ’বলগীয়া বিধানসভা নিৰ্বাচনৰ ভোটগণনাৰ বাবে বৰপেটা জিলা আয়ুক্ত ৰোহণ কুমাৰ ঝাই সমগ্ৰ জিলাখনতে ড্ৰাই ডে’ ঘোষণা কৰিছে। জিলা প্ৰশাসনৰ ফালৰ পৰা জনোৱা অনুসৰি নিয়ম ভংগকাৰী সকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা লোৱা হ’ব বুলিও কয়। নিৰ্বাচনৰ ভোটগণনাৰ সময়ত যাতে কোনো অপ্ৰীতিকৰ পৰিৱেশৰ সৃষ্টি নহয় তাৰ বাবে এই ব্যৱস্থা লোৱা হৈছে বুলি উল্লেখ কৰে।

## ৩৪ বছৰীয়া শিক্ষাদান জীৱনৰ অন্তত বিনীত বৰা দেৱক স্নেহভৰা বিদায় সম্ভাষণ

**অসম বাৰ্তা, ঢেকীয়াজুলি, ২ মে’** ঃ শোণিতপুৰ জিলাৰ অন্তৰ্গত ঢেকীয়াজুলি ৰাজহচক্ৰ এলেকাৰ ঘগৰা নেহেৰু উচ্চ মাধ্যমিক বিদ্যালয়ত আজি এক আবেগঘন পৰিবেশত বিজ্ঞান বিষয়ৰ জ্যেষ্ঠ শিক্ষক বিনীত বৰা দেৱক বিদায় সম্ভাষণ জনোৱা হয়। বিদ্যালয়খনৰ প্ৰাংগণত আয়োজন কৰা এই বিদায় সম্ভাষণ সভাই শিক্ষক-শিক্ষাৰ্থী, অভিভাৱক আৰু স্থানীয় ৰাইজৰ মাজত এক বিশেষ অনুভূতিৰ সৃষ্টি কৰে। বিদ্যালয়খনৰ প্ৰধান শিক্ষক প্ৰানেশ দাস দেৱে আঁতধৰা এই সভাখনত সভাপতিত্ব কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি উপেন সিং দেৱে। সভাখনত বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধি, বিভিন্ন দল-সংগঠনৰ বিষয়ববীয়া, স্থানীয় গণ্যমান্য ব্যক্তিৰ লগতে প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলৰ উল্লেখযোগ্য উপস্থিতি দেখিবলৈ পোৱা যায়। সভাৰ আৰম্ভণিতে বিনীত বৰা দেৱৰ দীঘলীয়া শিক্ষকতা জীৱনৰ ওপৰত আলোকপাত কৰা হয়। বক্তাসকলে তেওঁক এজন নিষ্ঠাবান, দায়িত্বশীল আৰু আদৰ্শ শিক্ষক হিচাপে অভিহিত কৰে। তেওঁ শিক্ষাৰ্থীসকলৰ মাজত বিজ্ঞান বিষয়ৰ প্ৰতি আগ্ৰহ সৃষ্টিত



গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰাৰ লগতে বিদ্যালয়খনৰ সামগ্ৰিক উন্নয়নতো উল্লেখযোগ্য অৱদান আগবঢ়াইছিল বুলি উল্লেখ কৰে। বিশেষকৈ বক্তাসকলে কয় যে, বিনীত বৰা দেৱে বিগত ৩৪ বছৰ ধৰি অতি সততা, নিষ্ঠা আৰু একাগ্ৰতাৰে নিজৰ কৰ্তব্য পালন কৰি আহিছে, যি কেৱল বিদ্যালয়খনেই নহয়, সমগ্ৰ অঞ্চলখনৰ বাবে এক গৌৰৱৰ বিষয়। বিদায় সম্ভাষণৰ সময়ত বিদ্যালয় পৰিয়ালৰ ফালৰ পৰা তেওঁক সম্বৰ্ধনা জনোৱা হয় আৰু স্মৃতিচিহ্ন প্ৰদান কৰা হয়। একে সময়তে তেওঁ নিজৰ অভিজ্ঞতা শ্বেয়াৰ কৰি শিক্ষাৰ্থীসকলক আগবাঢ়ি যাবলৈ উৎসাহ দিয়ে। এই বিদায় সভাই একেদৰে দুখ আৰু গৌৰৱৰ অনুভূতি একেলগে বহন কৰে- এফালে এজন অভিজ্ঞ শিক্ষকক বিদায় দিয়াৰ বেদনা আনফালে তেওঁৰ অৱদানৰ বাবে গৌৰৱৰ অনুভূতিয়ে সকলোকে আৱৰি ধৰে।

**‘মহন্ত আছিল মাতৃভূমিৰ প্ৰকৃত সেৱক’**

## প্ৰশান্ত কুমাৰ মহন্তৰ বিয়োগত মাজুলী মহাবিদ্যালয়ৰ গভীৰ শোক

**অসম বাৰ্তা, মাজুলী, ২ মে’** ঃ মাজুলীৰ এলেঙী নৰসিংহ সত্ৰৰ ডেকাসত্ৰীয়া, ‘মাজুলী’ শীৰ্ষক তথ্যসমৃদ্ধ মাজুলী বিষয়ক প্ৰামাণ্য গ্ৰন্থৰ সম্পাদক, ৰাজ্যিক কৃতী শিক্ষকৰ বঁটাপ্ৰাপক শিক্ষাবিদ, বৰহোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সদ্য-অৱসৰপ্ৰাপ্ত অধ্যক্ষ, সাহিত্যকৰ্মী প্ৰশান্ত কুমাৰ মহন্তৰ কালি চেন্নাইৰ এপ’ল’ হাস্পতালত অকাল আৰু আকস্মিক বিয়োগ হোৱাৰ সংবাদ পোৱাৰ পাছতে আজি মাজুলীৰ প্ৰথমখন উচ্চ শিক্ষানুষ্ঠান মহাবিদ্যালয়ত শোকসভা অনুষ্ঠিত কৰি প্ৰয়াত সাহিত্যিক গৰাকীলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। নদীদ্বীপ মাজুলীক লোকমনত প্ৰতিষ্ঠা কৰিবলৈ যৎপৰোনাস্তি কৰা মাজুলীয়ালসকলৰ অন্যতম, সকলোৰে প্ৰিয়ভাজন, সত্ৰানুৰাগী বিদ্বান লোকগৰাকীৰ বিয়োগৰ শোকত ম্ৰিয়মাণ মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী তথা শিক্ষাৰ্থীসকলে আজি মহাবিদ্যালয় প্ৰাংগণত অনুষ্ঠিত কৰা সভাখনিত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই। মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়াই আঁত ধৰা শোকসভাত মহন্তৰ আদৰ্শৰ বিষয়ে আলোকপাত কৰি অসম কলেজ শিক্ষক সংস্থা, মাজুলী মণ্ডলৰ সম্পাদক তথা মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° দেৱজ্যোতি ভট্টাচাৰ্যই প্ৰশান্ত কুমাৰ মহন্ত অত্যন্ত অমায়িক স্বভাৱৰ হাঁহিমুখীয়া ধৈৰ্যশীল লোক আছিল বুলি উল্লেখ কৰে। আদৰ্শ শৈক্ষিক প্ৰশাসকগৰাকীৰ স্মৃতিচাৰণ কৰি অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়, “প্ৰশান্ত কুমাৰ মহন্ত আছিল মাতৃভূমিৰ প্ৰকৃত সেৱক। কায়িকভাৱে মহন্ত আমাৰ মাজৰ পৰা আঁতৰি গ’লেও জন্মভূমি মাজুলীক প্ৰণালীৱদ্ধৰূপত গ্ৰথিত কৰি থৈ যোৱা তেওঁৰ ‘মাজুলী’য়ে তেওঁক অমৰ কৰি ৰাখিব। এক ব্যতিক্ৰমী চিন্তা-চৰ্চাৰে বৌদ্ধিক মহলৰ মাজত বিশেষভাৱে সমাদৃত হোৱা মহন্তই কেনেকৈ নিজক গঢ়ি তুলিব পাৰি তাৰ আদৰ্শ শিক্ষাৰ্থীসমাজক দেখুৱাই থৈ গৈছে।” মহাবিদ্যালয়ৰ শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, অভ্যন্তৰীণ মান নিশ্চিকৰণ কোষৰ সমন্বয়ক বসন্ত বৰা, প্ৰাক্তন অধ্যক্ষ নৰেন চন্দ্ৰ ঠাকুৰীয়া, শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, সম্পাদক ড° অনুপ কুমাৰ দলে, শিক্ষক-কৰ্মচাৰী সঞ্চয় আৰু ঋণদান সমবায় সমিতিৰ সম্পাদক ড° ৰাজেন চন্দ্ৰ বৰা, ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযানৰ মহাবিদ্যালয়ৰ নডেল বিষয়া দেৱজ্যোতি খাটনিয়াৰ, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সম্পাদক তুলসী ৰাজখোৱা, বিভাগীয় মূৰব্বীসকল প্ৰমুখ্যে শিক্ষক-কৰ্মচাৰী-শিক্ষাৰ্থী উপস্থিত থকা সভাখনত প্ৰশান্ত কুমাৰ মহন্তৰ বিদেহ আত্মাৰ চিৰশান্তি কামনাৰে এক মিনিট সময় মৌন প্ৰাৰ্থনা কৰি শোক প্ৰস্তাৱ গ্ৰহণ কৰা হয়। শিক্ষাবিদগৰাকীৰ আকস্মিক বিয়োগৰ সংবাদ পাই মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি তথা আউনীআটীয় সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামী, ভোগপুৰ সত্ৰৰ অধিকাৰ দত্তদেৱ গোস্বামী, নতুন কমলাবাৰী সত্ৰৰ অধিকাৰ সত্যজিৎ মহন্ত, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সভাপতি সুৰেন্দ্ৰ নাথ মুদৈ, জিলা সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়া, সম্পাদক ডিম্বেশ্বৰ দত্ত, জিলা নাট্য সন্মিলনৰ সভাপতি ৰঞ্জিত কুমাৰ ভূঞা, মাজুলী জিলা ভাওনা সন্মিলনৰ সভাপতি প্ৰভাত বৰা বুঢ়াভকত, ৰূপবৰণ চিত্ৰকলা বিদ্যালয়ৰ অধ্যক্ষ দীপু বৰা, ‘আপকু’ৰ ৰাজ্যিক উপ-সভাপতি জীৱন বৰুৱা, ‘আপকু’ৰ মাজুলী জিলাৰ সমিতিৰ সভাপতি ৰঞ্জন বৰা, জিলা মইনা পাৰিজাতৰ সভাপতি খগেন হাজৰিকা প্ৰমুখ্য মাজুলীৰ বিশিষ্ট ব্যক্তিসকলে গভীৰ শোক প্ৰকাশ কৰিছে।

## ৪ মে’ত অসমত হ’ব

স্পষ্ট ইংগিত দিয়ে — ‘এইবাৰ পৰিৱৰ্তন অনিবাৰ্য। ’অসম প্ৰদেশ কংগ্ৰেছৰ তত্ত্বাৱধায়ক জীতেন্দ্ৰ সিং, অসম নিৰ্বাচনৰ পৰ্যবেক্ষক তথা কৰ্ণাটকৰ উপ-মুখ্যমন্ত্ৰী ডি কে শিৱকুমাৰ, ছত্তীশগড়ৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভূপেশ বাঘেলেৰ লগতে প্ৰদেশ কংগ্ৰেছ সভাপতি গৌৰৱ গগৈ উপস্থিত আছিল। তদুপৰি ৰাইজৰ দলৰ সভাপতি অখিল গগৈ, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ, এপিএইচএলচিৰ সভাপতি জ’ন ইংতি কাথেৰেও বৈঠকত যোগ দিয়ে। বৈঠক সমাপ্তিৰ পিছত সংবাদ মাধ্যমক সম্বোধন কৰি প্ৰদেশ কংগ্ৰেছ সভাপতি গৌৰৱ গগৈয়ে কয়, “এইবাৰ বহু নীৰৱ ভোটাৰ আছে। মহিলাৰ ভোটদানৰ হাৰ উল্লেখযোগ্য ভাৱে বৃদ্ধি পাইছে। হিমন্ত বিশ্ব শৰ্মাৰ অপশাসনৰ বিৰুদ্ধে ৰাইজে সজাগতাৰে ভোট দিছে।” তেওঁ পুনৰ্ব্যক্ত কৰে যে বিভিন্ন চেনেলৰ এগজিট প’ল সম্পূৰ্ণৰূপে বিজেপিৰ দ্বাৰা পৰিচালিত আৰু সেইবোৰ বিশ্বাসযোগ্য নহয়। “বিজেপিয়ে ৰচনা কৰা চক্ৰবেহুত বিৰোধীয়ে ভৰি নিদিয়ে।” কৰ্ণাটকৰ উপ-মুখ্যমন্ত্ৰী ডি কে শিৱকুমাৰে কয়, “আমাৰ টীম শক্তিশালী, ঐক্যবদ্ধ আৰু প্ৰবল আত্মবিশ্বাসী। অসমত ভয়ৰ পৰিৱেশ গঢ়ি তোলা হৈছিল, তথাপি আমাৰ প্ৰাৰ্থীসকলে সাহসেৰে লড়িছে। এগজিট প’লক মই ব্যক্তিগতভাৱে বিশ্বাস নকৰো। আমি নিজা ছাৰ্ভে’ত জিলিকা পাইছো — আমাৰ সকলো প্ৰাৰ্থী আত্মবিশ্বাসী হৈ আছে। ভোটগণনাৰ সময়ত কোনো হেৰফেৰক আমি সজাগ দৃষ্টি ৰাখিম।” কংগ্ৰেছ নেতা জীতেন্দ্ৰ সিঙে কটাক্ষ কৰে, “বিজেপি যদি ইমান আত্মবিশ্বাসী, তেন্তে প্ৰধানমন্ত্ৰী আৰু গৃহমন্ত্ৰীয়ে কিয় বাৰে বাৰে অসমলৈ আহিবলগীয়া হৈছিল? মুখ্যমন্ত্ৰীৰ ভাষাত হতাশা স্পষ্ট। কোটি কোটি টকা খৰচ কৰিও বিজেপিয়ে ভোট ক্ৰয় কৰিব নোৱাৰিলে। এইবাৰ কংগ্ৰেছৰ চৰকাৰ হোৱাটো নিশ্চিত।” ৰাইজৰ দলৰ সভাপতি অখিল গগৈয়ে দাবী কৰে, “অসমৰ ৰাইজে পৰিৱৰ্তন বিচাৰি ভোট দিছে। আমি ৭০খনতকৈ অধিক আসনত জয়ী হম। সোমবাৰে ১ বজাৰ ভিতৰতে বিৰোধীৰ চৰকাৰ গঠনৰ প্ৰতিশ্ৰুতি স্পষ্ট হৈ যাব। অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈয়ে কয়, “বিৰোধী ঐক্য মঞ্চই সংখ্যাগৰিষ্ঠতাৰে চৰকাৰ গঠন কৰিব। বিজেপি বহুধা বিভক্ত। ৪ মে’ত ৰাইজৰ ৰায় স্পষ্ট হ’ব আৰু তাত পৰিৱৰ্তনৰ জয় হ’বহে।” এপিএইচএলচি সভাপতি জ’ন ইংতি কাথেৰে কয়, “আমি বিৰোধী মিত্ৰজোঁটৰ সৈতে একত্ৰিত হৈ আছো। বিজেপিৰ মিছা প্ৰতিশ্ৰুতি ৰাইজে বুজি পাইছে। নিজৰ সমৰ্থকৰ ভোটো এইবাৰ আমালৈ বাগৰিছে।” ১৯ এপ্ৰিলত প্ৰথম পৰ্যালোচনা বৈঠকৰ পাছতো বিৰোধী নেতাসকলে চৰকাৰ গঠনৰ দাবী উত্থাপন কৰিছিল যদিও ২৯ এপ্ৰিলৰ এগজিট প’লত কংগ্ৰেছ নেতৃত্বাধীন জঁটৰ সংখ্যা গৰিষ্ঠতালৈ যোৱাৰ কথা কোৱা হোৱা নাছিল। সেই প্ৰেক্ষাপটত শনিবাৰৰ বৈঠকটো বিৰোধী শিবিৰৰ বাবে অধিক গুৰুত্বপূৰ্ণ হৈ পৰে। বিৰোধী দলসমূহে হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন বৰ্তমান চৰকাৰৰ বিৰুদ্ধে ৰাইজৰ বিক্ষোভ তথা নিজা অভ্যন্তৰীণ সমীক্ষাৰ ভিত্তিত সোমবাৰৰ ভোটগণনাৰ ফলাফললৈ অপেক্ষা কৰি আছে। তেনেতে সোমবাৰে (৪ মে’) পুৱাৰ পৰাই গুৱাহাটী আৰু দিছপুৰত প্ৰশাসনৰ দ্বাৰা কঠোৰ নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

## মিছা কথা যিমানেই ভয়ংকৰ

ক্ষমতাৰ অপব্যৱহাৰ কৰাসকলৰ বাবে এশিকনি” বুলি অভিহিত কৰে। ছ’চিয়েল মিডিয়া এক্সত খেৰাই উচ্চতম ন্যায়ালয় আৰু নিজৰ দলৰ নেতৃত্বক ধন্যবাদ জনায়। তেওঁ লিখে যে এই নিৰ্দেশে আইনৰ শাসনক অধিক শক্তিশালী কৰে। “আইনৰ শাসন বজাই ৰখাৰ বাবে মাননীয় উচ্চতম ন্যায়ালয়ক ধন্যবাদ জনাইছো” - খেৰাই লিখে। তেওঁ লিখে, “মোৰ জামিন কেৱল ব্যক্তিগত বিজয় আৰু সকাহৰ উৎস নহয়। ই ৰাষ্ট্ৰৰ ক্ষমতাৰ অপব্যৱহাৰ কৰাসকলক সোঁৱৰাই দিয়ে যে আমাৰ সাংবিধানিক গণতন্ত্ৰ যেতিয়ালৈকে আছে, তেতিয়ালৈকে ৰাজনৈতিক প্ৰতিশোধৰ বাবে ব্যক্তিগত স্বাধীনতাক বলিদান দিব নোৱাৰি। মিছা কথা যিমানেই ভয়ংকৰ যেন নালাগক, সত্যই জয়ী হয়। সত্যমেৱ জয়তে!” উল্লেখযোগ্য যে যোৱা ২৪ এপ্ৰিলত গুৱাহাটী উচ্চ ন্যায়ালয়ে পৱন খেৰাৰ আগতীয়া জামিন আবেদন নাকচ কৰিছিল। তাৰ পিছতেই তেওঁ উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হয়। এতিয়া শীৰ্ষ আদালতে তেওঁক আগতীয়া জামিন মঞ্জুৰ কৰে। বিষয়টো এতিয়াও তদন্তাধীন বুলি আদালতৰ ফালৰ পৰা স্পষ্ট কৰি দিয়া হৈছে। ইয়াৰ পূৰ্বে শুকুৰবাৰে ভাৰতৰ উচ্চতম ন্যায়ালয়ে অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পত্নী ৰিনিকী ভূঞা শৰ্মাক লক্ষ্য কৰি বিকৃত নথি-পত্ৰ ব্যৱহাৰৰ অভিযোগত দায়েৰ পৰা সুৰক্ষা প্ৰদান কৰিছিল। ন্যায়াধীশ জে কে মহেশ্বৰী আৰু অতুল এছ চন্দুৰকাৰৰ বিচাৰপীঠে মন্তব্য কৰে — এই পৰ্যায়ত বিবাদটো ৰাজনৈতিকভাৱে পৰিচালিত যেন লাগে। জিম্মাত লৈ জেৰা কৰাত কোনো ন্যায্যতা নাই বুলিও আদালতে কয়। বিচাৰপীঠে পৰ্যবেক্ষণ কৰে যে বিচাৰৰ সময়ছোৱাতহে অভিযোগৰ সত্যতা পৰীক্ষা কৰা হ’ব। পৱন খেৰাক আগতীয়া জামিন প্ৰদান কৰি উচ্চতম ন্যায়ালয়ে কেইটামান চৰ্ত আৰোপ কৰিছে। নিয়ম অনুসৰি তেওঁ তদন্তত সম্পূৰ্ণ সহযোগিতা আগবঢ়াব লাগিব। লগতে প্ৰয়োজন অনুসৰি কৰ্তৃপক্ষৰ সন্মুখত হাজিৰ হ’ব লাগিব। তদুপৰি তেওঁক সাক্ষী প্ৰভাৱিত কৰা, প্ৰমাণ নষ্ট কৰা বা আদালতৰ পূৰ্বানুমতি অবিহনে বিদেশ ভ্ৰমণ কৰাত বাধা দিয়া হৈছে। উচ্চতম ন্যায়ালয়ৰ এই সিদ্ধান্তক লৈ ৰাজনৈতিক মহলত মিশ্ৰিত প্ৰতিক্ৰিয়া প্ৰকাশ পাইছে। কংগ্ৰেছ সমৰ্থকসকলে আদালতৰ নিৰ্দেশক আইনৰ শাসনৰ জয় বুলি অভিহিত কৰিছে, আনহাতে বিজেপিৰ কোনো বিষয়াই এই পৰ্যন্ত আনুষ্ঠানিক মন্তব্য দিয়া নাই। পৱন খেৰাৰ বিৰুদ্ধে জালিয়াতি আৰু মানহানিৰ গোচৰটোৰ তদন্ত এতিয়াও চলি আছে। আগন্তুক সময়ত ইয়াক কেন্দ্ৰ কৰি ৰাজনৈতিক মেৰুকৰণ বাঢ়িব পাৰে বুলি ধাৰণা কৰা হৈছে।

## NEET পৰীক্ষাৰ নম্বৰৰ

এই বৰ্ষৰ পশু চিকিৎসা আৰু মীন বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ বাবে সুকীয়া প্ৰৱেশিকা পৰীক্ষা অনুষ্ঠিত নহয়। তাৰ পৰিৱৰ্তে নীট পৰীক্ষাত প্ৰাপ্ত নম্বৰকে নামভৰ্তিৰ একমাত্ৰ ভিত্তি হিচাপে গণ্য কৰা হ’ব। এই প্ৰসঙ্গত সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মাই কয় যে “পূৰ্বতে এই পাঠ্যক্ৰমৰ নামভৰ্তি অসম কৃষি বিশ্ববিদ্যালয়ে অনুষ্ঠিত কৰা প্ৰৱেশিকা পৰীক্ষাৰ ভিত্তিত হৈছিল। এইবাৰো বিশ্ববিদ্যালয়খনে নিজেই প্ৰৱেশিকা পৰীক্ষা ল’ব বুলি ভবা ছাত্ৰ-ছাত্ৰীসকলে তাৰ বাবে প্ৰস্তুতি চলাই আছিল। কিন্তু জাননী জাৰি কৰাৰ সময়ত নীট পৰীক্ষালৈ মাত্ৰ পাঁচ দিন বাকী আছিল। নীট পৰীক্ষাৰ বাবে আবেদন কৰাৰ সময়সীমা ইতিমধ্যে এমাহ পূৰ্বেই পাৰ হৈ গৈছিল। ফলত এই সিদ্ধান্তই প্ৰৱেশ পৰীক্ষাৰ বাবে প্ৰস্তুতি কৰি থকা ছাত্ৰ-ছাত্ৰীসকলৰ জীৱনলৈ অন্ধকাৰ নমাই আনিছে”। তেওঁ এই সিদ্ধান্তক “চূড়ান্ত শৈক্ষিক অন্যায়” বুলি আখ্যা দিয়ে। শনিবাৰে সদৌ অসম ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক টুটুমণি কলিতাৰ নেতৃত্বত এটি প্ৰতিনিধি দলে অসম পশু চিকিৎসা আৰু মীন বিশ্ববিদ্যালয় প্ৰশাসনক সাক্ষাৎ কৰে। সেই বৈঠকত ছাত্ৰ সন্থাই নীটৰ জৰিয়তে নামভৰ্তিৰ সিদ্ধান্ত বাতিল কৰাৰ দাবী জনায়। লগতে এই বৰ্ষৰ বাবে পূৰ্বৰ পদ্ধতি অনুসৰি সুকীয়া প্ৰৱেশিকা পৰীক্ষা অনুষ্ঠিত কৰি নামভৰ্তিৰ ব্যৱস্থা কৰিবলৈ বিশ্ববিদ্যালয় প্ৰশাসনক আহ্বান জনায়। সভাপতি উৎপল শৰ্মাই জানিবলৈ দিয়া মতে, ছাত্ৰ সন্থাৰ দাবীসমূহ গুৰুত্বসহকাৰে গ্ৰহণ কৰিছে বিশ্ববিদ্যালয় প্ৰশাসনে। তেওঁলোকে বিষয়টো পুনৰ বিবেচনা কৰি ইতিবাচক পদক্ষেপ গ্ৰহণৰ আশ্বাস প্ৰদান কৰিছে। ছাত্ৰ সন্থাই স্পষ্টভাৱে জনাইছে যে ছাত্ৰ-ছাত্ৰীৰ জীৱনলৈ অন্ধকাৰ নমাই অনা এই সিদ্ধান্ত কোনো কাৰণতে মানি লোৱা নহ’ব। প্ৰয়োজন সাপেক্ষে আন্দোলনৰ পথলৈ যোৱাৰো ইংগিত দিছে সংগঠনটোৱে। উল্লেখ্য যে অসম কৃষি বিশ্ববিদ্যালয়ৰ পৰা পৃথক হৈ অসম পশু চিকিৎসা আৰু মীন বিশ্ববিদ্যালয় গঠন কৰা হৈছিল। সেই সূত্ৰে পূৰ্বতে কৃষি বিশ্ববিদ্যালয়ৰ অধীনত চলা প্ৰৱেশিকা পৰীক্ষাৰ পদ্ধতি এইবাৰ হঠাতে সলনি কৰাত ছাত্ৰ মহলত চাঞ্চল্যৰ সৃষ্টি হৈছে। এই সিদ্ধান্তৰ বিৰুদ্ধে ছাত্ৰ সন্থাই আগন্তুক দিনত অধিক তীব্ৰ আন্দোলনৰ পথ ল’ব পাৰে বুলি ধাৰণা কৰা হৈছে। বিশ্ববিদ্যালয় প্ৰশাসনে কি সিদ্ধান্ত লয়, তাৰ ওপৰেই নিৰ্ভৰ কৰিব পৰৱৰ্তী পৰিস্থিতি।

## ৪ মে’ৰ ভোটগণনাক লৈ

কামৰূপ (মহানগৰ) জিলা প্ৰশাসনে গুৱাহাটীৰ ভোটগণনা কেন্দ্ৰৰ চৌপাশে কঠোৰ বাধা-নিষেধ আৰোপ কৰিছে। শনিবাৰে জিলা দণ্ডাধীশৰ কাৰ্যালয়ৰ পৰা জাৰি কৰা এক নিৰ্দেশনা মৰ্মে মণিৰাম দেৱান বাণিজ্য কেন্দ্ৰত অৱস্থিত ভোটগণনা কেন্দ্ৰৰ এক নিৰ্দিষ্ট ব্যাসাৰ্ধৰ ভিতৰত ১৪৪ ধাৰা বলৱৎ কৰা হৈছে। নিৰ্বাচনৰ ফলাফল ঘোষণাক লৈ সৃষ্টি হ’ব পৰা যিকোনো অপ্ৰীতিকৰ পৰিস্থিতি নিয়ন্ত্ৰণ কৰাৰ স্বাৰ্থতে প্ৰশাসনে এই নিৰ্ণায়ক পদক্ষেপ গ্ৰহণ কৰিছে। প্ৰশাসনে জাৰি কৰা নিৰ্দেশনা অনুসৰি, ভোটগণনা কেন্দ্ৰৰ একশ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত পাঁচ বা ততোধিক লোকৰ সমাৱেশ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছে। ইয়াৰ লগতে যিকোনো ধৰণৰ সমদল উলিওৱা, বিজয় উল্লাসৰ নামত শ্লোগান দিয়া, লাঠী বা আন কোনো মাৰণাস্ত্ৰ কঢ়িয়াই নিয়া আৰু ফটকা বা আতচবাজী ফুটোৱাৰ ওপৰতো কঠোৰ নিষেধাজ্ঞা আৰোপ কৰা হৈছে। কেৱল বৈধ অনুজ্ঞাপত্ৰ থকা নিৰ্বাচনী বিষয়া, কৰ্মচাৰী আৰু সুৰক্ষা বাহিনীৰ জোৱানসকলৰ বাহিৰে আন কোনো অসাধাৰণ ব্যক্তিয়ে এই নিৰ্দিষ্ট এলেকাত প্ৰৱেশ কৰিব নোৱাৰিব বুলি প্ৰশাসনে স্পষ্ট কৰি দিছে। যান-বাহনৰ চলাচলৰ ক্ষেত্ৰতো যানবাহন আৰক্ষীয়ে বিশেষ নীতি-নিৰ্দেশনা জাৰি কৰিছে, যাতে গণনা প্ৰক্ৰিয়াত কোনো ধৰণৰ ব্যাঘাত নজন্মে। এই সন্দৰ্ভত কামৰূপ (মহানগৰ) জিলাৰ আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়াই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে যে গণতান্ত্ৰিক প্ৰক্ৰিয়াটো সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে প্ৰশাসন সম্পূৰ্ণৰূপে সাজু আছে আৰু আইন-শৃংখলা ৰক্ষাৰ ক্ষেত্ৰত কোনো ধৰণৰ আপোচ কৰা নহ’ব। তেওঁ উল্লেখ কৰে যে নিৰ্দেশনা উলংঘা কৰা যিকোনো ব্যক্তিৰ বিৰুদ্ধে আইন অনুসৰি কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ’ব। নিৰ্বাচন আয়োগৰ নিৰ্দেশনা মানি সকলো ৰাজনৈতিক দল, প্ৰাৰ্থী আৰু সাধাৰণ ৰাইজক প্ৰশাসনৰ সৈতে সহযোগিতা আগবঢ়াবলৈ তেওঁ আহ্বান জনাইছে। উল্লেখযোগ্য যে পূৰ্বৰ নিৰ্বাচনসমূহৰ সময়ত ফলাফল ঘোষণাৰ পাছত বিজয়ী প্ৰাৰ্থীৰ সমৰ্থকসকলৰ মাজত হোৱা অত্যুৎসাহ আৰু বিশাল সমাৱেশৰ ফলত যান-জটকে ধৰি বিভিন্ন সমস্যাৰ সৃষ্টি হৈছিল। এনে পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখিয়েই এইবাৰ প্ৰশাসনে আগতীয়াকৈ কটকটীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰিছে। ভোটগণনা কেন্দ্ৰটোৰ সুৰক্ষা নিশ্চিত কৰিবলৈ ইতিমধ্যে কেন্দ্ৰীয় অৰ্ধসামৰিক বাহিনী আৰু ৰাজ্যিক আৰক্ষীৰ বৃহৎ দল মোতায়েন কৰা হৈছে। সমগ্ৰ এলেকাটো চিচিটিভি কেমেৰাৰ নিৰীক্ষণত ৰখা হৈছে বুলি প্ৰশাসন সূত্ৰে জানিবলৈ দিয়ে। বৰ্তমান ভোটগণনা কেন্দ্ৰৰ আশে-পাশে নিৰাপত্তাৰক্ষীৰ তহল অব্যাহত আছে। সমগ্ৰ গুৱাহাটী মহানগৰীতে আৰক্ষী প্ৰশাসনে সতৰ্কতামূলক অৱস্থা বাহাল ৰাখিছে। ৪ মে’ৰ গণনা প্ৰক্ৰিয়া নিৰ্বিঘ্ন কৰি তোলাৰ বাবে আটাইবোৰ প্ৰস্তুতি সম্পূৰ্ণ বুলি জিলা প্ৰশাসনে জানিবলৈ দিয়ে।

## মঠঘৰীয়া দুৰ্ঘটনাৰ মূল চালক ছামিম আহমেদক

জিম্মালৈ লোৱাৰ আবেদন পুলিচৰ গৱেষণা শাখাই দাখিল কৰিছিল। ইতিমধ্যে তেওঁ পুলিচ জিম্মাত আছিল। আজি জমা হোৱা প্ৰতিবেদনৰ ভিত্তিত ন্যায়াধীশে ছামিম আহমেদক ১২ মে’লৈ ন্যায়িক জিম্মাত ৰখাৰ আদেশ জাৰি কৰে। তদন্তৰ পৰা পোহৰলৈ অহা তথ্য অনুসৰি, যি বাহনখনত মঠঘৰীয়া দুৰ্ঘটনাটো সংগঠিত হৈছিল, সেই বাহনখনৰ চালকৰ আসনত আছিল ছামিম আহমেদ। প্ৰত্যক্ষদৰ্শীৰ সাক্ষী আৰু প্ৰাৰম্ভিক ফৰেনছিক পৰীক্ষাত তেওঁ যে গাড়ীখন চলাই আছিল, সেই কথা নিশ্চিত হৈছে। ঘটনাটো গুৰুতৰ বিচাৰ বিবেচনাত পুলিচে তেওঁক গ্ৰেপ্তাৰ কৰি আৰক্ষী জিম্মাত লৈ তদন্ত চলাইছিল। উল্লেখযোগ্য যে অলপ দিনৰ আগতে মঠঘৰীয়া অঞ্চলত সংঘটিত হোৱা এই পথ দুৰ্ঘটনাটোত কেইবাগৰাকী লোকৰ প্ৰাণ হয় আৰু বহুতো লোক আহত হয়। সেইবাবেই ঘটনাটো লৈ সমগ্ৰ অঞ্চলজুৰি তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ পাইছিল। স্থানীয় ৰাইজে ন্যায় বিচাৰি দাবী উত্থাপন কৰাত প্ৰশাসন সোঁতত সততে ক্ষিপ্ৰ পদক্ষেপ লয়। আজি ছামিম আহমেদক চিজেএম আদালতত হাজিৰ কৰোৱাৰ সময়ত তেওঁৰ লগত আইনী সহায়কসকল উপস্থিত আছিল। অভিযুক্তৰ আইনজীৱীয়ে যুক্তি দাঙি ধৰে যে জামিনত মুক্তি দিয়াটো অনুকূল হ’ব, কিন্তু অভয়াৰ্থিত পলায়নৰ সম্ভাৱনা আৰু সাক্ষী প্ৰভাৱিত কৰাৰ আশংকাৰ মুখত ন্যায়াধীশে ন্যায়িক জিম্মাৰ আদেশকে স্থান দিয়ে। তদন্তকাৰী বিষয়াৰ মতে, “দুৰ্ঘটনা কেনেকৈ হ’ল, গাড়ীখন অতি বেগত আছিল নেকি, আনুষংগিক কোনো অসাৱধানতা বা ষড়যন্ত্ৰ আছিল নেকি — সেইবোৰৰ গভীৰভাৱে পৰ্যালোচনা কৰি আছে। ইতিমধ্যে বাহনখনৰ মেকানিকেল ফিটনেছ আৰু ৰাস্তাৰ অৱস্থা আদিও পৰীক্ষা কৰা হৈছে।” ন্যায়িক জিম্মাৰ এই সময়ছোৱাত তদন্তকাৰী বিষয়াই অভিযুক্তৰ পৰা প্ৰয়োজনীয় প্ৰশ্নোত্তৰ ল’ব আৰু প্ৰয়োজন সাপেক্ষে তেওঁক নিজ মুখত দিয়া সাক্ষ্যৰ বাবে গ্ৰেপ্তাৰ দেখুৱাব পাৰে। ইফালে দুৰ্ঘটনাত নিহত হোৱা লোকসকলৰ পৰিয়ালে শোকসন্তপ্ত অৱস্থাতে ন্যায় বিচাৰি আছে। এতিয়ালৈকে ঘটনাটোত আন কোনো অভিযুক্তৰ সন্ধান পোৱা নাই যদিও চালক ছামিম আহমেদৰ ভূমিকাই মুখ্য হৈ থকা বুলি পুলিচ সূত্ৰে জানিবলৈ দিয়ে। তেওঁ নিজে এই সম্পৰ্কত কি ভাষ্য দিয়ে, তাক লৈ স্পষ্টতা অহা নাই। অহা ১২ মে’লৈ তেওঁ ন্যায়িক জিম্মাত থাকিব লাগিব; তাৰ পাছত পুনৰ তদন্তৰ অগ্ৰগতিৰ ভিত্তিত আদালতে পৰৱৰ্তী নিৰ্দেশ জাৰি কৰিব।

## আজি দেশজুৰি নীট-ইউজি

দ্ৰুপাৰিব। চলিত বৰ্ষত সৰ্বভাৰতীয় পৰ্যায়ত মুঠ ২২, ৭৯, ৭৪৩ গৰাকী শিক্ষাৰ্থীয়ে পৰীক্ষাত অংশগ্ৰহণ কৰিব বুলি আশা কৰা হৈছে। অসমৰ প্ৰায়বোৰ জিলাতে পৰীক্ষাৰ কেন্দ্ৰ স্থাপন কৰা হৈছে। ২০২৫ বৰ্ষত অসমত ৪০ সহস্ৰাধিক শিক্ষাৰ্থী অৱতীৰ্ণ হোৱাৰ তুলনাত এইবাৰো একে সম সংখ্যক পৰীক্ষাৰ্থী পৰীক্ষাৰ বাবে সাজু হৈ উঠিছে। জিলা প্ৰশাসনসমূহে নিৰ্বিঘ্ন পৰীক্ষা অনুষ্ঠিত কৰিবলৈ বিশেষ কটকটীয়া ব্যৱস্থা গ্ৰহণ কৰিছে। প্ৰতিখন জিলাৰ একাধিক পৰীক্ষা কেন্দ্ৰত চিচি টিভি কেমেৰা স্থাপন কৰাৰ লগতে আন সুৰক্ষাজনিত ব্যৱস্থাও লোৱা হৈছে। ৰাষ্ট্ৰীয় টেষ্টিং এজেঞ্চী (এনটিএই)ৰ দ্বাৰা পৰিচালিত এই পৰীক্ষা অফলাইন মাধ্যমত অনুষ্ঠিত হ’ব। দেশৰ মুঠ পাঁচ শ চহৰত পৰীক্ষা কেন্দ্ৰ স্থাপন কৰা হৈছে। পৰীক্ষাৰ সময় তিনি ঘণ্টা। পৰিচালনা সংস্থাই পৰীক্ষাৰ্থীসকলক সময়তকৈ আগেয়ে কেন্দ্ৰত উপস্থিত হ’বলৈ আহ্বান জনাইছে। কঠোৰ নীতি-নিৰ্দেশনা অনুসৰি পৰীক্ষা কেন্দ্ৰসমূহৰ দুৱাৰ দিনৰ ডেৰ বজাত বন্ধ কৰি দিয়া হ’ব। এইবৰ্ষৰ পৰীক্ষাৰ এক উল্লেখযোগ্য দিশ হৈছে ছাত্ৰীৰ সক্ৰিয় অংশগ্ৰহণ। মুঠ পঞ্জীয়ন কৰা শিক্ষাৰ্থীৰ ভিতৰত ছাত্ৰীৰ সংখ্যা ৫৮ শতাংশ। অৰ্থাৎ প্ৰায় ১৩ লাখৰো অধিক ছাত্ৰীয়ে এই পৰীক্ষাত অৱতীৰ্ণ হ’ব। বিশেষজ্ঞসকলে এই পৰিৱৰ্তনক অতি ধনাত্মক বুলি অভিহিত কৰিছে। উল্লেখযোগ্য যে প্ৰতিবছৰে মুঠ অৱতীৰ্ণ শিক্ষাৰ্থীৰ ভিতৰত ৪৮ শতাংশৰ পৰা ৫৫ শতাংশ শিক্ষাৰ্থীয়ে সফলতা লাভ কৰে। পৰীক্ষা বিশেষজ্ঞসকলে কৈছে যে নীট-ইউজি পৰীক্ষা কেৱল জ্ঞানৰ পৰীক্ষাই নহয়, বৰং তিনিঘণ্টীয়া এই পৰীক্ষাই এগৰাকী শিক্ষাৰ্থীয়ে মানসিক চাপ কেনেদৰে নিয়ন্ত্ৰণ কৰিব পাৰে, তাৰো এক পৰিমাপ। পৰীক্ষাত মুঠ ১৮০টা প্ৰশ্ন থাকিব। সেয়েহে পৰীক্ষাৰ্থীসকলক অ’এমআৰ শ্বীট অনুশীলন কৰি থাকিবলৈ আহ্বান জনোৱা হৈছে। পৰীক্ষা বিশেষজ্ঞসকলে পৰীক্ষাৰ্থীসকলক পৰীক্ষালৈ যোৱাৰ পূৰ্বে সহপাঠীৰ সৈতে কোনো ধৰণৰ আলোচনা নকৰিবলৈ আহ্বান জনাইছে। কাৰণ এনে আলোচনাই মনোযোগ ভংগ কৰাৰ সম্ভাৱনা থাকে। ইতিমধ্যে বিভিন্ন পৰীক্ষা কেন্দ্ৰত নিৰাপত্তা জাল টানি লোৱা হৈছে। উল্লেখ্য যে সমগ্ৰ ভাৰততে মেডিকেল শিক্ষাৰ বাবে মুঠ ১.৩০ লাখ আসন আছে। নীট-ইউজি পৰীক্ষাৰ জৰিয়তে এই আসনসমূহৰ বাবে যোগ্যতা নিৰ্ধাৰণ কৰা হয়। পৰীক্ষা শেষ হোৱাৰ কেইসপ্তাহমানৰ পিছত অনুষ্ঠানটোৱে ফলাফল প্ৰকাশ কৰে। তাৰ পিছত দেশজুৰি কাউঞ্চেলিং প্ৰক্ৰিয়া আৰম্ভ হয়।

## ছত্তিশগড়ত মাওবাদীয়ে স্থাপন কৰা IED বিস্ফোৰণত ছহিদ

ছোটেবেঠিয়া আৰক্ষী থানাৰ অধীনস্থ বনাঞ্চলত। আহত অৱস্থাত উদ্ধাৰ কৰা হয় তিনিগৰাকী জোৱানক, যাক দ্ৰুতগতিতে চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়। প্ৰাপ্ত তথ্য অনুসৰি, মাওবাদীয়ে অঞ্চলটোতে আইইডি সংস্থাপন কৰি থৈছিল বুলি গোপন সূত্ৰত জানিব পৰা গৈছিল। তাৎক্ষণিকভাৱে ডিষ্ট্ৰিক্ট ৰিজাৰ্ভ গাৰ্ড (ডিআৰজি)ৰ বোমা বিশেষজ্ঞৰ এটা দল ঘটনাস্থলীত উপস্থিত হৈ আইইডি নিষ্ক্ৰিয় কৰাৰ অভিযান আৰম্ভ কৰে। সেই অভিযানতে হঠাতে এখন আইইডি বিস্ফোৰণ হয়। বিস্ফোৰণৰ ফলত চাৰিগৰাকী জোৱান শ্বহীদ হোৱাৰ লগতে আন তিনিগৰাকী জোৱান গুৰুতৰভাৱে আহত হয়। কাংকেৰ জিলাৰ আৰক্ষী অধীক্ষক নিখিল ৰাখেচ্চাই সংবাদ মাধ্যমক জনায়, “কোৰোস্কোডা অঞ্চলৰ বিভিন্ন স্থানত মাওবাদীয়ে আইইডি লুকুৱাই থৈছে বুলি আমি তথ্য পাইছিলো। সেই তথ্যৰ ভিত্তিতেই তালাচী অভিযান চলাইছিলো। হঠাতে এটা আইইডি বিস্ফোৰণ ঘটে আৰু আমাৰ চাৰিজন সহকৰ্মী জোৱানে আত্মবলিদান দিয়ে। আহতসকলক ততাতৈয়াকৈ চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে।” আৰক্ষী মহাপৰিদৰ্শক সুন্দৰৰাজ পট্টিলিংগমে কয়, “বিগত কেইমাহত আত্মসমৰ্পণ কৰা মাওবাদী কেডাৰৰ পৰা পোৱা তথ্যৰ ভিত্তিত আমি বহু আইইডি উদ্ধাৰ কৰিছিলো। আজিও সেই অভিযানৰ অংশত বিস্ফোৰকবোৰ নিষ্ক্ৰিয় কৰি থাকোঁতেই এই মৰ্মান্তিক ঘটনা সংঘটিত হয়।” ঘটনাৰ পাছতে ছত্তীশগড়ৰ মুখ্যমন্ত্ৰী বিষ্ণু দেৱ সায়ে এক শোক বাৰ্তা জাৰি কৰে। তেওঁ চমু সংবাদ মাধ্যমৰ যোগেদি কয়, “কাংকেৰ-নাৰায়ণপুৰ সীমান্ত অঞ্চলত ডিমাইনিং অভিযানৰ সময়ত আইইডি বিস্ফোৰণত ডিআৰজিৰ তিনিজন বীৰ জোৱান শ্বহীদ হোৱাৰ লগতে আন এজন জোৱান আহত হোৱা বুলি অতি দুখদায়ক বাতৰি পাইছো। শ্বহীদসকললৈ মই বিনম্ৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো। আহত জোৱানৰ সোনকালে আৰোগ্য কামনা কৰোঁ।” প্ৰাথমিক তথ্য অনুসৰি, বিস্ফোৰণত আহিত জোৱানসকল হৈছে — ইন্সপে”ৰ সুখৰাম ভাট্টি, কনিষ্টবল কৃষ্ণ কমৰা আৰু কনিষ্টবল সঞ্জয় গাডপাল। ইতিমধ্যে তেওঁলোকক উন্নত চিকিৎসাৰ বাবে উৰ্ধতন চিকিৎসালয়লৈ প্ৰেৰণ কৰা হৈছে। ন’লবাদী সক্ৰিয় থকা এই অঞ্চলত আইইডি সংস্থাপন কৰি থোৱাত স্থানীয় লোকসকল দীৰ্ঘদিন ধৰি চৰম অসুবিধাৰ সন্মুখীন হৈ আহিছে। এই বিস্ফোৰকে স্থানীয় লোকসকলৰ লগতে পশুধনৰ সুৰক্ষাৰ প্ৰতিবন্ধক হিচাপে কাম কৰি আহিছিল। তাৰেই প্ৰতিকাৰৰ বাবেই নিৰাপত্তা বাহিনীয়ে এই অভিযান চলাইছিল। কিন্তু দুৰ্ভাগ্যজনকভাৱে অভিযান চলাওঁতেই অন্য এক আইইডি বিস্ফোৰণৰ সন্মুখীন হয় জোৱানসকল। ঘটনাৰ পিছত ঘটনাস্থলীৰ আশে-পাশে নিৰাপত্তা জাল টানি লোৱা হৈছে। আইইডি নিষ্ক্ৰিয়কৰণ অভিযান সাময়িকভাৱে বন্ধ ৰখাৰ লগতে বিস্ফোৰণৰ কাৰণ নিৰূপণৰ বাবে তদন্ত আৰম্ভ কৰা হৈছে। উল্লেখযোগ্য যে অতি সোনকালে গোটেই অভিযান সম্পূৰ্ণ কৰা হ’ব বুলি আৰক্ষী সূত্ৰে জানিবলৈ দিয়ে।

## আইপিএল ২০২৬; চেন্নাইৰ

মেচখনত চেন্নাই ছুপাৰ কিংছে মুম্বাই ইণ্ডিয়ানছক ৮ উইকেটত পৰাস্ত কৰে। টছত জয়ী হৈ মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বেটিং কৰাৰ সিদ্ধান্ত লয়। কিন্তু মুম্বাইৰ ব্যাটিং শক্তি আগশাৰীৰ পৰাই সংকটৰ সন্মুখীন হয়। ফলত দলটোৱে নিৰ্ধাৰিত ২০ অভাৰত মাত্ৰ ১৫৯ ৰান সংগ্ৰহ কৰিবলৈ সক্ষম হয়। লক্ষ্য অনুসৰণ কৰি চেন্নাই ছুপাৰ কিংছে ১৯ অভাৰতেই জয় স্পৰ্শ কৰে। প্ৰথমে বেটিং কৰা মুম্বাই ইণ্ডিয়ানছৰ আৰম্ভণি আছিল দুৰ্বল। দ্বিতীয় অভাৰতেই উইল জেকছ মাত্ৰ ১ ৰান কৰি পেভিলিয়নলৈ ঘূৰি যায়। তাৰ পিছত ৰিকেল্টনে কিছু ভাল ইনিংছ খেলিলেও সপ্তম অভাৰত তেওঁৰ উইকেট পতন ঘটে। সূৰ্যকুমাৰ যাদৱে ১২টা বলত ২১ ৰান সংগ্ৰহ কৰে। ১১ অভাৰত মুম্বাইৰ স্ক’ৰে ১০০ ৰান অতিক্ৰম কৰে। নমন ধীৰে ৩৭টা বলত ৫৭ ৰানৰ এক অৰ্ধশতকীয় ইনিংছ খেলে, যাৰ বাবে মুম্বাই ১৫৯ ৰানলৈ আগবাঢ়িব পাৰে। কিন্তু নিম্নক্ৰমৰ ব্যাটাৰসকল সম্পূৰ্ণৰূপে ফ্লপ হোৱাত দলটো এই সীমাতেই আৱদ্ধ হয়। চেন্নাইৰ ব’লিংত নূৰ আহমেদে ৪ অভাৰত মাত্ৰ ২৬ ৰান খৰচ কৰি দুটা গুৰুত্বপূৰ্ণ উইকেট দখল কৰে। ১৬০ ৰানৰ জয়ৰ লক্ষ্য লৈ মৈদানত নামি চেন্নাই ছুপাৰ কিংছে সঞ্জু চেমছন আৰু ৰুতুৰাজ গাইকোৱাদৰ সৈতে ইনিংছ আৰম্ভ কৰে। চেমছন ১১ ৰানত আউট হ’লেও গাইকোৱাদে আনটো মূৰত দলীয় ইনিংছ চম্ভালে। উৰ্ভিল আউট হোৱাৰ পিছতে গাইকোৱাদে কাৰ্তিক শৰ্মাৰ সৈতে দলীয় জয়ৰ লক্ষ্যত উপনীত হয়। ১৯ অভাৰতেই মেচখন জয় কৰে চেন্নায়ে। কাৰ্তিক শৰ্মাই এই খেলত নিজৰ আই পি এল কেৰিয়াৰৰ প্ৰথমটো অৰ্ধশতক অৰ্জন কৰে, যি আছিল চেন্নাইৰ জয়ৰ অন্যতম চাবি। এই জয়ৰ ফলত চেন্নাই ছুপাৰ কিংছে পইণ্ট তালিকাত শক্তিশালী স্থান সুনিশ্চিত কৰিছে। আনহাতে মুম্বাই ইণ্ডিয়ানছৰ বাবে এই চলিত টুৰ্ণামেণ্টত ধাৰাবাহিক পৰাজয়ে চিন্তাৰ কাৰণ হৈ পৰিছে। অহা খেলসমূহত জীয়াই থাকিবলৈ হ’লে দলটোৱে গুৰুত্বপূৰ্ণ সংশোধনী আনি বেটিং লাইনআপক অধিক সুস্থিৰ কৰাৰ প্ৰয়োজন আছে।

## প্ৰসাৰ ভাৰতীৰ নতুন অধ্যক্ষ হিচাপে বিশিষ্ট

কথা ঘোষণা কৰে। সাহিত্য, বিজ্ঞাপন, চিনেমা আৰু জনসংযোগৰ ক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে প্ৰসুন যোশী সমগ্ৰ দেশতে পৰিচিত। তেওঁৰ লেখাত থকা প্ৰভাৱ আৰু গভীৰ সাংস্কৃতিক সংবেদনশীলতাই সমসাময়িক ভাৰতীয় সংবাদ মাধ্যমক এক নতুন ৰূপ দিয়াত সহায় কৰিছে। প্ৰসুন যোশীয়ে বহুতো জনপ্ৰিয় চলচ্চিত্ৰৰ গীত ৰচনা কৰাৰ লগতে কেইবাটাও সফল বিজ্ঞাপন অভিযানৰ সৈতে জড়িত হৈ আছে। সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকক চুই যোৱা কাহিনী কোৱাৰ ক্ষেত্ৰত তেওঁৰ বিশেষ পাৰদৰ্শিতা আছে। এই নিযুক্তিৰ সন্দৰ্ভত কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে তেওঁলৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে প্ৰসুন যোশী হৈছে বিজ্ঞাপন, সাহিত্য আৰু চিনেমা জগতৰ এক বিৰল প্ৰতিভা, যাৰ হৃদয় সদায় ভাৰতৰ বাবে স্পন্দিত হয়। তেওঁৰ কথাত দেশৰ মাটিৰ সুগন্ধি পোৱা যায় আৰু তেওঁৰ কামত ভাৰতীয় সংস্কৃতিৰ প্ৰকৃত স্বৰূপ ফুটি উঠে। মন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে যে যোশীৰ নেতৃত্বত প্ৰসাৰ ভাৰতীয়ে এক নতুন শক্তি, গভীৰ উদ্দেশ্য আৰু সতেজ সৃষ্টিশীল কণ্ঠ লাভ কৰিব। প্ৰসাৰ ভাৰতীৰ দায়িত্ব লোৱাৰ পূৰ্বে প্ৰসুন যোশীয়ে ২০১৭ চনৰ আগষ্ট মাহৰ পৰা মুম্বাইৰ কেন্দ্ৰীয় চলচ্চিত্ৰ প্ৰমাণীকৰণ ব’ৰ্ডৰ অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰি আছিল। তাত তেওঁ চলচ্চিত্ৰ উদ্যোগৰ সকলোৰে সৈতে মিলি প্ৰমাণীকৰণ প্ৰক্ৰিয়াটোক অধিক শক্তিশালী কৰি তুলিছিল আৰু সৃষ্টিশীলতা তথা নীতি-নিয়মৰ মাজত এক সুন্দৰ ভাৰসাম্য বজাই ৰাখিছিল। ইয়াৰ উপৰিও তেওঁ মেককেন ৱৰ্ল্ড গ্ৰুপ ইণ্ডিয়াৰ মুখ্য কাৰ্যবাহী বিষয়া আৰু মেককেন ৱৰ্ল্ড গ্ৰুপ এছিয়া পেচিফিকৰ অধ্যক্ষ হিচাপেও কাম কৰিছিল। ২০১৬ চনৰ পৰা তেওঁ ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলা কেন্দ্ৰৰ অন্যতম ট্ৰাষ্টী হিচাপেও জড়িত হৈ আছে। বৰ্তমান সময়ত ৰাজহুৱা সম্প্ৰচাৰৰ ক্ষেত্ৰত প্ৰযুক্তিৰ দ্ৰুত পৰিৱৰ্তন আৰু দৰ্শকৰ সলনি হোৱা আশা-আকাংক্ষাৰ মাজত যোশীৰ এই বিশাল অভিজ্ঞতাই প্ৰসাৰ ভাৰতীলৈ এক নতুন দৃষ্টিভংগী কঢ়িয়াই আনিব বুলি সকলোৱে বিশ্বাস কৰিছে। উল্লেখযোগ্য যে ১৯৯০ চনৰ প্ৰসাৰ ভাৰতী আইনৰ অধীনত প্ৰতিষ্ঠা হোৱা প্ৰসাৰ ভাৰতীয়ে ১৯৯৭ চনৰ পৰা ভাৰতৰ স্বায়ত্তশাসিত জনসেৱা সম্প্ৰচাৰক হিচাপে কাম কৰি আহিছে। ইয়াৰ দুটা প্ৰধান বিভাগ হৈছে অল ইণ্ডিয়া ৰেডিঅ’ বা আকাশবাণী আৰু দূৰদৰ্শন। আকাশবাণীয়ে বিশ্বৰ অন্যতম বৃহৎ ৰেডিঅ’ নেটৱৰ্ক হিচাপে চহৰ আৰু গাঁৱৰ লাখ লাখ লোকক বিভিন্ন ভাষা-উপভাষাত সংযোগ কৰে। আনহাতে দূৰদৰ্শনে ভাৰতৰ ৰাষ্ট্ৰীয় টেলিভিছন হিচাপে বাতৰি, শিক্ষা, মনোৰঞ্জন আৰু সাংস্কৃতিক অনুষ্ঠানকে ধৰি বহুতো গুৰুত্বপূৰ্ণ বিষয়বস্তু সমগ্ৰ দেশবাসীলৈ আগবঢ়ায়।

## সোমবাৰে সিদ্ধাৰ্থ শৰ্মাৰ

চূড়ান্ত ৰায় আগন্তুক সোমবাৰে (৪ মে’) ঘোষণা কৰিব। এই গোচৰটোত দৈনিক শুনানি চলাই থকা আদালতে ইতিমধ্যে ২৮ এপ্ৰিলত জামিন আবেদনৰ শুনানি সম্পূৰ্ণ কৰিছিল। প্ৰথমতে ২ মে’ত ৰায় ঘোষণাৰ দিন ধাৰ্য কৰা হৈছিল যদিও আদালতৰ কাৰ্যবিধি স্থগিত থকাৰ বাবে ৰায় ঘোষণা পিছুৱাই সোমবাৰলৈ স্থগিত ৰখা হয়। ইয়াৰ পূৰ্বে আদালতে এক গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰি অভিযুক্ত সিদ্ধাৰ্থ শৰ্মাৰ মালিকানাধীন ‘মহাবীৰ একুৱা’ নামৰ পানী প্ৰস্তুতকৰণ কাৰখানা জব্দ কৰাৰ লগতে তেওঁৰ ব্যৱহৃত ৬টা বেংক একাউণ্ট স্থগিত কৰাৰ নিৰ্দেশ দিয়ে। তদন্তৰ সময়ত এই একাউণ্টসমূহত ১ কোটি টকাতকৈ অধিক ধন থকা তথ্য পোহৰলৈ আহে। অভিযোগ পক্ষৰ মতে, এই ধনৰ বৈধ উৎস প্ৰমাণ কৰিবলৈ সিদ্ধাৰ্থ শৰ্মাই কোনো স্পষ্ট তথ্য আগবঢ়াব পৰা নাই। আদালতে আৰু উল্লেখ কৰে যে আগন্তুক শুনানিত যদি শৰ্মাই এই সম্পত্তিৰ উৎস প্ৰমাণ কৰিব নোৱাৰে, তেন্তে জব্দ কৰা ধন জুবিন গাৰ্গৰ পৰিয়ালৰ সদস্য বা তেওঁৰ চৰকাৰী ট্ৰাষ্টলৈ হস্তান্তৰ কৰা হ’ব পাৰে। এই সিদ্ধান্তই গোচৰটোৰ গুৰুত্ব আৰু সংবেদনশীলতা স্পষ্ট কৰি তুলিছে। ইফালে, একে গোচৰতে বিশেষ ফাষ্ট-ট্ৰেক আদালতে শ্যামকানু মহন্তৰ জামিন আবেদন ইতিমধ্যে নাকচ কৰিছে। ফলত মহন্তই এই মৰ্মান্তিক ঘটনাৰ সৈতে জড়িত হৈ জেলত থকা অৱস্থাতে বিচাৰৰ সন্মুখীন হৈ আছে। এতিয়া সকলোৰে দৃষ্টি সোমবাৰৰ ফালে। আদালতৰ চূড়ান্ত ৰায়ে এই গোচৰটোক নতুন মোড় দিব পাৰে। ইতিমধ্যে এই কাণ্ডক লৈ সমগ্ৰ অসম তথা উত্তৰ-পূৰ্বাঞ্চলত ব্যাপক আলোড়ন সৃষ্টি হৈছে।

## অনিয়মৰ অভিযোগ; ফাল্টাতো

প্ৰক্ৰিয়া নিশ্চিত কৰাৰ বাবে এই প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা হৈছে
২৪ পৰগনা জিলাত পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল। মগৰাহাট পশ্চিম আৰু ডাইমণ্ড হাৰ্বাৰ বিধানসভা সমষ্টিৰ মুঠ ১৫টা ভোটকেন্দ্ৰত এই ভোটগ্ৰহণ হয়। ইয়াৰে ১১টা বুথ আছিল মগৰাহাট পশ্চিমত আৰু ৪টা বুথ ডাইমণ্ড হাৰ্বাৰত। এতিয়া নিৰ্বাচন আয়োগে স্পষ্ট কৰি দিছে যে একেধৰণৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ফাল্টা বিধানসভা সমষ্টিতো পুনৰ ভোটগ্ৰহণ অনুষ্ঠিত হ’ব। এই সিদ্ধান্তৰ পিছতে প্ৰশাসনিক প্ৰস্তুতি ত্বৰান্বিত কৰা হৈছে। আয়োগৰ নিৰ্দেশ অনুসৰি সহায়ক ভোটকেন্দ্ৰকে ধৰি ফাল্টা সমষ্টিৰ মুঠ ২৮৫টা ভোটকেন্দ্ৰতে পুনৰ ভোটগ্ৰহণ কৰা হ’ব। প্ৰতিটো ভোটকেন্দ্ৰত সামঞ্জস্যপূৰ্ণ পৰিৱেশ সুনিশ্চিত কৰাৰ লগতে ব্যাঘাতৰ যিকোনো সম্ভাৱনা নাইকিয়া কৰিবলৈ সমগ্ৰ প্ৰক্ৰিয়াটো একেলগে চলোৱা হ’ব। নিৰ্বাচন আয়োগে পুনৰ ভোটদানৰ তাৰিখো ঘোষণা কৰিছে। অহা ২১ মে’ত পুৱা ৭ বজাৰ পৰা সন্ধিয়া ৬ বজালৈ ভোটগ্ৰহণ অনুষ্ঠিত হ’ব। কটকটীয়া নিৰাপত্তা নিশ্চিত কৰাৰ লগতে প্ৰতিটো ভোটকেন্দ্ৰত শান্তিপূৰ্ণ ভোটদান নিশ্চিত কৰিবলৈ আয়োগে বিষয়াসকলক নিৰ্দেশ দিছে। ভোটগ্ৰহণ সমাপ্ত হোৱাৰ পিছত ২৪ মে’ত ভোট গণনা অনুষ্ঠিত হ’ব। এই দিনটোতে ফলাফল স্পষ্ট হৈ পৰিব আৰু প্ৰাৰ্থীসকলৰ ভাগ্য নিৰ্ণয় হ’ব। নিৰ্বাচন আয়োগে সংশ্লিষ্ট সকলো বিষয়াক সময়মতে প্ৰস্তুতি সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিছে। লগতে কোনো ধৰণৰ সমস্যাৰ সৃষ্টি নহয় তাৰ বাবে ভোটদান প্ৰক্ৰিয়া তীক্ষ্ণ নিৰীক্ষণ কৰা হ’ব বুলিও উল্লেখ কৰা হৈছে। এতিয়া সকলোৰে দৃষ্টি ২১ মে’ত হ’বলগীয়া পুনৰ ভোটদান আৰু ২৪ মে’ত অনুষ্ঠিত হ’বলগীয়া ফলাফলৰ ওপৰত। আয়োগৰ সিদ্ধান্তক স্বাগতম জনাইছে বহু ৰাজনৈতিক মহলে, আনহাতে কিছু মহলে এই সিদ্ধান্তক সময়সাপেক্ষ বুলিও মন্তব্য কৰিছে।

## ইংলেণ্ড ভ্ৰমণৰ বাবে ইণ্ডিয়া

ক্ৰিকেট সংস্থাই আজি এক আনন্দৰ বাৰ্তা প্ৰচাৰ কৰি এই কথা সদৰি কৰে। সংস্থাটোৰ পক্ষৰ পৰা জনোৱা মতে, উমা আৰু জিণ্টিমণিৰ নিৰ্বাচনে অসমৰ মহিলা ক্ৰিকেটৰ বাবে এক গৌৰৱৰ মুহূৰ্ত কঢ়িয়াই আনিছে। ইংলেণ্ড ভ্ৰমণৰ বাবে নিৰ্বাচিত ভাৰতীয় মহিলা ‘এ’ দলে দুবিধ ফৰমেটৰ খেল খেলিব— টি-২০ আৰু এদিনীয়া। উমা চেত্ৰী আৰু জিণ্টিমণি কলিতা উভয় শৃংখলাতে সুযোগ লাভ কৰিছে। তেওঁলোকে আগন্তুক মাহত ইংলেণ্ডলৈ যাত্ৰা কৰিব আৰু ইংলেণ্ড ‘এ’ দলৰ বিৰুদ্ধে খেলিব। অসম ক্ৰিকেট সংস্থাৰ সচিবগৰাকীয়ে উমা আৰু জিণ্টিমণিক শুভেচ্ছা জনাই কয়, “এই নিৰ্বাচনে অসমৰ মহিলা ক্ৰিকেটৰ উন্নতিৰ প্ৰমাণ দিয়ে। আমি আশাবাদী যে তেওঁলোকে ইংলেণ্ডত উত্তম প্ৰদৰ্শন কৰি ৰাজ্যলৈ সন্মান কঢ়িয়াই আনিব।”

## ভোট গণনাৰ বাবে সাজু লখিমপুৰ জিলা প্ৰশাসন

**অসম বাৰ্তা, লীলাবাৰী, ২ মে’ঃ** সমগ্ৰ ৰাজ্যৰ লগতে লখিমপুৰ জিলাৰ ৫টা বিধানসভা সমষ্টিৰ নিৰ্বাচনী ফলাফল ঘোষণাৰ বাবে মাত্ৰ এটা দিন বাকী। ৪ মে’ৰ পুৱা ৮ বজাৰ পৰা উত্তৰ লখিমপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত কটকটীয়া নিৰাপত্তাৰ মাজত ভোটগণনা প্ৰক্ৰিয়া আৰম্ভ হ’ব। লখিমপুৰৰ ৫টা বিধানসভা সমষ্টিৰ ২৪ গৰাকীৰ প্ৰাৰ্থীৰ ভিতৰত কোনে মাৰিব শেষ হাঁহি তাকে লৈ আৰম্ভ হৈছে জল্পনা-কল্পনা। আজি লখিমপুৰ জিলাৰ মুখ্য নিৰ্বাচনী বিষয়া তথা আয়ুক্ত আদিত্য বিক্ৰম যাদৱৰ অধ্যক্ষতাত আয়ুক্ত কাৰ্যালয় প্ৰেক্ষাগৃহত ভোটগণনা প্ৰস্তুতি সম্পন্ন হোৱা সন্দৰ্ভত এখন সংবাদমেল সম্বোধন কৰে। জিলা আয়ুক্ত তথা নিৰ্বাচনী বিষয়া গৰাকীয়ে সংবাদ মাধ্যমক জনাই যে, জিলাখনৰ ৫টা বিধানসভা সমষ্টিৰ বাবে পৃথক পৃথক গণনা কক্ষ থকাৰ সমান্তৰালকৈ প্ৰতিটো ইভিএম গণনা কক্ষত ১৪ খনকৈ টেবুল থাকিব। ৭৩ নং বিহপুৰীয়া বিধানসভা সমষ্টিৰ বাবে গৃহ নং ১ত ইভিএম আৰু হ’ল নং ৭ত পোষ্টেল বেলট গণনা কৰা হ’ব। ৭৪ নং ৰঙানদী বিধানসভা সমষ্টিৰ বাবে গৃহ নং ৪ ত ইভিএম আৰু হল নং ১০ পোষ্টেল বেলট গণনাৰ লগতে ৭৫ নং নাওবৈচা বিধানসভা সমষ্টিৰ বাবে গৃহ নং ৩ত ইভিএম আৰু হল নং ৯ পোষ্টেল বেলট গণনা হ’ব। সমান্তৰালকৈ ৭৬ নং লখিমপুৰ বিধানসভা সমষ্টিৰ বাবে গৃহ নং ২ ত ইভিএম আৰু হল নং ৮ পোষ্টেল বেলট গণনা হ’ব। ৭৭ নং ঢকুৱাখানা বিধানসভা সমষ্টিৰ বাবে গৃহ নং ৫-৬ ত ইভিএম আৰু গৃহ নং ১১ পোষ্টেল বেলট গণনা কৰা হ’ব। নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি, পুৱা ৮ বজাত প্ৰথমে ডাক যোগে অহা পোষ্টেল বেলট পেপাৰসমূহ গণনা কৰা হ’ব। ইয়াৰ ৩০ মিনিটৰ পাছত অৰ্থাৎ ইভিএমত বন্দী হোৱা ভোটসমূহৰ গণনা আৰম্ভ হ’ব। ‘ইলেক্ট্ৰনিকলি ট্ৰেন্সমিটেড পোষ্টেল বেলট চিষ্টেম স্কেনিঙ’ৰ বাবে ১২ নম্বৰ হলটো নিৰ্ধাৰণ কৰা হৈছে বুলি সংবাদমেলত আয়ুক্ত গৰাকীয়ে জানিবলৈ দিয়ে আৰু ৰাইজৰ সহযোগিতা কামনা কৰে। সংবাদমেলত উপস্থিত থকা লখিমপুৰ জিলাৰ জেষ্ঠ আৰক্ষী অধীক্ষক গুণেন্দ্ৰ ডেকাই ভোটগণনা কেন্দ্ৰত তিনিতৰপীয়া নিৰাপত্তা বেহু গঢ়ি তোলাৰ লগতে সমগ্ৰ প্ৰক্ৰিয়া চিচিটিভি কেমেৰাৰ জৰিয়তে নিৰীক্ষণ কৰা হ’ব বুলি জানিবলৈ দিয়ে। গণনা কেন্দ্ৰৰ ভিতৰত মোবাইল ফোন বা কোনো ধৰণৰ ইলেক্ট্ৰনিক গেজেটৰ ব্যৱহাৰ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছে। আনহাতে, সংবাদ মাধ্যমৰ বাবে খবৰ সংগ্ৰহৰ ক্ষেত্ৰত যাতে কোনো অসুবিধা নহয়, তাৰ বাবে এটা সুকীয়া ‘মিডিয়া চেণ্টাৰ’ মুকলি কৰাৰ কথাও জানিবলৈ দিয়ে। ইয়াৰ পৰা নিৰ্ধাৰিত সময়ৰ অন্তৰে অন্তৰে প্ৰতিটো ৰাউণ্ডৰ ফলাফল আৰু প্ৰাৰ্থীসকলে লাভ কৰা ভোটৰ তথ্য আনুষ্ঠানিকভাৱে প্ৰদান কৰা হ’ব। ভোটগণনা কেন্দ্ৰৰ পৰিৱেশ শান্তিপূৰ্ণ কৰি ৰাখিবলৈ আৰু নিৰ্বাচন আয়োগৰ নীতি-নিৰ্দেশনা পালন কৰিবলৈ জিলা আয়ুক্ত আৰু জেষ্ঠ আৰক্ষী অধীক্ষক গৰাকীয়ে সৰ্বসাধাৰণ ৰাইজ তথা প্ৰাৰ্থীসকলক সহযোগিতাৰ আহ্বান কৰিছে। উল্লেখযোগ্য যে, সংবাদমেলখনত অতিৰিক্ত আৰক্ষী অধীক্ষক লৱ কুমাৰ ডেকা, জিলা তথ্য আৰু জনসংযোগ বিষয়া প্ৰাচুৰ্য প্ৰতীম নেওগে অংশগ্ৰহণ কৰাৰ লগতে কেইবাজনো অতিৰিক্ত আয়ুক্তই অংশগ্ৰহণ কৰে।

# তিনিচুকীয়াত কেন্দ্ৰীয়ভাৱে মে' দিৱস উদ্‌যাপন




**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ২ মে'**ঃ আজি ১৪১ সংখ্যক আন্তৰ্জাতিক শ্ৰমিক দিৱসটো তিনিচুকীয়া কেন্দ্ৰীয় মে' দিৱস উদ্‌যাপন সমিতিৰ উদ্যোগত তিনিচুকীয়াৰ সুবচনী পথত অৱস্থিত অসম চাহ মজদুৰ সংঘৰ পানীতোলা শাখাৰ কাৰ্যালয় প্ৰাঙ্গনত কেন্দ্ৰীয় ট্ৰেড ইউনিয়নসমূহ বিশেষকৈ — আই.এন.টি.ই.ড.চি., চি.আই.টি.ই.ড., এ.আই.চি.চি.টি.ইউ., আৰু উক্ত সংগঠনসমূহৰ অন্তৰ্ভুক্ত এ.চি.এম.এছ., অল আছাম কণ্ট্ৰে"ৰ ৱাৰ্কাৰ্চ ইউনিয়ন, অসম গৃহ শ্ৰমিক মহিলা ইউনিয়ন, সদৌ অসম নিৰ্মাণ শ্ৰমিক ইউনিয়ন, অসম সংগ্ৰামী চাহ শ্ৰমিক সংঘ, সদৌ অসম গাড়ী চালক সন্থা আৰু অল ইণ্ডিয়া ফেডাৰেচন অৱ ইলেক্ট্ৰিচিটি এমপ্‌-য়িজ ইউনিয়নৰ অন্তৰ্ভুক্ত আছাম ষ্টেট পাৱাৰ ৱৰ্কাৰ্চ ইউনিয়ন আৰু বিৰোধী ৰাজনৈতিক মৰ্চাৰ অংশীদাৰ সংগঠনসমূহ সমন্বিতে প্ৰায় সহস্ৰাধিক শ্ৰমিক-কৰ্মচাৰীৰ অংশগ্ৰহণত অনুষ্ঠিত হয়। আৰম্ভণিতে মে' দিৱসৰ ৰঙা পতাকা উত্তোলন কৰে এআই চিচিটিইউৰ কেন্দ্ৰীয় উপদেষ্টা কমৰেড সুভাষ সেনে আৰু অসম চাহ মজদুৰ সংঘৰ উত্তোলন কৰে সংঘৰ পানীতোলা শাখাৰ সম্পাদক তথা প্ৰাক্তন বিধায়ক ৰাজু চাহুৱে। ছহিদ তৰ্পণ কাৰ্যসূচী মুকলি কৰে 'চিটু'ৰ নেতা বিশ্বনাথ বনিয়াই। ইয়াৰ পাছতেই উলিওৱা মে' দিৱসৰ শোভাযাত্ৰা এ.চি.এম.এছৰ কাৰ্যালয়ৰ পৰা আৰম্ভ হৈ থানা চাৰিআলি হৈ তিনিচুকীয়া চহৰ পৰিভ্ৰমণ কৰি পুনৰ এচিএমএছৰ কাৰ্যালয়ত সামৰণি মৰা হয়। মে' দিৱসৰ মুকলি সভাত সভাপতিমণ্ডলীত আসন গ্ৰহণ কৰে ৰাজু চাহু, সুভাষ সেন, ড০ ৰাম পুকাৰ ঝাই। সভাত বিশিষ্ট সাংবাদিক অমূল্য খাটনিয়াৰ আৰু ট্ৰেড ইউনিয়ন নেতা ক্ৰমে মানৱ চেতিয়া, শৈলেন্দ্ৰ শইকীয়া, বিজয় গোহাঁই, জিতেন শৰ্মা, ধন দত্ত, গৌতম দাস, পূৰ্ণ কাকতি আৰু বিশ্বজিৎ বণিয়াই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। বিশ্বজিৎ বণিয়াই উদ্দেশ্য ব্যাখ্যা কৰাৰ পাছত শ্ৰমিক সভাখনক সম্বোধন কৰি এ.আই.চি.চি.টি.ইউৰ কেন্দ্ৰীয় উপদেষ্টা সুভাষ সেনে কয় যে শ্ৰেণীবিভক্ত সমাজত তাহানিৰ পৰাই সম্পদশালী শ্ৰেণীয়েই সমাজৰ আইন ৰচনা কৰি আহিছিল। সেইদৰে পুঁজিবাদী ব্যৱস্থাতো পুঁজিপতি শ্ৰেণীয়েই শতিকাজুৰি ১৮ৰ পৰা ২০ ঘণ্টালৈকে শ্ৰম দিৱসৰ নিয়ম সৃষ্টি কৰি সম্পদ উৎপাদনকাৰী শ্ৰমিক শ্ৰেণীৰ ওপৰত শোষণ নিৰ্যাতন জাপি দিছিল। এইদৰে গোটেই বিশ্বজুৰি চলি অহা শ্ৰম-দাসত্বৰ বিৰুদ্ধে বিশ্বৰ শ্ৰমিক শ্ৰেণীৰ হৈ আমেৰিকাৰ বৃহত্তম উদ্যোগনগৰী চিকাগো চহৰৰ হে' মাৰ্কেটত ৪ লক্ষাধিক শ্ৰমিকে সংগঠিত কৰা সমদল বিক্ষোভকাৰীৰ ওপৰত মাৰ্কিন পুলিচে চলোৱা গুলীচালনাৰ ফলত তিনিজন শ্ৰমিক- আগষ্ট স্পাইজ, এলবাৰ্ট পাৰ্চনচ আৰু এডল্ফ ফিচাৰ চহিদ হোৱা আৰু অসংখ্যজন আহত হোৱাৰ মাজেদি বিশ্বত পোন প্ৰথমবাৰৰ বাবে ইমান দিনে মালিক গোষ্ঠীৰ হাতৰ পৰা আইন ৰচনা কৰাৰ অধিকাৰ কাঢ়ি আনি ৮ ঘণ্টীয়া শ্ৰম দিৱসৰ আইনী বিষয়ৰ বিশ্বজোৰা স্বীকৃতি লাভ কৰিলে। এয়া হ'ল ইতিহাসৰ এক যুগান্তকাৰী ঘটনা। শ্ৰমিকে যে ঐক্যবদ্ধভাৱে যুঁজিলে মালিক পক্ষক পৰাভূত কৰিব পাৰে সেয়া বাৰুকৈয়ে প্ৰমাণিত হ'ল। এই সফলতাৰ ধাৰাবাহিকতাই পিছত শ্ৰমিক শ্ৰেণীক বিপুলভাৱে প্ৰভাৱিত কৰিলে আৰু এক নতুন সমাজ ব্যৱস্থা 'সমাজবাদী সমাজ' গঠনৰ দিশে আগবাঢ়ি গ'ল। এইদৰে ১৯১৭ চনত বিশ্বত পোনপ্ৰথমবাৰৰ বাবে ৰুচ দেশত লেনিনৰ নেতৃত্বত সমাজতান্ত্ৰিক সমাজৰ ভিত্তি স্থাপন কৰিলে আৰু ইয়াৰ পাছত আন দেশতো আৰু চীন লেটিন আমেৰিকাৰ কিউবা, ভেনিজুৱেলা আদি দেশতো পৰিবৰ্তন হ'ল। এই ফলাফলৰ প্ৰভাৱতে ভাৰততো ৮ ঘণ্টীয়া কৰ্ম দিৱসৰ দাবীত ব্যাপক আন্দোলন গঢ় লৈ উঠিল। ভাৰতবৰ্ষত শ্ৰমিক আন্দোলনৰ ফল স্বৰূপে ১৮৮১ চনত ফে"ৰী আইন আৰু ১৯২৩ চনত ৱাৰ্কমেনছ কম্পেনচেচন এক্ট আজুৰি অনাৰ কালছোৱাত বৃটিছ বিৰোধী গণ আন্দোলনৰ উত্তাল জোৱাৰত শ্ৰমিক শ্ৰেণীয়ে বহুতো অধিকাৰ অৰ্জন কৰিবলৈ সক্ষম হৈছিল। আমাৰ অভিজ্ঞতা হৈছে যে শ্ৰমিকৰ দাবী-দাবাৰ আন্দোলনত যেতিয়া ৰাজনৈতিক দলেও যুক্ত হৈছিল তেতিয়াই শ্ৰমিকৰ দাবী আদায়ৰ পথ সুগম হৈছিল। আৰু বিপৰীতে শ্ৰমিক আন্দোলন শক্তিশালী হ'লেহে ৰাজনৈতিক দলে গতিশীলতা তথা অগ্ৰগতি লাভ কৰিছিল। এই দৃষ্টিকোণৰ পৰাই এই বাৰ তিনিচুকীয়াত পোন প্ৰথমবাৰৰ বাবে মূলতঃ শ্ৰমিকৰ মে' দিৱস উদযাপনৰ পক্ষত থাকি বিজেপি বিৰোধী দলসমূহে মে' দিৱস উদযাপনৰ কাৰ্যসূচীত অংশ গ্ৰহণ কৰি শ্ৰমিক আন্দোলন শক্তিশালী কৰিব বুলি কামনা কৰিয়েই শ্ৰমিক শ্ৰেণীৰ সংগঠন আৰু ৰাজনৈতিক দলৰ অংশগ্ৰহণত তিনিচুকীয়া কেন্দ্ৰীয় মে' দিৱস উদযাপন সমিতি গঠন কৰা হৈছে। কিছু অসংহত অৱস্থা বৰ্তি থাকিলেও আগত দিনত ইয়ে ফলপ্ৰসূ নীতিগত অৱস্থানলৈ উন্নীত হ'ব বুলি আমাৰ দৃঢ়বিশ্বাস। আজি ট্ৰাম্প নেতৃত্বাধীন সাম্ৰাজ্যবাদী আগ্ৰাসনে ইজৰাইলক লগত লৈ গোটেই বিশ্বত বিশেষকৈ তেলসমৃদ্ধ ৰাষ্ট্ৰসমূহৰ ওপৰত যি আক্ৰমণ নমাইছে আৰু দেশৰ মোদী চৰকাৰেও শ্ৰমকোডড কাৰ্যকৰী কৰি শ্ৰমিক শ্ৰেণীক দাসলৈ ৰূপান্তৰিত কৰি সাম্ৰাজ্যবাদৰ পক্ষত থিয় কৰোৱাবলৈ যি উদ্যোগ লৈছে, ইয়াৰ বিৰুদ্ধে শ্ৰমিক শ্ৰেণীৰ সংগ্ৰাম শক্তিশালী কৰি আমি দেশক মাৰ্কিন সাম্ৰাজ্যবাদৰ শোষণৰ মৃগয়াক্ষেত্ৰলৈ পৰিণত কৰাৰ পৰা ৰক্ষা কৰিব লাগিব। লগতে সাম্প্ৰদায়িকতাবাদ আৰু ফেচিবাদ প্ৰতিহত কৰি দ্বিতীয় স্বাধীনতাৰ সংগ্ৰাম আগুৱাই লৈ গৈহে শ্ৰমিক শ্ৰেণীৰ আন্দোলনক ন ৰূপত গতিশীল কৰি আমি শ্ৰমিক বিৰোধী শ্ৰমকোডৰ বিৰুদ্ধে শ্ৰমিক আন্দোলনক আগুৱাই নিবলৈ সক্ষম হ'ম — আজিৰ মে' দিৱসত আমি এইদৰেই চৰকাৰৰ শ্ৰমকোডৰ বিৰুদ্ধে কেৱল এদিনৰ পৰিবৰ্তে ধাৰাবাহিকভাৱে কেইবাদিনৰ ধৰ্মঘট পালনৰ ক্ষেত্ৰত যুক্ত হোৱাৰ বাবে অঙ্গীকাৰবদ্ধ হ'ব লাগিব আৰু ইয়াৰ বাবে যি কোনো ধৰণৰ ত্যাগ স্বীকাৰ কৰিব লাগিব বুলি শ্ৰীসেনে সহস্ৰাধিক শ্ৰমিকক উদাত্ত আহ্বান জনায়। বিৰোধী মৰ্চাৰ ৰাজনৈতিক নেতাসকল ৰাম পুকাৰ ঝা, বিশিষ্ট সাংবাদিক অমূল্য খাটনিয়াৰ, প্ৰাক্তন বিধায়ক ৰাজু চাহু, আদিয়ে বক্তব্য দাঙি ধৰি শ্ৰমিক সকলৰ দুখ দুৰ্দশাৰ ওৰ পেলাবলৈ নিৰ্ভীকভাৱে ঐক্যবদ্ধ আন্দোলনৰ পোষকতা কৰে। সভাৰ অন্তত সুৰেশ ভূমিজে শলাগৰ শৰাই আগবঢ়ায়। ইপিনে চেণ্টাৰ ফৰ ইণ্ডিয়ান ট্ৰেড ইউনিয়ন চমুকৈ (চিটু)ৰ ডুমডুমা সমন্বয়ৰক্ষী সমিতিৰ উদ্যোগত ডুমডুমা শাখা সাহিত্য সভা ভৱনত মে' দিৱস উদযাপন কৰা হয়। এই উপলক্ষে আয়োজিত সভাত চিটুৰ নেতা নগেন চুতীয়াই মুখ্য বক্তা হিচাপে অংশগ্ৰহণ কৰি বক্তব্য প্ৰদান কৰে।

# ধুপধৰা পদুপাৰাত 'আপকু'ৰ ৩৩ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

## তিনি বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ১ মে'**ঃ কৰ্তব্যৰত সাংবাদিক সকলে নিজৰ জীৱনকো তুচ্ছ জ্ঞান কৰি বিপদ সংকুল পৰিস্থিতিতো নিৰবিচিন্নভাৱে সংবাদ সেৱা আগবঢ়াই আহিছে। গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভস্বৰূপ সাংবাদিক সকলে নিজৰ প্ৰাপ্য বিচাৰি নিজৰ অধিকাৰ বিচাৰি সংগ্ৰাম কৰিব লগা হোৱাটো অতি দুৰ্ভাগ্যজনক। এই মন্তব্য আপকু কেন্দ্ৰীয় সমিতিৰ সভাপতি স্বপন কুমাৰ ৰাভাৰ। অসমৰ মফচলীয় সাংবাদিক সকলৰ চৰকাৰী পঞ্জীয়নভূক্ত অসমৰ সৰ্ববৃহৎ সংগঠন আসাম প্ৰেছ ক'ৰেছপণ্ডেণ্টছ ইউনিয়ন' চমুকৈ 'আপকু'ৰ ৩৩ সংখ্যক প্ৰতিষ্ঠা দিৱস গোৱালপাৰা জিলা 'আপকু'ৰ উদ্যোগত আজি জিলাখনৰ পূৰপ্ৰান্তৰ পদুপাৰা আঞ্চলিক বজাৰ উন্নয়ন সমিতিৰ প্ৰেক্ষাগৃহত বৃহস্পতিবাৰে দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। কাৰ্যসূচী অনুসৰি ৰাতিপুৱা "আপকু" গোৱালপাৰা জিলা সমিতিৰ সভাপতি ভবেশ চন্দ্ৰ ভাগৱতীয়ে "আপকু"ৰ পতাকা উত্তোলন কৰাৰ লগেলগে আপকু শীৰ্ষক সংগীত বাজি উঠে। তাৰ পিচতেই ৰাজ্যখনত ভিন্ন প্ৰান্তত নিজ কৰ্তব্য সম্পাদনৰ সময়ত আততায়ীৰ হাতত মৃত্যুবৰণ কৰা ৩২ গৰাকী শ্বহীদ সাংবাদিকক শ্ৰদ্ধাৰে স্মৰণ কৰি স্মৃতি তৰ্পন কৰে আপকু কেন্দ্ৰীয় সমিতিৰ সভাপতি স্বপন কুমাৰ ৰাভাই। স্মৃতি তৰ্পন অনুষ্ঠানৰ পিচত জিলা সমিতিৰ সভাপতি ভৱেশ চন্দ্ৰ ভাগৱতীৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা আৰু সম্বৰ্ধনা অনুষ্ঠান। জিলা সমিতিৰ সম্পাদক জ্যোতিষ নাথে আঁত ধৰা এই অনুষ্ঠানত তিনিগৰাকী বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। মুকলি সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকি 'আপকু' কেন্দ্ৰীয় সমিতিৰ সভাপতি স্বপন কুমাৰ ৰাভাই ৩৩বছৰীয়া আপকুৰ ইতিহাস, প্ৰত্যাহ্বান মুলক সাংবাদিকতাৰ অভিজ্ঞতা, সাংবাদিকৰ সুৰক্ষা নিৰাপত্তা আৰু সমস্যা সমূহৰ ওপৰত সুন্দৰ ভাষণ আগবঢ়ায়। আনহাতে সভাখনত সম্বৰ্ধিত ব্যক্তি ক্ৰমে পদুপাৰা আঞ্চলিক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ইউছুফ আলী আনছাৰী, অৱসৰপ্ৰাপ্ত শিক্ষক মহফুৰ ৰহমান আৰু ধূপধৰা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বিশ্বজিৎ নাথক একোখনকৈ মানপত্ৰ আৰু ফুলাম গামোচাৰে জিলা আপকুৰ ফালৰ পৰা সম্বৰ্ধনা জনোৱা হয়। সভাত পদুপাৰা আঞ্চলিক উচ্চতৰ মাধ্যমিক বিদ্যালয় ভাৰপ্ৰাপ্ত অধ্যক্ষ ইউছুফ আলী আনছাৰীয়ে সাংবাদিক সকলে নানা ঘাত-প্ৰতিঘাতৰ মাজেৰে সংবাদ সেৱা আগবঢ়োৱাৰ পিছতো নিজৰ প্ৰাপ্য বিচাৰি সংগ্ৰাম কৰিব লগা হোৱাটো দুৰ্ভাগ্যজনক বিষয় বুলি ভাষণ প্ৰসংগত মন্তব্য আগবঢ়োৱাৰ লগতে চৰকাৰক এই বিষয়ত গুৰুত্ব প্ৰদান কৰিবলৈ আহ্বান জনায়। আনহাতে চেলাবড়ীৰ অৱসৰপ্ৰাপ্ত শিক্ষক মহফুৰ ৰহমানে কয় যে, সাংবাদিক সকল সমাজৰ এক গুৰুত্বপূৰ্ণ অংগ। তেওঁলোকে ৰাইজৰ বিভিন্ন সমস্যা, মতামত আৰু ঘটনাবলী সঠিকভাৱে উপস্থাপন কৰি সচেতনতা বৃদ্ধি কৰাৰ লগতে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি আহিছে। নিজৰ কৰ্তব্যত নিষ্ঠা আৰু দায়িত্ববোধেৰে সাংবাদিকসকলে সদায় সমাজৰ কল্যাণৰ হকে কাম কৰি আহিছে।" সভাত পদুপাৰা আঞ্চলিক উচ্চতৰ মাধ্যমিক বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আব্দুছ ছামাদ সেখ, ৰবিউল হুছেইন, অধিবক্তা ৰূপম দাসে আৰু আৰক্ষী বিষয়া আব্দুৰ ৰহিমে জনসাধাৰণৰ প্ৰতি সাংবাদিক সকলৰ দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কত সাৰুৱা ভাষণ প্ৰদান কৰে। সভাৰ অন্তত সভাপতিৰ ভাষণত ভৱেশ চন্দ্ৰ ভাগৱতীয়ে চৰকাৰী পঞ্জীয়নভুক্ত সংবাদকৰ্মী সকলৰ স্বাধীনতা, সুৰক্ষা, আৰ্থিক নিৰাপত্তাৰ লগতে সমাজৰ দাপোণ স্বৰূপ সাংবাদিকৰ অমীমাংসিত সমস্যা সমূহ সমাধানৰ দিশত চৰকাৰক গুৰুত্ব প্ৰদান কৰিবলৈ আহ্বান জনায়। বিশেষকৈ সাংবাদিক সকলক স্বাস্থ্য বীমা সুৰক্ষা, ভূমি প্ৰদান বিষয়টো গুৰুত্ব সহকাৰে লবলৈ আহ্বান জনায়। আপকুৰ প্ৰতিষ্ঠা দিৱসৰ সমূহ কাৰ্যসূচীতে আপকু কেন্দ্ৰীয় কমিটিৰ কাৰ্যনিৰ্বাহক সদস্য আব্দুল ৰচিদ, জিলা সমিতিৰ উপ-সভাপতি জয়চন্দ্ৰ ৰাভা, সদস্য ক্ৰমে মীৰ ইচৰাফ(ৰাজু), বিদ্যুৎ সৰকাৰৰ লগতে পদুপাৰা আঞ্চলৰ বহু কেইগৰাকী বিশিষ্ট সমাজকৰ্মী, ব্যৱসায়ী আৰু ছাত্ৰ-ছাত্ৰী সকল উপস্থিত থাকি সভাখন সাফল্যমণ্ডিত কৰি তোলে।

# টিৰাপ সংৰক্ষিত বনাঞ্চলত লাইকাবাসীক পুনৰ সংস্থাপনৰ সিদ্ধান্ত অসম চৰকাৰৰ

## দাঁতিকাষৰীয়া পাঁচখনকৈ গাঁৱৰ ৰাইজৰ বিৰোধিতা

**অসম বাৰ্তা বিশেষ, জাগুন, ২ মে'**ঃ তিনিচুকীয়া জিলাৰ ডিগবৈ বন সংমণ্ডলৰ অধীনৰ লেখাপানী আঞ্চলিক বন বিভাগৰ এলকাধিন টিৰাপ সংৰক্ষিত বনাঞ্চলত ডিব্ৰু ছৈখোৱাৰ লাইকা গাঁৱৰ বান বিধস্ত প্ৰায় তিনি শতাধিক পৰিয়ালক পুনৰ সংস্থাপনৰ সিদ্ধান্তক তীব্ৰ বিৰোধিতা ফানেং কেনিয়া বালিজানকে ধৰি পাঁচ খনকৈ গাঁৱৰ ৰাইজৰ। আজি ফানেং কেনিয়া আৰু বালিজান বাসী প্ৰায় পাঁচ শতাধিক ৰাইজে ফানেং গাঁও নামঘৰ প্ৰাংগণত উপস্থিত হৈ এখনি ৰাজহুৱা সভা অনুষ্ঠিত কৰে। উক্ত সভাত অসম চৰকাৰে লাইকা বাসীক পুনঃসংস্থাপনৰ বাবে লোৱা সিদ্ধান্তৰ বিৰোধিতা কৰি বৃহত্তৰ ফানেং, কেনিয়া, বাজিলান গাঁও ভূমি সুৰক্ষা সমিতি এখন গঠন কৰে। উক্ত সমিতিখনে তিনিচুকীয়া জিলা আয়ুক্ত, ডিগবৈ বন সংমণ্ডল বিষয়া, মাৰ্ঘেৰিটা সমজিলা আয়ুক্ত, মাৰ্ঘেৰিটা সমজিলা চক্ৰ বিষয়া, লেখাপানী আঞ্চলিক বন বিষয়া আৰু ফানেং, কেনিয়া, বালিজান গাঁৱৰ গাওঁ প্ৰধান আৰু লেখাপানী আৰক্ষী বিষয়াক একোখনকৈ স্মাৰক পত্ৰ দাখিল কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। ফানেং, কেনিয়া, বালিজান গাওঁ ভূমি সুৰক্ষা সমিতিখনত শিখৰ ফুকনক সভাপতি, ইন্দ্ৰেশ্বৰ কোঁৱৰক কাৰ্য্যকৰী সভাপতি, প্ৰভাত গগৈ, জয়ন্ত গোহাঁইক যুটীয়া সম্পাদক, বিপুল গগৈক সাংগঠনিক সম্পাদক হিচাপে লৈ মুঠ ৪১ জনীয়া সদস্যৰে এখন শক্তিশালী ভূমি সুৰক্ষা সমিতি গঠন কৰা হয়। উক্ত সমিতি খনে কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰি কোনো কাৰণত লাইকা বাসীক ফানেং, কেনিয়া, বালিজান গাঁৱৰ দাঁতি কাষৰীয়া টিৰাপ সংৰক্ষিত বনাঞ্চলত পুনৰ সংস্থাপন কৰিবলৈ নিদিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। উল্লেখ্য যে টিৰাপ সংৰক্ষিত বনাঞ্চল খনত বহুতো মূল্যবান গছ-গছনি আৰু দুষ্প্ৰাপ্য বন্য প্ৰাণী মজুদ আছে। যদি উক্ত বনাঞ্চলখনত মানুহৰ বসতি নিশ্চিত কৰি পুনৰ সংস্থাপন দিয়া হয় তেন্তে বনাঞ্চল খনৰ দাঁতি কাষৰীয়া ফানেং, কেনিয়া আৰু বালিজান বাসী গাঁৱৰ বাবে এক ভয়ানক ভাবুকি আহি পৰাৰ শংকা প্ৰকাশ কৰা হৈছে। বিগত সময়চোৱালৈ লক্ষ্য কৰিলে দেখা যায় যে বনাঞ্চল খনৰ দাঁতিকাষৰীয়া গাওঁ কেইখনত বন্য হস্তী আৰু মানুহৰ মাজত এক সংঘাতৰ পৰিণতিত বহু নিৰীহ লোকে প্ৰাণ হেৰুৱাব লগীয়াও হৈছে। ইয়াৰোপৰি বনাঞ্চলখনত মানুহৰ বসতি স্থাপন হলে প্ৰচুৰ পৰিমাণৰ প্ৰাকৃতিক সম্পদেৰে ভৰপূৰ বনাঞ্চলখন যে কালৰ গতিত ধ্বংস হব সেই কথা নুই কৰিব নোৱাৰি। গতিকে অসম চৰকাৰৰ সংশ্লিষ্ট বিভাগে মানৱীয়তাৰ দৃষ্টিৰে পৰ্যবেক্ষণ কৰি ভৱিষ্যতে যাতে বনাঞ্চলখনৰ লগতে অঞ্চলটোৰ পাৰিপাৰ্শ্বিকতা বিধস্ত নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি উক্ত অঞ্চলত লাইকা বাসীক পুনৰ সংস্থাপন নকৰি তাৰ পৰিৱৰ্তে অন্য ঠাইত সংস্থাপনৰ ব্যৱস্থা কৰিবলৈ আহ্বান জনাইছে গাঁওবাসীয়ে। ভূমি সুৰক্ষা সমিতিখনে এসপ্তাহৰ ভিতৰত সংশ্লিষ্ট কৰ্তৃপক্ষক স্মাৰক পত্ৰ প্ৰদান কৰি অসম চৰকাৰৰ এই সিদ্ধান্তক বাতিল কৰিবলৈ আহ্বান জনাব বুলি উল্লেখ কৰে। এই ক্ষেত্ৰত চৰকাৰে গুৰুত্ব আৰোপ নকৰিলে পাঁচখনকৈ গাঁৱৰ সহস্ৰাধিক ৰাইজে অসম চৰকাৰৰ এই সিদ্ধান্তৰ বিৰুদ্ধে তীব্ৰ গণতান্ত্ৰিক প্ৰতিবাদ সাব্যস্ত কৰিব বুলি সংবাদ মাধ্যমৰ যোগেদি জানিবলৈ দিয়ে।

# বিশ্বনাথত কেন্দ্ৰীয় মে' দিৱস উদ্‌যাপন





**অসম বাৰ্তা, বিহালী, ২ মে'**ঃ সমগ্ৰ ৰাজ্যৰ লগতে আজি বিশ্বনাথতো চিপিআই (এম) কাৰ্যালয়ৰ ধৰণী ৰিজাল ভৱনত কেন্দ্ৰীয়ভাবে উদ্‌যাপন কৰা হয় আন্তৰ্জাতিক মে' দিৱস। কাৰ্যসূচী অনুসৰি পুৱা পতাকা উত্তোলন, শ্বহীদ তৰ্পণ, শোভাযাত্ৰা সাংস্কৃতিক অনুষ্ঠান আদি কৰি উলহ মালহৰে শ্ৰমিক দিৱস উদযাপন কৰা হয়। ইয়াৰ লগত সংগতি ৰাখি বিশ্বনাথৰ চিপিআই(এম) কাৰ্যালয়ৰ ধৰণী ৰিজাল ভৱনৰ পৰা আৰম্ভ কৰি শান্তিপুৰ হৈ পুনৰ চিপিআই (এম) কাৰ্যালয়ত উপস্থিত হয়। তাৰ পিচতে শ্ৰমিক নেত্ৰী তথা চিপিআই (এম) ৰ ৰাজ্যিক সম্পাদক মণ্ডলীৰ সদস্যা সংগীতা দাস, চিআইটিইউ ৰাজ্যিক সভাপতি দীনেশ নায়ক, চিআইটিইউ বিশ্বনাথ জিলাৰ প্ৰাক্তন সভাপতি তথা বামপন্থী নেতা গংগা পৰাজুলীয়ে ৰাজহুৱা সভাত বক্তা ৰূপত অংশগ্ৰহণ কৰে। এই ৰাজহুৱা সভাৰ সভাপতি মণ্ডলীৰ ক্ৰমে ধীৰেন ভূমিজ, ধনেশ্বৰ বৰা, ভানু গোৱালা, ৰাজহুৱা সভাৰ বিষয়বস্তুৰ উপস্থাপণ কৰে, ইফালে উদযাপন কমিটিৰ যুটীয়া সম্পাদক শিৱনাথ তাঁতী, লগতে উক্ত কাৰ্যসূচীত উদযাপন কমিটিৰ কোষাধ্যক্ষ বিষ্ণু শৰ্মা, সহিতে জিলা অন্তৰ্গত সদলো উপ কমিটিৰ বিষয়ববীয়া সকল দিনজোৰা কাৰ্যসূচীত অংশগ্ৰহণ কৰি শ্ৰমিক দিৱস উদযাপন কৰে। উল্লেখ্য যে বিশ্বনাথ চাৰিআলিত ১৯৮৫ চনৰপৰা উদ্‌যাপিত হৈ আহিছে ১ মে' শ্ৰমিক দিৱস আৰু এই বছৰ ৪২ সংখ্যক মে'দিৱস উদযাপিত হয়। শোষণ বঞ্চনাত জৰ্জড়িত শ্ৰেণি বছৰ ধৰি তেওঁলোকৰ ওপৰত চলোৱা বৰ্বৰ শোষণৰ বিৰুদ্ধে অবিৰত, আপোচহীন সংগ্ৰাম চলাই আছে। বিশ্বৰ বিভিন্ন দেশ ঐক্যবদ্ধভাবে নিজৰ অধিকাৰ ৰক্ষাৰ সংগ্ৰামক জীয়াই থকাৰ পথ হিচাপে বিবেচনা কৰিছে। সেয়েহে 'আন্তৰ্জাতিক মে' দিবসটি শ্ৰমজীবী প্ৰাসংগিক। ইয়াৰ প্ৰেৰণাতে শ্ৰমজীৱী মানুহে কঠোৰ সংগ্ৰামৰ বিনিময়ত ৮ ঘণ্টা কামৰ অধিকাৰকে ধৰি আইনী অধিকাৰ আদায় কৰিবলৈ শ্ৰমিক বন্ধু সকল, যোৱা এক দশকৰো অধিক কাল দেশৰ শ্ৰমজীবী মানুহে জীৱন জীৱিকাৰ ক্ষেত্ৰত নিত্য নতুন হৈছে। শাসনত থকা বিজেপি চৰকাৰে দেশী-বিদেশী পুজিপতি গোষ্ঠীৰ স্বাৰ্থত শ্ৰমজীবী মানুহৰ আৰ্জিত অধিকাৰ কাঢ়ি লৈ যোৱাৰ আল শ্ৰমিকৰ অধিকাৰ ৰক্ষাৰ হাতিয়াৰ শ্ৰম আইনসমূহ এটা এটাকৈ নাইকিয়া কৰিবলৈ আৰম্ভ কৰিছে শাসনাধিষ্ঠ বিজেপি চৰকাৰে। ইতিমধ্যে চল আইন (Labour Laws) বাতিল কৰি সেইবোৰক চাৰিটা শ্ৰম কোডলৈ ৰূপান্তৰিত কৰিছে। 'শ্ৰম কোড' হৈছে মালিক সকলৰ স্বাম গোলামত পৰিণত কৰাৰ এক চৰকাৰী দলিল। শ্ৰম কোড সমূহ চৰকাৰে বলপূৰ্বকভাৱে কাৰ্যকৰী কৰিবলৈ সাবস্ত কৰিছে। ইয়াৰ দ্বাৰা চৰকাৰ কাৰখানা, অনুষ্ঠান প্ৰতিষ্ঠানত কাম কৰা শ্ৰমিক কৰ্মচাৰী সকলে নিজৰ আইনী অধিকাৰ হেৰুৱাব। ইতিমধ্যে চলিত বৰ্ষৰ (২০২৬) ১ এপ্ৰিল কোডৰ অধিনিয়ম কাৰ্যকৰী কৰিবলৈ আৰম্ভ কৰিছে। শ্ৰমিকে দৈনিক ৮ ঘণ্টাৰ পৰিৱৰ্তে ১২ ঘণ্টা পৰ্যন্ত কাম কৰিব লাগিব পাৰে। ন্যূনতম মজুৰি সামাজিক সুৰক্ষা মূলক ব্যৱস্থাৰ নিশ্চয়তা নাথাকিব। শ্ৰমিক কৰ্মচাৰী গোলামত পৰিণত হ'ব লাগিব। অসমৰ ৯৮টা তালিকাভুক্ত কৰ্ম কৰা লাখ লাখ শ্ৰমিক কৰ্মচাৰী বেয়াকৈ ক্ষতিগ্ৰস্ত হ'ব। ন্যূনতম মজুৰি, বোনাচ, চিকিৎসা সাহায্য, ছুটী আদি পোৱা নোপোৱাটো কৰ্তৃপক্ষৰ ইচ্ছা অনিচ্ছা কৰিব। লক্ষ্য কৰা হৈছে যে অসমৰ চাহ শ্ৰমিকৰ ন্যূনতম দৈনিক মজুৰি, ভেটি মাটিৰ পট্টা, জনজাতিকৰণৰ প্ৰতিশ্ৰুতিৰে নিৰ্বাচনী বৈভপ্ৰচাৰ হে আছিল মাৰ্থো ন। চৰকাৰী আঁচনিত কৰ্মৰত মধ্যাহ্ন ভোজন কৰ্মচাৰী, আশা কৰ্মী আৰু অংগনবাড়ী সহায়িকা সকলক চৰকাৰী কৰ্মচাৰী আৰু ন্যূনতম মজুৰি বৃদ্ধিৰ দাবীক মান্যতা প্ৰদান কৰা নহ'ল। অসংগঠিত ক্ষেত্ৰৰ নিৰ্মাণ শ্ৰমিকৰ হিতলাভকে ধৰি ন্যায় সংগত দাবীবোৰ শ্ৰমিকে আন্দোলন কৰিবলগীয়া হৈছে। ক্ষুদ্ৰ চাহ খেতিয়ক সকলৰ মাটিৰ পট্টা, কেঁচা পাতৰ ন্যূনতম সহায়ক মূল্য নিৰ্ধাৰণ আদি সমস্যাবোৰ সমা ব্যৱসায়ত প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ ফলত অসমৰ প্ৰতিখন চহৰ, নগৰৰ ক্ষুদ্ৰ ব্যৱসায়ী সকলৰ পানীত হাঁহ নচৰা অৱস্থা হৈছে। খেতি পথাৰ ব্যৱস্থা নাই। কৃষকৰ মাটিৰ সমস্যা সমাধান নকৰি অবৈধভাৱে উচ্ছেদ জাপি দিয়া হৈছে। লক্ষ্য কৰা হৈছে যে চৰকাৰে শ্ৰমজীৱী মানুহৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিছে। উল্লেখযোগ্য যে দীৰ্ঘদিন ধৰি শ্ৰমিকৰ আইনগত বেল সাম্প্ৰতিক দিল্লীৰ নইদা অঞ্চলত অৱস্থিত বিভিন্ন কল কাৰখানাৰ হাজাৰ হাজাৰ শ্ৰমিকে ন্যূনতম বেতন বৃদ্ধিৰ দাবীত হোৱা স্বতঃস্ফূৰ্ত আন্দোল কৰিছে। চৰকাৰে তেওঁলোকৰ দাবীক মান্যতা প্ৰদান কৰাৰ বিপৰীতে তেওঁলোকৰ ওপৰত বিজেপি চৰকাৰৰ পুলিচৰ বৰ্ণৰ আক্ৰমণ নমাই আনিছে ৩০০ৰো অধিক শ্ৰমিক কৰ্মচাৰীক মিছা অভিযোগত গ্ৰেপ্তাৰ কৰি জেল হাজোতলৈ প্ৰেৰণ কৰিছে। এনে এক শ্বাসৰুদ্ধকৰ পৰিৱেশৰ মাজতে সমগ্ৰ দেশৰ লগতে বিশ্বনাথ চাৰিআলি নগৰত 'আন্তৰ্জাতিক মে' দিৱস' উদ্‌যাপন কৰিবলৈ হৈছে। চৰকাৰ যিয়েই গঠন নকৰক লাগে ভৱিষ্যতেও শ্ৰমজীৱী মানুহে নিজৰ অধিকাৰ ৰক্ষাৰ সপক্ষে কঠোৰ সংগ্ৰামত অৱতীৰ্ণ হ'ব লাগিল দিৱসৰ সংগ্ৰামী ঐতিহ্যই শ্ৰমজীৱী মানুহক পথ দেখুৱাব। ই আমাৰ বিশ্বাস। সেয়েহে অহা ১লা মে'ত 'আন্তৰ্জাতিক মে' দিৱস'ৰ সকলো কাৰ্যসন কৰিবলৈ আহ্বান জনোৱা হ'ল।

## শ্ৰমিক সকলক প্ৰদান কৰা সকলো আঁচনি সময়মতে মোকলাই দিয়াৰ দাবী

# সৰুপথাৰত গোলাঘাট প্ৰগতি নিৰ্মাণ শ্ৰমিকৰ দিনযোৰাকৈ বিশ্ব শ্ৰমিক দিৱস উদ্‌যাপন

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ২ মে'**ঃ আজি শ্ৰমিক দিৱস। শ্ৰমিকসকল সমাজৰ মেৰুদণ্ড স্বৰূপ। তেওঁলোকৰ অবিহনে কোনো দেশৰে প্ৰগতি সম্ভৱ নহয়। ১৮৮৬চনৰ ১ মে'ত আমেৰিকাৰ চিকাগো চহৰৰ 'হে'মাৰ্কেট'ত ৮ ঘণ্টা কৰ্মদিনৰ দাবীত শ্ৰমিকৰ এটা দল ৰাজপথলৈ ওলাই আহিছিল আৰু ১১জনকৈ শ্ৰমিকে প্ৰাণ আহুতি দিব লগীয়া হৈছিল। সেই দিনটোৰে পৰা শ্ৰমিকৰ অধিকাৰ, তেওঁলোকৰ ত্যাগ আৰু অৱদানক সন্মান জনোৱাৰ বাবে সমগ্ৰ বিশ্বতে ১ মে' দিনটো আন্তৰ্জাতিক শ্ৰমিক দিৱস হিচাপে পালন কৰা হয়। সেয়েহে বিশ্বৰ আন আন প্ৰান্তৰ লগতে আজি সৰুপথাৰতো দিনযোৰা কাৰ্যসূচীৰে গোলাঘাট প্ৰগতি নিৰ্মাণ শ্ৰমিকৰ উদ্যোগত "বিশ্ব শ্ৰমিক দিৱস" উদযাপন কৰে। সৰুপথাৰ ৰংঘৰ ৰাজহুৱা ভৱন প্ৰাঙ্গনত আয়োজন কৰা এই বিশ্ব শ্ৰমিক দিৱসত পতাকা উত্তোলন কৰে গোলাঘাট প্ৰগতি নিৰ্মাণ শ্ৰমিক ইউনিয়নৰ সভাপতি ৰতন দেৱে। শ্বহীদ তৰ্পণ কৰে সম্পাদক প্ৰেমবাহাদুৰ থাপাই। পৰৱৰ্তী সময়ত এখনি মুকলি সভাৰ আহ্বান কৰে। সুপ্ৰতিম বৰাই আঁত ধৰা সভাখনত গোলাঘাট প্ৰগতি নিৰ্মাণ শ্ৰমিকৰ সভাপতি ৰতন দেৱে কয়- বৰ্তমান সময়ত শ্ৰমিকসকলৰ অধিকাৰ আৰু সুৰক্ষাৰ বাবে চৰকাৰে প্ৰদান কৰা আঁচনিসমূহ সময়মতে শ্ৰমিক সকলে নোপোৱাৰ বাবে শ্ৰমিক সকলে বহুতো অসুবিধাৰ সন্মুখীন হ'বলগীয়া হৈছে। ২০২৩ বৰ্ষৰ পৰা ছাত্ৰ-ছাত্ৰী সকলে শিক্ষাবৃত্তি, শ্ৰমিক সকলৰ পেঞ্চন, বিবাহ সাহায্য আদিকে ধৰি শ্ৰমিক সকলৰ সকলো আঁচনিয়েই চৰকাৰে মোকলাই দিয়া নাই। গতিকে আন্তৰ্জাতিক শ্ৰমিক দিৱসৰ মজিয়াৰ পৰাই সভাপতি গৰাকীয়ে শ্ৰমিকৰ সকলো প্ৰাপ্য সময়মতে প্ৰদান কৰিবলৈ অসম চৰকাৰৰ ওচৰত দাবী জনাই। মুকলি সভাখনত মুখ্য অতিথি হিচাপে সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনে অংশগ্ৰহণ কৰি শ্ৰমিকসকলক শ্ৰমিক দিৱসৰ শুভেচ্ছা প্ৰদান কৰাৰ লগতে তেওঁৰ দ্বাৰা সম্ভৱ হোৱা প্ৰতিটো ক্ষেত্ৰত শ্ৰমিকসকলক সহায় কৰাৰ আশ্বাস দিয়ে। মুকলি সভাৰ শেষত শ্ৰমিক সকলে মিলি গীতে-মাতে নাচি বাগি সকলোৱে আনন্দ কৰে। অনুষ্ঠানটিত সৰুপথাৰ সমষ্টিৰ বিধায়ক বিশ্বজিৎ ফুকনৰ লগতে, সৰুপথাৰ পৌৰসভাৰ পৌৰপতি উষা আগৰৱালা, গোলাঘাট প্ৰগতি নিৰ্মাণ শ্ৰমিক ইউনিয়নৰ সভাপতি ৰতন দেৱ, সৰুপথাৰ শ্ৰম পৰিদৰ্শক কাৰ্যালয়ৰ সহায়ক প্ৰাঞ্জল শৰ্মা, সৰুপথাৰ সমজিলা সাংবাদিক সংস্থাৰ সভাপতি দ্বীপেন কুমাৰ বৰা উপস্থিত থাকে।

# কাটৰি চাপৰি হাইস্কুলত কৃতিমান শিক্ষাৰ্থীক সম্বৰ্ধনা



**অসম বাৰ্তা, লখিমপুৰ বিশেষ, ২ মে'**ঃ লখিমপুৰ শিক্ষাখণ্ডৰ কাটৰি চাপৰি হাইস্কুলৰ পৰা ২০২৬ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ৫২ গৰাকী শিক্ষাৰ্থীক বিদ্যালয়ৰ তৰফৰ পৰা সম্বৰ্ধনা জ্ঞাপন কৰা হয়। আজি বিদ্যালয়ত অনুষ্ঠিত সম্বৰ্ধনা সভাত সভাপতিত্ব কৰে বিদ্যালয়খনৰ প্ৰধান শিক্ষক প্ৰশান্ত হাজৰিকাই আৰু সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে বিদ্যালয়ৰ সহকাৰী শিক্ষক মোহন কাকতিয়ে। কৃতিমান শিক্ষাৰ্থীসকলক ফুলাম গামোচা, সম্বৰ্ধনা পত্ৰ, ম'মেণ্ট', গ্ৰন্থৰ টোপোলা আদিৰে সম্বৰ্ধনা জনোৱা হয়। পৰীক্ষাৰ ফলাফলত ডিষ্টিংছন লাভ কৰা দুগৰাকী ছাত্ৰী আৰু লেটাৰ মাৰ্কসহ প্ৰথম বিভাগত উত্তীৰ্ণ শিক্ষাৰ্থীসকলক প্ৰধান শিক্ষক প্ৰশান্ত হাজৰিকাৰ লগতে কেইবাগৰাকী অতিথিয়ে আৰ্থিক অনুদান আগবঢ়াই। সম্বৰ্ধনা সভাত বিশিষ্ট অতিথি হিচাপে কাটৰি চাপৰি হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক লক্ষ্মীনাৰায়ণ শইকীয়া, অৱসৰপ্ৰাপ্ত শিক্ষক ক্ৰমে খুদিৰাম মুদৈ, বিদ্যুৎ মহন্ত, পৰমা বৰুৱা, ৰূপেশ্বৰ মুদৈ, জীৱ কলিতা, ৰীণা বৰা, পৰিচালনা সমিতিৰ সভাপতি হেমন্ত বৰা, সদস্য মাণিক দাস, লেখন হাজং, অভিভাৱক সমাজ আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

# উচ্চতৰ মাধ্যমিক পৰীক্ষাত উজলিল দুই ভগ্নী

**অসম বাৰ্তা, বাগানপাৰা, ২ মে'**ঃ যোৱা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত জিলিকি উঠিল লুইত অকাডেমি, ধমধমাত অধ্যয়নৰত বাক্সা জিলাৰ অন্তৰ্গত উত্তৰপাৰা, বাগানপাৰা গাঁও নিবাসী একেটা পৰিয়ালৰে দুয়ো গৰাকী ছাত্ৰী। পিতৃ ঠগ বাহাদুৰ ছেত্ৰী আৰু মাতৃ দীপা ছেত্ৰীৰ সু-সন্তান বন্দনা দেৱী ছেত্ৰীয়ে প্ৰতিটো বিষয়ত লেটাৰ মাৰ্ক সহ ৯০.৪ শতাংশ নম্বৰ লাভ কৰে আৰু কবিতা দেৱী ছেত্ৰীয়ে ৮১.৬ শতাংশ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। এই চেগতে কৃতিমান ছাত্ৰী সকলক অঞ্চলৰ বাবে সুনাম কঢ়িয়াই অনাৰ বাবে মধ্যবাঁ আঞ্চলিক গোৰ্খা ছাত্ৰ সন্থাৰ সভাপতি কেশৱ পাঠক, শিক্ষক মোহন গৌতম, নেপালী সাহিত্য সভা মধ্যবাক্সা শাখা সমিতিৰ সম্পাদক বিক্ৰম ছেত্ৰী লগতে যুৱ কবি সাহিত্যিক তথা সমাজকৰ্মী মুনিন ছেত্ৰী ছাত্ৰী গৰাকীৰ বাসগৃহত উপস্থিত হৈ গোৰ্খা খাদাৰে অভিনন্দন জনায় লগতে ভৱিষ্যতে আৰু সুনাম কঢ়িয়াই লৈ আহে তাৰ বাবে ছাত্ৰী সকলক প্ৰেৰণাদায়ক মন্তব্য প্ৰদান কৰে।

# যমদূতৰ ৰূপত এম বি ৰোড ; টংলাৰ পৰা ভুটিয়াচাঙলৈ দুৰ্বিসহ যাতায়ত

## চকুমুদা কুলিৰ ভাওত নেতা পালি নেতা

**অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, টংলা, ২ মে' ঃ** দৰং জিলা আৰু ওদালগুৰি জিলা দুখনৰ আয়ুষ ৰেখা সদৃশ মঙলদৈ - ভুটিয়াচাং (এম বি ৰোড) ৪নং ৰাজ্যিক ঘাই পথটোৰ টংলাৰ পৰা ভুটিয়াচাঙলৈ পথচোৱা সম্প্ৰতি যমদূত স্বৰূপ হৈছে। অসম চৰকাৰৰ লোক নিৰ্মাণ বিভাগৰ অধীনস্থ প্ৰায় ৫৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ এম বি ৰোডৰ পূৰ্বৰ কলাইগাঁও সমষ্টিৰ অন্তৰ্গত টোকনকটালৈ কিছু অংশ বিভাগীয় ভাবে পুনৰ মেৰামতি কৰিছিল যদিও টোকনকটাৰ পৰা টংলা চহৰৰ মাজেৰে পানেৰীহৈ ভুটিয়াচাঙলৈ প্ৰায় ২০ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথচোৱা বিগত প্ৰায় ৫/৬ বছৰে মেৰামতি নকৰাত পকী পথৰ মাজত সৃষ্টিৰ হৈছে বৃহৎ আকাৰৰ দ' গাত। পথৰ ওপৰত ব্লেক টপিং এৰি যোৱাৰ ফলত ডাঙৰ ডাঙৰ কটা শিল আৰু বালি ওলাই পথচাৰী আৰু মটৰ চাইকেল চালক - আৰোহীৰ বাবে ভয়াবহ হৈ পৰিছে। যদিও এম বি ৰোডটো সমষ্টি পুনৰ নিৰ্ধাৰণৰ পিছত বৰ্তমান মঙলদৈ আৰু টংলা বিধান সভা সমষ্টিৰ অন্তৰ্গত হৈছে সমষ্টি পুনৰ নিৰ্ধাৰণৰ পূৰ্বে পথটো মঙলদৈ, কলাইগাঁও আৰু পানেৰীসহ তিনিটাকৈ বিধান সভা সমষ্টিৰ অন্তৰ্গত আছিল। আজিৰ পৰা ৫/৬ বছৰ পূৰ্বে মঙলদৈ আৰু কলাইগাঁও সমষ্টিৰ অন্তৰ্গত পথচোৱা পুনৰ মেৰামতি হল যদিও ৰাজনৈতিক পাক চক্ৰত পানেৰী বিধান সভা সমষ্টিৰ বিধায়ক বিশ্বজিৎ দৈমাৰী অসম বিধানসভাৰ অধ্যক্ষ পদত অধিষ্ঠিত হৈও দুৰ্ভাগ্যজনকভাবে তেওঁৰ কাৰ্যকালত মেৰামতি কৰিবলৈ সক্ষম নহ'ল। লক্ষণীয় যে, ২০২৫ ৰ বিটিচি নিৰ্বাচনৰ অধ্যাদেশ জাৰী হোৱাৰ আগে আগে কলাইগাঁও বিধান সভাৰ বিধায়ক দুৰ্গা দাস বড়োই চমক দেখুৱাই মেৰামতি কৰিবলৈ কামৰ আধাৰ শিলা স্থাপন কৰিলে কিন্তু বিটিচিৰ নিৰ্বাচন গ'ল, ২০২৬ৰ বিধান সভাৰ নিৰ্বাচন শেষ হ'ল কিন্তু পথচোৱা মেৰামতি নহ'ল। ভাৰত-ভুটানৰ দৰে গুৰুত্বপূৰ্ণ আন্তৰাষ্ট্ৰীয় সীমা সংযোগী এম বি ৰোডটো টংলাৰ পৰা ভুটিয়াচাঙলৈ বৰ্তমান বিধ্বস্ত ৰূপ লৈছে। এজাক বৰষুণতে পথটোৰ দ' গাতবোৰ পুখুৰী সদৃশ হোৱাৰ বিপৰীতে ৰ'দৰ বতৰত সমগ্ৰ পথচোৱা ধূলিময় হৈ পৰাত যাৰ ফলত সাধাৰণ ৰাইজৰ যাতায়াত ব্যাহত হৈ পৰে। ইয়াৰোপৰি এই বিধ্বস্ত পথটোৰে টংলা চহৰৰ মাজেৰে দৈনিক শতাধিক শিল বালি কঢ়িওৱা ডাম্পাৰ আৰু চাৰিচকীয়া মিনি ট্ৰাকৰ চলাচলৰ বাবে মটৰ চাইকেল চালক আৰু পথচাৰীৰ বাবে যাতায়াত দুৰ্বিষহ হৈ পৰিছে। একাংশ নেতা আৰু অভিযন্তাৰ বাবে খিৰতি গাইত পৰিণত মঙলদৈ-ভূটিয়াচাং ৪নং ৰাজ্যিক ঘাই পথটোৰ আধাৰুৱা বাকী পথচোৱা পুনৰ নিৰ্মাণ অথবা মেৰামতি কৰাৰ ক্ষেত্ৰত অসম চৰকাৰৰ লোক নিৰ্মাণ বিভাগৰ হেমাহি ৰহস্যজনক। টংলা অঞ্চলৰ ৰাইজক পণবন্ধী কৰি লোক নিৰ্মাণ বিভাগ আৰু শাসকীয় দলৰ নেতাই যাতায়াতৰ ক্ষেত্ৰত ৰং চোৱাৰ দৰে অৱস্থা হৈছে। বাৰিষা আগমনৰ লগে লগে বৃহত্তৰ অঞ্চলৰ আয়ুষ ৰেখা সদৃশ পথটো দুৰ্বস্থাই ৰাইজৰ বাবে যেন অভিশাপ স্বৰূপ হৈছে। এই গুৰুত্বপূৰ্ণ পথটো পুনৰ নিৰ্মাণ অথবা মেৰামতি কৰাৰ ক্ষেত্ৰত সংশ্লিষ্ট বিভাগে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া হব লক্ষণীয় বিষয়।

# নগাধূলি জনজাতি মধ্য ইংৰাজী বিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱৰ সামৰণি

**অসম বাৰ্তা, নকছাৰি, ২ মে' ঃ** মৰিয়নিৰ নগাধূলি অঞ্চলটোৰ বহুকেইজন বিশিষ্ট সমাজ সংগঠকৰ প্ৰচেষ্টাত ১৯৭৭ চনত প্ৰতিষ্ঠা লাভ কৰা নগাধূলি জনজাতি মধ্য ইংৰাজী বিদ্যালয়ে খনে বিগত সময়চোৱাত অনগ্ৰসৰ অঞ্চলটোত শিক্ষাৰ পোহৰ বিলাই আহি বৰ্তমান ৫০ বছৰত ভৰি দিয়াৰ উপলক্ষে বিদ্যালয়খনৰ সোণালী জয়ন্তী উৎসৱ যোৱা ২৯ আৰু ৩০ এপ্ৰিলত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হয়। সেই অনুসৰি, ২৯ এপ্ৰিলৰ প্ৰথম দিনা বিদ্যালয় খনৰ অন্যতম প্ৰতিষ্ঠাপক তথা পৰিছালনা সমিতিৰ প্ৰাক্তন সভাপতি বিলাতি তাঁতিয়ে গছপুলি ৰোপণ কাৰ্যসূচীৰ প্ৰথম কাৰ্যসূচী আৰম্ভ কৰাৰ পাছতে বিদ্যালয়ৰ পতাকা উত্তোলন কৰে প্ৰধান শিক্ষয়িত্ৰী জুৰি ৰাজখোৱা আৰু সোণালী জয়ন্তী উৎসৱৰ পতাকা উত্তোলন কৰে উদ্যাপন সমিতিৰ সভাপতি বিমান বৰবৰাই। তদপৰি সোণালী জয়ন্তীৰ উপলক্ষে প্ৰতিকূল বতৰকো নেওচি ৫০ গৰাকী শুভাকাংক্ষীয়ে ৫০খন পতাকা উত্তোলন কৰাৰ পাছতে বিদ্যালয়ৰ প্ৰয়াত প্ৰতিষ্ঠাপক সকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক প্ৰবীণ শৰ্মা আৰু জুবিন গাৰ্গক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে সমাজ সেৱক ভূপেন শইকীয়াই। আনহাতে বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে মূলাগাভৰু গাঁও পঞ্চায়তৰ সভানেত্ৰী কুঞ্জ শৰ্মাই। যোৰহাট জিলা শিক্ষাক প্ৰতিষ্ঠানৰ অধ্যক্ষ অনন্ত গগৈ, শিক্ষয়িত্ৰীদ্বয় মুনমি গগৈ, দিনু সোণোৱাল আৰু শিল্পী ৰিতুপন শইকীয়াই নেতৃত্বত হোৱা প্ৰদৰ্শনীৰ দ্বাৰ মুকলি কৰে শিক্ষয়িত্ৰী অভিজিতা বৰদলৈয়ে। দুপৰীয়া কৃতী শিক্ষক নগেন গগৈৰ পৰিচালনাত ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ মাজত অন্তৰংগ আলাপৰ পাছতে সন্ধিয়া বন্তি প্ৰজ্বলেনেৰে প্ৰথম দিনৰ কাৰ্যসূচীৰ সামৰণি মাৰে। আনহাতে, দ্বিতীয় দিনা সমাজসেৱক সদানন্দ গগৈয়ে বন্তি প্ৰজ্বলন মঞ্চ মুকলি কৰাৰ পাছেত শিক্ষয়িত্ৰী সোমা দাশৰ পৰিচালনাত ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা বিদ্যালয় সংগীত পৰিৱেশন কৰাৰ পাছতে বিদ্যালয় প্ৰতিষ্ঠাক শিক্ষক




শিক্ষয়িত্ৰী ক্ৰমে প্ৰবিন শৰ্মা প্ৰশান্ত গগৈ ইন্দুদেবি ভট্টাচাৰ্য্য নৰেন্দ্ৰ নাথ গগৈ ধৰ্মেশ্বৰী কছাৰী আৰু প্ৰতিষ্ঠাপক সদস্য ক্ৰমে লীলা চৰণ কলিতা বিলাতি তাঁতি যোগেশ্বৰ কলিতা মাংগল পুৰাণ আৰু চিত্ৰ শিল্পী অনন্ত গগৈ আৰু ৰিতুপন শইকীয়াইক সম্বৰ্ধনা জ্ঞাপন কৰে। উদ্যাপন সমিতিৰ সভাপতি বিমান বৰবৰাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাৰ মঞ্চ মুকলি কৰে স্থানীয় আই সকলৰ বৰগীত পৰিৱেশনেৰে। শিক্ষক প্ৰাঞ্জিত শৰ্মাই উদ্দেশ্য ব্যাখ্যা কৰা এই সভাখনৰ আদৰণি ভাষণ আগবঢ়াই প্ৰধান শিক্ষয়িত্ৰী জুৰি ৰাজখুৱাই। সভাখনত বিশিষ্ট চিন্তাবিদ, শিক্ষাবিদ ড° দেৱব্ৰত শৰ্মাই মৰিয়নি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হৰেন গোৱালা মৰিয়নি সমষ্টিৰ প্ৰাক্তন বিধায়ক ৰূপজ্যোতি কুৰ্মি, জিলা শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অধ্যক্ষ অনন্ত গগৈ, শিক্ষাবিদ বিমান শইকীয়া শিক্ষাবিদ ললিত গগৈ সদৌ অসম কৰ্মচাৰী পৰিষদৰ উপসভাপতি প্ৰদিপ ৰাজখোৱাকে আদি কেইবাজনো বিশিষ্ট ব্যক্তি, শিক্ষাবিদ আদিয়ে অংশগ্ৰহণ কৰিব। এই সভাতেই এখন স্মৃতিগ্ৰন্থও 'স্বৰ্ণায়ন' উন্মোচন কৰে মৰিয়নি জাতীয় বিদ্যাপীঠৰ সঞ্চালক ৰঞ্জিত গোহাঁই বৰুৱাই সন্ধ্যালৈ নগেন গগৈয়ে আঁত ধৰা সাংস্কৃতিক অনুষ্ঠানত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ নৃত্য গীতে অধিক মনোগ্ৰাহী কৰি তোলে।

# হোজাইত ভোট গণনাৰ ব্যাপক প্ৰস্তুতি: জিলা আয়ুক্তৰ নেতৃত্বত পৰ্যালোচনা সভা অনুষ্ঠিত

**অসম বাৰ্তা, লংকা, ২ মে' ঃ** আগন্তুক ৪ মে'ত অনুষ্ঠিত হ'বলগীয়া অসম বিধানসভা নিৰ্বাচনৰ ভোট গণনাক কেন্দ্ৰ কৰি হোজাই জিলা প্ৰশাসনে ব্যাপক প্ৰস্তুতি গ্ৰহণ কৰিছে। আজি হোজাই জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভা কক্ষত জিলা আয়ুক্ত দেৱ প্ৰসাদ মিশ্ৰ, IAS-ৰ অধ্যক্ষতাত এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা সভা অনুষ্ঠিত হয়। সভাত জ্যেষ্ঠ আৰক্ষী অধীক্ষক ভি.ভি. ৰাকেশ ৰেড্ডী, অতিৰিক্ত জিলা আয়ুক্তসকল, অতিৰিক্ত আৰক্ষী অধীক্ষক, নিৰ্বাচনী বিষয়া তথা জিলা প্ৰশাসনৰ অন্যান্য জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে। বৈঠকত সংশ্লিষ্ট সকলো বিভাগৰ মাজত সমন্বয় বৃদ্ধি কৰি ভোট গণনা প্ৰক্ৰিয়াটো সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে বিভিন্ন দিশত বিস্তৃতভাৱে আলোচনা কৰা হয়। জিলা আয়ুক্তে সভাত ভোট গণনা কেন্দ্ৰসমূহৰ প্ৰস্তুতি সম্পৰ্কে বিশদভাৱে বুজ লয়। তেওঁ কেন্দ্ৰসমূহৰ আন্তঃগাঁথনি উন্নয়ন, বিদ্যুৎ আৰু পানীৰ সুবিধা, প্ৰৱেশ আৰু নিৰ্গমণ ব্যৱস্থা, লগতে প্ৰয়োজনীয় সামগ্ৰীসমূহৰ উপলব্ধতা নিশ্চিত কৰাৰ বাবে নিৰ্দেশ দিয়ে। ইয়াৰ উপৰিও, গণনা প্ৰক্ৰিয়াত নিয়োজিত কৰ্মচাৰীসকলক প্ৰশিক্ষণ প্ৰদান আৰু দায়িত্ব বণ্টনৰ ক্ষেত্ৰতো গুৰুত্ব আৰোপ কৰা হয়। সভাত নিৰাপত্তা ব্যৱস্থা বিষয়েও বিশেষভাৱে আলোচনা কৰা হয়। জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ সৈতে মিলি জিলা আয়ুক্তে ভোট গণনা কেন্দ্ৰসমূহত বহুস্তৰীয় নিৰাপত্তা বলয় স্থাপন, চিচিটিভি নজৰদাৰী ব্যৱস্থা শক্তিশালী কৰা, লগতে আইন-শৃংখলা পৰিস্থিতি অটুট ৰখাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ইয়াৰ উপৰিও, গণনাৰ দিনটোত যান-বাহন চলাচল নিয়ন্ত্ৰণ আৰু জনসাধাৰণৰ সুবিধাৰ্থে বিশেষ পৰিকল্পনাৰো পৰ্যালোচনা কৰা হয়। জিলা আয়ুক্তে সকলো বিভাগক নিজৰ দায়িত্ব নিষ্ঠা আৰু সততাৰে পালন কৰিবলৈ আহ্বান জনায় আৰু ভোট গণনা প্ৰক্ৰিয়াটো সম্পূৰ্ণ স্বচ্ছ, শান্তিপূৰ্ণ আৰু বিশ্বাসযোগ্যভাৱে সম্পন্ন কৰাৰ ক্ষেত্ৰত কোনো ধৰণৰ অৱহেলা নকৰিবলৈ নিৰ্দেশ দিয়ে। হোজাই জিলা প্ৰশাসনে জনায় যে আগন্তুক ভোট গণনা পৰ্বটো সুন্দৰকৈ সম্পন্ন কৰাৰ বাবে সকলো ধৰণৰ প্ৰস্তুতি সম্পূৰ্ণ কৰা হৈছে আৰু এক শান্তিপূৰ্ণ পৰিৱেশত গণনা প্ৰক্ৰিয়া সম্পন্ন কৰাৰ বাবে সম্পূৰ্ণৰূপে সাজু বুলি উল্লেখ কৰে।

# মাজুলীৰ ইতিবৃত্ত লিখক শিক্ষাবিদ তথা বৰহোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ প্ৰশান্ত কুমাৰ মহন্তৰ পৰলোক

**অসম বাৰ্তা, উজনী মাজুলী, ২ মে' ঃ** মাজুলীৰ ইতিবৃত্ত সম্পৰ্কে প্ৰথম লিখনি সংগ্ৰহ কৰি গ্ৰন্থৰ আকাৰত প্ৰস্তুত কৰা বিশিষ্ট লেখক তথা শিক্ষাবিদ প্ৰশান্ত কুমাৰ মহন্তৰ আজি পৰলোক ঘটে। তেওঁৰ মৃত্যুত অসমৰ সাহিত্য আৰু শিক্ষাজগতত এক অপূৰণীয় ক্ষতি সংঘটিত হৈছে বুলি বিভিন্ন মহলে গভীৰ শোক প্ৰকাশ কৰিছে। প্ৰায় ৩২০ বছৰ পূৰ্বে আহোম স্বৰ্গদেউ প্ৰমত্ত সিংহই মাজুলীত প্ৰতিষ্ঠা কৰা এলেঙি নৰসিংহ সত্ৰতেই ১৯৬৫ চনৰ কোনোবা এটা দিনত জন্মগ্ৰহণ কৰিছিল প্ৰশান্ত কুমাৰ মহন্তই (মাধৱ)। সত্ৰীয়া পৰিৱেশত ডাঙৰ হোৱা মহন্তই শৈশৱৰ পৰাই সাহিত্য, সংস্কৃতি আৰু ইতিহাসৰ প্ৰতি গভীৰ আগ্ৰহ প্ৰকাশ কৰিছিল। মাজুলী নৰসিংহ সত্ৰ প্ৰাথমিক বিদ্যালয়ত শিক্ষাজীৱনৰ আৰম্ভণি কৰা মহন্তই পিছত ভকতি দুৱাৰ উচ্চ মাধ্যমিক বিদ্যালয়, ইন্দ্ৰানী দেৱী উচ্চতৰ মাধ্যমিক বিদ্যালয়, জে.বি.কলেজ আৰু কটন কলেজত শিক্ষা গ্ৰহণ কৰিছিল। ইংৰাজী বিষয়ৰ স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰা মহন্ত দেৱে ১৯৯০ চনত চৰকাৰী চাকৰিত যোগদান কৰি তিতাবৰস্থিত বৰহোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ইংৰাজী বিভাগৰ বিষয় শিক্ষক হিচাপে কাৰ্যনিৰ্বাহ আৰম্ভ কৰে। নিজৰ কৰ্মনিষ্ঠা, শৃংখলা আৰু নেতৃত্বগুণৰ বাবে তেওঁ পাছত ২০২২ বৰ্ষত উক্ত বিদ্যালয়খনৰ অধ্যক্ষ হিচাপে নিযুক্তি লাভ কৰে। দীৰ্ঘদিন ধৰি শিক্ষা সেৱা আগবঢ়োৱাৰ পিছত ২০২৬ চনৰ মাৰ্চ মাহত চৰকাৰী নিয়ম অনুসৰি অৱসৰ গ্ৰহণ কৰে। ইয়াৰ মাজতে প্ৰশান্ত কুমাৰ মহন্তই জিলা ভিত্তিত কৃতী শিক্ষকৰ বটাঁ লাভ কৰিছিল আৰু গুৱাহাটীত অনুষ্ঠিত বৰ্ণাঢ্য অনুষ্ঠানত ৰাজ্যৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই নিজে হাতে প্ৰশান্ত কুমাৰ মহন্তক ৰাজ্যিক কৃতী শিক্ষকৰ বঁটাটি প্ৰদান কৰিছিল। সাহিত্য সংস্কৃতিৰ লগত জড়িত মহন্ত দেৱৰ সাংবাদিকতা, কটনিয়ানৰ নিৰ্বাচিত গল্প, নোবেল বঁটাৰ কথা, কুইজ আৰু কুইজ আদি গ্ৰন্থ উল্লেখযোগ্য ৰচনা। বিগত সময়ত দৈনিক জনমভূমি কাকতৰ অংশকালীন উপ-সম্পাদক, মৌচাক শিশু আলোচনীৰ সহকাৰী সম্পাদক, পযেকীয়া সূত্ৰধাৰ আলোচনীৰ সম্পাদনা সহকাৰী হিচাপেও মহন্তই কাৰ্যনিৰ্বাহ কৰিছিল। অৱসৰৰ পিছত তেওঁ যোৰহাটত স্থায়ীভাৱে বসবাস কৰি আহিছিল। শিক্ষক হিচাপে তেওঁ শিক্ষাৰ্থীসকলৰ মাজত জনপ্ৰিয় আছিল। একেদৰে, মাজুলীৰ ইতিহাস, সংস্কৃতি আৰু সত্ৰীয় পৰম্পৰাৰ ওপৰত তেওঁ কৰা গৱেষণামূলক কাম আৰু লিখনিসমূহ বিশেষভাৱে উল্লেখযোগ্য। মাজুলীৰ ইতিবৃত্তক গ্ৰন্থৰ ৰূপ দিয়া তেওঁৰ অন্যতম কৃতিত্ব হিচাপে গণ্য কৰা হয়। অৱসৰ গ্ৰহণ কৰাৰ পিছতেই তেওঁৰ স্বাস্থ্যৰ অৱনতি ঘটে আৰু উন্নত চিকিৎসাৰ বাবে তেওঁ চেন্নাইলৈ লৈ যোৱা হৈছিল। তাতেই চিকিৎসাধীন অৱস্থাত আজি তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। মৃত্যুৰ সময়ত তেওঁ এৰি গৈছে প্ৰায় ১০২ বছৰীয়া বৃদ্ধ মাতৃ, দুজনকৈ জেষ্ঠ ভাতৃ, পত্নী, পুত্ৰ, জীয়ৰী, ভতিজা আদি সহিতে এখন বৃহৎ পৰিয়াল। তেওঁৰ মৃত্যুত মাজুলী আৰু যোৰহাট অঞ্চলত শোকৰ ছাঁ পৰিছে। মাজুলী মহাবিদ্যালয় অধ্যক্ষ ডঃ দেৱজিৎ শইকীয়া, মাজুলী সাহিত্য, অভয়পুৰ গাওঁ নৰসিংহ সত্ৰ গাওঁ উন্নয়ন সমিতি, মহিলা সমিতি, ভকতি দুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, ভকতি দুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন শিক্ষাৰ্থী, ১১২ নং নৰসিংহ সত্ৰ প্ৰাথমিক বিদ্যালয়, মাজুলী জিলা আপকু, মাজুলীৰ বিভিন্ন দল সংগঠন, শিক্ষানুস্থান, বিভিন্ন সাহিত্যিক, শিক্ষাবিদ আৰু সমাজসেৱীয়ে তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰি পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। তেওঁৰ অৱদান সদায় স্মৰণীয় হৈ থাকিব বুলি সকলোৱে উল্লেখ কৰে। ইফালে কালিলৈ প্ৰশান্ত কুমাৰ মহন্তৰ নশ্বৰ দেহ চেন্নাই পৰা প্ৰথমে যোৰহাটলৈ আনিব আৰু পিছত জন্ম স্থান মাজুলীৰ নৰসিংহত সত্ৰৰ নিজা বাসগৃহলৈ আনি সত্ৰৰ পৰম্পৰা ৰীতি নিয়মেৰে দাহ কৰিব।

# দলগাঁৱত দৰং-ওদালগুৰি মিস্ত্ৰী আৰু শ্ৰমিক সন্থাৰ মে' দিৱস উদ্‌যাপন

**অসম বাৰ্তা, দলগাঁও, ২ মে' ঃ** বিশ্বৰ আন প্ৰান্তৰ লগতে আজি দলগাঁৱতো অতি উলহ-মালহেৰে উদ্‌যাপন কৰা হয় মহান মে' দিৱস। দৰং-ওদালগুৰি মিস্ত্ৰী আৰু শ্ৰমিক সন্থাৰ উদ্যোগত আয়োজিত এই দিৱসৰ কাৰ্যসূচীয়ে সমগ্ৰ অঞ্চলটোতে এক সজাগতাৰ সৃষ্টি কৰে। দিনৰ ভাগত সন্থাৰ নেতৃত্বত শ্ৰমিকসকলে এক বিশাল সজাগতামূলক ৰেলী উলিয়ায়। দলগাঁৱৰ ১৫নং ৰাষ্ট্ৰীয় ঘাইপথত উলিওৱা এই ৰেলীত শ্ৰমিকসকলে নিজৰ অধিকাৰ আৰু কৰ্তব্যৰ প্ৰতি সজাগ হ'বলৈ আহ্বান জনায়। হাতত বিভিন্ন বেনাৰ-পোষ্টাৰ লৈ শ্ৰমিকসকলে শ্ৰমৰ মৰ্যাদা অক্ষুণ্ণ ৰখাৰ সংকল্প গ্ৰহণ কৰে। দৰং আৰু ওদালগুৰি জিলাৰ বিভিন্ন প্ৰান্তৰ পৰা অহা মিস্ত্ৰী তথা নিৰ্মাণ শ্ৰমিকসকলে এই কাৰ্যসূচীত অংশগ্ৰহণ কৰি নিজৰ ঐক্যবদ্ধ শক্তি প্ৰদৰ্শন কৰে। ঘাইপথৰ দাঁতিত থকা পথচাৰী আৰু ব্যৱসায়ীসকলৰ মাজতো এই সমদলে মে দিৱসৰ তাৎপৰ্য বিলাই দিয়ে। সন্থাৰ বিষয়ববীয়াসকলে জানিবলৈ দিয়া মতে, শ্ৰমিকসকলৰ প্ৰাপ্য অধিকাৰ সুনিশ্চিত কৰা, শিশু শ্ৰমিক বন্ধ ৰখাৰ লগতে, নাৰী শিক্ষা নিশ্চিত কৰা আৰু তেওঁলোকৰ মাজত একতা বৃদ্ধি কৰাই আছিল আজিৰ এই আয়োজনৰ মূল উদ্দেশ্য।

# চেলেংহাটত অসম টাইকোৱাণ্ডো একাডেমী ইণ্ডিয়াৰ অভিনন্দন অনুষ্ঠান




**অসম বাৰ্তা, চেলেংহাট, ২ মে' ঃ** যোৰহাট জিলাৰ চেলেংহাটত আজি অসম টাইকোৱাণ্ডো একাডেমীৰ উদ্যোগত এক অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হয়। চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত অভিনন্দন অনুষ্ঠানত টাইকোৱাণ্ডো প্ৰতিযোগিতাত ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ত পদকপ্ৰাপ্ত খেলুৱৈ সকলৰ লগতে ব্লেকবেল্ট খিতাপ লাভ কৰা প্ৰায় কুৰি গৰাকী খেলুৱৈক অভিনন্দন জনোৱা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষা প্ৰীতিৰাণী গগৈ, বিশিষ্ট শৰীৰ চৰ্চাবিদ তথা নিচামুক্তি আন্দোলনৰ নেতা তুষাৰ পাল, সমাজকৰ্মী সঞ্জীৱ গগৈ, বৰনগঞা যুৱ সংঘৰ সভাপতি জীৱন দুৱৰা, শিক্ষক ৰাতুল বৰা, সাংবাদিকত্ৰয় ধ্ৰুৱজ্যোতি ভট্টাচাৰ্য্য, অনুৰাগ শইকীয়া আৰু দেৱবিকাশ দত্ত উপস্থিত থাকে। অসম টাইকোৱাণ্ডো এছোচিয়েচনৰ সাধাৰণ সম্পাদক তথা অসম টাইকোৱাণ্ডো একাডেমী ইণ্ডিয়াৰ সভাপতি ৰাজু কোঁৱৰ আৰু এছোচিয়েচনৰ যুটীয়া সম্পাদক তপন পাত্ৰই আঁত ধৰা অনুষ্ঠানত ১৬জন টাইকোৱাণ্ডো শিক্ষাৰ্থীক বিভিন্ন কালাৰ বেল্ট আৰু প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত অসম টাইকোৱাণ্ডো একাডেমী ইণ্ডিয়াৰ প্ৰশিক্ষাৰ্থীসকলৰ লগতে অভিভাৱক সকল উপস্থিত থাকে।

# নামভৰ্তিৰ নামত মাছুল সংগ্ৰহৰ অভিযোগ দুৰ্লভ চন্দ্ৰ গগৈ জকাইচুক উচ্চতৰ মাধ্যমিক বিদ্যালয়ত

## সৰ্বত্ৰ প্ৰতিক্ৰিয়া; তথ্য জনাৰ অধিকাৰ আইনৰ সহায় ভুক্তভোগীৰ

**অসম বাৰ্তা, জাঁজী, ২ মে' ঃ** দ্বাদশ শ্ৰেণী পৰ্যন্ত বিদ্যালয় সমূহত ৰাজ্য চৰকাৰে বিনামূলীয়া শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰাৰ সময়তে শিৱসাগৰ জিলাৰ এখন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ নামভৰ্তিৰ বাবদ শিক্ষাৰ্থী সকলৰ পৰা ১৫০০ টকা পৰ্যন্ত মাছুল সংগ্ৰহ কৰাৰ ঘটনা পোহৰলৈ আহিছে। জানিব পৰামতে জিলাখনৰ আমগুৰি শিক্ষা খণ্ডৰ অন্তৰ্গত দুৰ্লভ চন্দ্ৰ গগৈ জকাইচুক উচ্চতৰ মাধ্যমিক বিদ্যালয়ত চৰকাৰী নীতি নিৰ্দেশনা উলংঘা কৰি উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত নামভৰ্তিৰ বাবদ শিক্ষাৰ্থীৰ পৰা ১৫০০ টকাকৈ মাছুল সংগ্ৰহ কৰিছিল। কোনো ৰচিদ প্ৰদান নকৰাকৈ বিদ্যালয়ৰ অধ্যক্ষই শিক্ষাৰ্থী সকলৰ পৰা এনেদৰেই সংগ্ৰহ কৰিছে ধন। প্ৰাপ্ত অভিযোগ অনুসৰি বিগত দুটা বৰ্ষটো বিদ্যালয় কৰ্তৃপক্ষই ছাত্ৰ ছাত্ৰীৰ পৰা নামভৰ্তিৰ বাবদ নীতিবৰ্হিভূত ভাবে সংগ্ৰহ কৰিছিল ধন। আনকি শিক্ষাৰ্থী সকলৰ পঞ্জীয়ণৰ নামতো বিদ্যালয় কৰ্তৃপক্ষই অতিৰিক্ত ভাবে ২৫০-৩০০ টকা সংগ্ৰহ কৰাৰ অভিযোগ উঠিছে। আনহাতে এই মাছুল লোৱা সন্দৰ্ভত কোনো অভিভাৱকে প্ৰতিবাদ কৰিলে সংশ্লিষ্ট অভিভাৱকৰ সন্তানক চূড়ান্ত পৰীক্ষাৰ আভ্যন্তৰীণ মূল্যাংকনৰ দিবলগীয়া নম্বৰ ৫০ শতাংশৰ অধিক কমাই দিয়াৰো অভিযোগ উঠিছে বিদ্যালয় কৰ্তৃপক্ষৰ বিৰুদ্ধে। উল্লেখযোগ্য যে এই সন্দৰ্ভত অনুসন্ধান কৰোঁতে সাংবাদিকৰ লগত টেলিফোন বাৰ্তালাপত বিদ্যালয় খনৰ কাৰ্যালয় সহায়ক গৰাকীয়ে নামভৰ্তিৰ বাবদ মাচুল সংগ্ৰহ কৰাৰ কথা স্বীকাৰ কৰে। কাৰ্যালয় সহায়ক গৰাকীয়ে প্ৰকাশ কৰামতে অভিভাৱক সকলৰ সভাত গ্ৰহণ কৰা প্ৰস্তাৱৰ ভিত্তিতহে এই মাছুল সংগ্ৰহ কৰা হৈছে। আনহাতে এক নিৰ্ভৰযোগ্য সূত্ৰৰ মতে এই অভিযোগ ইতিমধ্যে জিলা শিক্ষা বিষয়াৰ কানত পৰিছেগৈ আৰু বিদ্যালয়খনৰ মুৰব্বীজন জবাবদিহি হ'ব লগা হৈছে। প্ৰণিধানযোগ্য যে বিহু বিষয়তো আভ্যন্তৰীণ মূল্যায়ন কম হোৱা বুলি অভিযোগ আহিছে। প্ৰাপ্ত তথ্য মতে শ্ৰেণী পাঠদানৰ বাবে ১০০ টকা আৰু ব্যৱহাৰিকৰ বাবে ৫০ টকা লৈছিল। কিন্তু যিকেইগৰাকী নাচনী ঢুলীয়াক অসমৰ বিখ্যাত বিহুৱা ৰঞ্জিত গগৈয়ে নিৰ্বাচন কৰি বিহু বিশ্ব ৰেকৰ্ড কৰিবলৈ নিছিল তেওঁলোকক বিহুৰ ব্যৱহাৰিকক নম্বৰ নাপালে বুলি অভিযোগ আহিছে। এতিয়া এই সকল নম্বৰ বঞ্চিত পৰীক্ষাৰ্থীয়ে তথ্য জনাৰ অধিকাৰ আইনৰ সহায় লবলৈ চিন্তাচৰ্চা কৰিছে বুলি জানিব পৰা গৈছে। জানিব পৰা মতে কালি নামভৰ্তিৰ নামত সংগৃহীত মাছুল শিক্ষাৰ্থী সকলক ঘূৰাই দিয়া বুলিও প্ৰকাশ কৰিছে কাৰ্যালয় সহায়ক গৰাকীয়ে। কেন্দ্ৰীয় চৰকাৰে দেশৰ শিক্ষা ব্যৱস্থাত আমুল পৰিবৰ্তন কৰিবলৈ চেষ্টা কৰাৰ সময়ত আৰু ৰাজ্য চৰকাৰে সকলো বিভাগ দুৰ্নীতিমুক্ত কৰাৰ প্ৰচেষ্টাৰ সময়ত চৰকাৰী নীতি নিৰ্দেশনাক আওকাণ কৰা বিদ্যালয়খনৰ কৰ্তৃপক্ষৰ ওপৰত চৰকাৰে কি ব্যৱস্থা লয় তাৰ ওপৰত সকলোৱে দৃষ্টি ৰাখিছে।

# বিজ্ঞান শাখাত ৯০.০৪ শতাংশ নম্বৰ প্ৰাপ্তিৰে উজ্জ্বলিল পুৰণিগুদামৰ ভাৰ্গৱী

**অসম বাৰ্তা, পুৰণিগুদাম, ২ মে' ঃ** আৰ্থিক অভাৱ শিক্ষাৰ ক্ষেত্ৰত হেঙাৰ হ'ব নোৱাৰে। নিজৰ ধৈৰ্য্য, সাহস, একাগ্ৰতা আৰু আত্মবিশ্বাস থাকিলে জীৱনত কৃতকাৰ্যতা লাভ কৰিব পাৰি এই কথাকে প্ৰমাণ কৰি দেখুৱালে নগাঁও জিলাৰ পুৰণিগুদামৰ এগৰাকী মেধাৱী ছাত্ৰীয়ে। সদ্যঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বিজ্ঞান শাখাত ৯০.০৪ শতাংশ নম্বৰ প্ৰাপ্তিৰে উজ্জ্বলিল ভাৰ্গৱী বৰা। নগাঁও জিলাৰ পুৰণিগুদাম মিকিৰহাট হাতীৰগাঁৱৰ বকুল বৰা আৰু বিনিতা বৰাৰ কন্যা ভাৰ্গৱী বৰাই ইংৰাজী- ৯১, অসমীয়া- ৯৫, জীৱ বিজ্ঞান- ৯১, ৰসায়ন বিজ্ঞান- ৯০, পদাৰ্থ বিজ্ঞান- ৮৫ আৰু গণিত- ৫৯ নম্বৰ প্ৰাপ্তিৰে বিজ্ঞান শাখাত ৯০.০৪ শতাংশ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে। ছাত্ৰীগৰাকীয়ে সৰ্বমুঠ ৪৫২ নম্বৰ লাভ কৰে। উল্লেখ্য যে, নগাঁৱৰ আমোলাপট্টি পি এছ ৰোডস্থিত মেট্ৰিস্ক চিনিয়ৰ চেকেণ্ডাৰী স্কুলত অধ্যয়নৰত ছাত্ৰী ভাৰ্গৱীৰ পিতৃয়ে পুৰণিগুদামৰ এটি ভাড়াঘৰত থাকি এখন সাধাৰণ কাপোৰৰ ব্যৱসায়েৰে পৰিয়ালটোৰ ভৰণ-পোষণৰ দায়িত্ব চম্ভালিছিল যদিও সীমাহীন আৰ্থিক দৈন্যৰ বাবে কৰ্মসংস্থাপন বিচাৰি দুবছৰ পূৰ্বে বহিঃৰাজ্যলৈ গুছি যায়। আৰ্থিক দুৰৱস্থাৰ মাজতো ঘৰুৱা শিক্ষকৰ সহায় নোলোৱাকৈ একাগ্ৰতাৰে অধ্যয়ন কৰি উচ্চতৰ মাধ্যমিকৰ চূড়ান্ত পৰীক্ষাত সফলতা অৰ্জন কৰা ছাত্ৰীগৰাকীৰ ফলাফলত গাঁওবাসী উৎফুল্ল হৈ পৰিছে। সম্প্ৰতি চিকিৎসা বিজ্ঞান বিভাগত অধ্যয়ন কৰিবলৈ সংকল্প গ্ৰহণ কৰা ছাত্ৰীগৰাকীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাতো শংকৰদেৱ বিদ্যানিকেতন, পুৰণিগুদামৰ পৰা পৰীক্ষাত অৱতীৰ্ণ হৈ ডিষ্টিংচন পাবলৈ সক্ষম হৈছিল। দৰিদ্ৰ পৰিয়ালৰ ছাত্ৰীগৰাকীক আৰ্থিকভাৱে সহায় কৰিবলৈ কোনো হৃদয়বান দল-সংগঠনৰ লগতে চৰক ।ৰ ক পৰিয়ালৰ লগতে স্থানীয় ৰাইজে আহ্বান জনাইছে।

# চামগুৰিৰ শিঙিয়াত ১২০ কাৰ্টন বিলাতী সুৰা জব্দ

**অসম বাৰ্তা, পুৰণিগুদাম, ২ মে' ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে যোৱা নিশা অবৈধ সুৰাৰ বিৰুদ্ধে অভিযান চলাই শিঙিয়া কেঁকোৰাচুক গাঁৱৰ এজন বি এছ এফ জোৱানৰ বাসগৃহৰ পৰা বহু পৰিমাণৰ বিলাতী সুৰা জব্দ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, চামগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী পৰিদৰ্শক অৰূপ পাঠকৰ নেতৃত্বত এটা আৰক্ষী দলে যোৱা নিশা শিঙিয়া অঞ্চলত অবৈধ সুৰাৰ বিৰুদ্ধে অভিযান চলায়। পৰৱৰ্তী সময়ত আৰক্ষীৰ দলটোৱে শিঙিয়া কেঁকোৰাচুক গাঁৱৰ তথা বি এছ এফৰ জোৱান ৰঞ্জন বৰা নামৰ লোকজন ঘৰৰ পৰা আৰক্ষীৰ দলটোৱে ১২০ কাৰ্টন বিলাতী সুৰা জব্দ কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ দলটোৱে অভিযান চলোৱাৰ উমান পাই ৰঞ্জন বৰা পলাই যায় বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে। দীৰ্ঘদিন ধৰি বি এছ এফত কৰ্মৰত ৰঞ্জন বৰাই অবৈধভাৱে সুৰাৰ বেহা চলাই আহিছিল বুলি অভিযোগ উঠিছে। উল্লেখ্য যে, পূৰ্বেও ৰঞ্জন বৰাৰ বাসগৃহত আৰক্ষীৰ লগতে আৱকাৰী বিভাগে অবৈধ সুৰাৰ বিৰুদ্ধে অভিযান চলাই বহু পৰিমাণৰ সুৰা জব্দ কৰিবলৈ সক্ষম হৈছিল।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ | বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com | ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ | ◀◀ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▶▶

◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •

● সম্পাদক ঃ তনয় বৰা | ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন